বৰফুকনৰ গীত

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা।

প্ৰাগ্‌জ্যোতিষ-গ্ৰন্থমালা

PLEASE HANDLE THE BOOK CAREFULLY

বৰফুকনৰ গীত

সম্পাদক

শ্ৰীসূৰ্য্যকুমাৰ ভূঞা

Call No..........
DISTRICT LIBRARY

চতুৰ্থ তাঙ্গৰণ

প্ৰাগ্‌জ্যোতিষ গ্ৰন্থশালা
গুৱাহাটী, অসম।

বেচ ছটকা

সূচীপত্ৰ

সম্পাদকৰ নিবেদন

ভূমিকা ... ... ১—২৮

আৰম্ভণ ১

অসম বুৰঞ্জীৰ ঘটনা ২

চৰিত্ৰ-আলোচনা— ... ৯

ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই ... ৯

বদনচন্দ্ৰ বৰফুকন ১১

পিজৌ গাভৰু ১৩

মানৰজাৰ কুঁৱৰী ১৪

ৰাজমাও ১৬

বৰফুকনৰ গীতৰ ভাষা ১৮

বিদেশী শব্দ ২০

বৰফুকনৰ গীতৰ গ্ৰন্থকাৰ ২০

গীত ৰচনাৰ কাল ২৩

বৰফুকনৰ গীত আৰু বুৰঞ্জীৰ ঘটনা ... ২৪

অন্যান্য অসমীয়া গীত ২৫

নতুন কথা ... ... ২৯—৪৩

বৰফুকনৰ গীত ৪৫—৮২

টীকা ৮৩

ওপৰঞ্চি টীকা ... ... ৯১—৯৬

সম্পাদকৰ নিবেদন

প্ৰথম তাঙ্গৰণ।—উত্তৰ লক্ষীমপুৰ চহৰৰ পৰা প্ৰায় ন-মাইলমান আঁতৰত কমলাবাৰীলৈ যোৱা আলিৰ কাষৰত ঢুলীয়া গাওঁ নামে এডোখৰ হাবিতলীয়া ঠাই আছে, সেই গাৱঁৰ এচুকত এটি জুপুৰী পজাত শ্ৰীভকত-ৰাম মিস্ত্ৰী নামে এজন মানুহে এজাক লৰাছোৱালীৰে সৈতে বাস কৰে। তেওঁ পূৰ্ব্বে ভাল ঘৰৰ লৰা আছিল, কিন্তু কালৰ চক্ৰত পৰি এতিয়া তেওঁৰ সাংসাৰিক অৱস্থা বৰ জুৰুলা হৈছে। আজি কিছুমান বছৰৰ আগেয়ে তেওঁ গীত ৰচনা কৰি ৰাইজৰ পৰা শিকিটো-আধালিটো পাই পেট প্ৰৱৰ্ত্তাইছিল, কিন্তু সংসাৰৰ চিন্তাত পৰি গীত গাই মানুহক সন্তোষ লগাব পৰা শক্তিটোও আজিকালি ভকতৰামৰ লোপ পাইছে। ১৯১৭ চনত মোৰ বিয়াৰ কিছুদিনৰ পাচত এই ভকতৰাম মিস্ত্ৰীয়ে গোৱা বৰফুকনৰ গীতৰ মই সম্ভেদ পাওঁ। ১৯১৯ চনত উত্তৰ লক্ষীমপুৰলৈ যাওঁতে বহুকষ্ট কৰিও মই ভকতৰামৰ লগ ধৰিব নোৱাৰিলোঁ। তাৰ পাচত শ্ৰীযুত বিনদচন্দ্ৰ ভূঞা মৌজাদাৰ ডাঙ্গৰীয়াৰ জৰীয়তে তেখেতৰ মহৰী শ্ৰীযুত লক্ষীনাথ দত্ত-ফুকনদেৱে বৰ যত্নৰে বোকা-পানী খচকি ঢুলীয়া গাৱঁলৈ কেবাবাৰো গৈ মোৰ কাৰণে ভকতৰামৰ মুখৰ পৰা এই গীতটো টুকি আনে। ১৯২৩ চনত মই লক্ষীমপুৰলৈ যাওঁতে ভকতৰামক মাতি আনি তেওঁৰ নিজৰ মুখৰ পৰা গীতটো শুনি মোৰ হাতত থকা টোকাৰ লগত মিলাই লওঁ।

ঢুলীয়া গাৱঁৰ নিচিনা আওহতীয়া ঠাইৰ এজন মানুহে এই গীতটো গোৱাৰ কাৰণে ইয়াৰ ভাষা একেবাৰে নিভাঁজ হৈ আছে, তাত বিদেশী শব্দ আৰু বচনভঙ্গীৰ অকণো চেকা পৰিব পৰা নাই। মানৰ উপদ্ৰৱত জুৰুলা হোৱা হোজা অসমীয়াৰ সৰল প্ৰাণৰ পৰা ওলোৱা অসমৰ বেলিমাৰ

বা জীৱনসন্ধ্যাৰ এই নিখুঁট ছবিটিয়ে অসমীয়া ৰাইজৰ পৰা মৰম পাব এই আশাৰে আমি তাক প্ৰকাশ কৰিলোঁ। যি কিজনৰ সহায়ত এই গীতটি অসমীয়া ৰাইজৰ আগলৈ ওলাব পাৰিছে—শ্ৰীযুত বিনদচন্দ্ৰ ভূঞা ডাঙৰীয়া, শ্ৰীযুত লক্ষ্মীনাথ দত্ত-ফুকন, শ্ৰীযুত ভকতৰাম মিস্ত্ৰী—এই তিনিজনলৈকে মোৰ আন্তৰিক কৃতজ্ঞতাৰ আঁজলি অৰ্পণ কৰিলোঁ।

বৰফুকনৰ গীত বহুদিনৰে পৰা অসমৰ নানান ঠাইত প্ৰচলিত আছে। শিৱসাগৰৰ স্বৰ্গীয় ইন্দ্ৰীবৰ বৰুৱা ডাঙৰীয়াই আজি কুৰি বছৰমানৰ আগেয়ে লিখা "জীৱনাদৰ্শ" পুথিত এই কান্দোন-উঠা গীতটোৰ কথা উল্লেখ কৰিছে। আন ঠাইৰ গীত পাবলৈ চেষ্টা কৰিও নোপোৱাত আমাৰ হাতত থকা গীতটোৰ লগত মিলাব নোৱাৰিলোঁ। আমি যেনেভাবে পাইছোঁ আৰু শুনিছোঁ তেনেভাবে আমি এই বৰফুকনৰ গীতটো ছপালোঁ। তাক সৰচৰ কৰিবলৈ আমাৰ সত নাযায় আৰু শক্তি নাই।—গুৱাহাটী, ২৫ ডিচেম্বৰ ১৯২৪ খৃঃ।

দ্বিতীয় তাঙৰণ।—"বৰফুকনৰ গীতৰ" প্ৰথম তাঙৰণ ১৯২৪ খৃষ্টাব্দৰ ডিচেম্বৰ মাহত প্ৰকাশিত হয়। শ্ৰীযুত লক্ষ্মীনাথ দত্ত-ফুকনৰ সহায়েৰে এই গীতটি পোহৰলৈ ওলাব পাৰিছিল—এওঁ ইতিমধ্যে ইহলীলা সম্বৰণ কৰিছে; শ্ৰীযুত বিনদচন্দ্ৰ ভূঞা মৌজাদাৰ ডাঙৰীয়াই দত্ত-ফুকনদেৱক উৎসাহ দি এই গীতটি সংগ্ৰহ কৰাইছিল, তেখেতৰো ইতিমধ্যে লোকান্তৰ ঘটিছে। এনে এটি মূল্যবান সাহিত্য-সম্পদ স্বজাতিৰ মাজত প্ৰচাৰৰ সহায় কৰাত এওঁলোকৰ নাম স্মৰণীয় হৈ থাকিব।

এজন গোজা অসমীয়া গাৱঁলীয়া চহা মানুহৰ মুখৰ পৰা ওলোৱা গীত এটিত এনে আপুৰুগীয়া সম্ভাৰ সোমাই থাকিব পাৰে তাক ভাবিলে বিস্ময় মানিব লাগে। গীতটি প্ৰকাশিত হোৱাত, সাহিত্য-ৰথী স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াই "বাঁহীত", স্বৰ্গীয় পদ্মনাথ গোঁহাই-বৰুৱা ডাঙৰীয়াই "আসাম বন্তিত", আৰু স্বৰ্গীয় সত্যনাথ বৰা ডাঙৰীয়া, শ্ৰীযুক্ত ৰাধাকান্ত

সন্দকৈ ডাঙৰীয়া, আৰু ডাক্তাৰ সুনীতিকুমাৰ চট্টোপাধ্যায়দেৱে সম্পাদকলৈ দিয়া চিঠিত পুথিখনৰ সমাদৰ কৰি মন্তব্য দিয়ে। লণ্ডনৰ ৰয়েল এচিয়াটিক চচাইটিৰ জৰ্ণেলত, অসমীয়াৰ সুপৰিচিত আৰু "হেমকোষৰ" ঘুটীয়া সম্পাদক কৰ্ণেল পি-আৰ্-টি গৰ্ডন চাহাবে এই পুথিৰ সুদীৰ্ঘ পৰিচয় প্ৰকাশ কৰি তাৰ প্ৰতি পণ্ডিত সমাজৰ দৃষ্টি আকৰ্ষণ কৰে। এই পুথিখন কেবাবছৰো ধৰি বিশ্ববিদ্যালয়ৰ এম্-এ আৰু বি-এ পৰীক্ষাৰ অসমীয়া পাঠ্যৰূপে নিৰ্দ্ধাৰিত হয়।

তাৰ উপৰিও, এই পুথিৰ অন্তৰ্গত ঘটনাৱলীৰ আলম লৈ গুৱাহাটীৰ ইষ্টাৰ্ণ্ মুভিজ কোম্পানীয়ে ১৯৪৭ চনত "বদন বৰফুকন" নামে কথাছবি যুগুত কৰি তাক অসমৰ কেবা ঠাইতো দেখুৱাইছে। তলসৰা সামান্য গুটি এটিত এজোপা বিয়াগম বৰগছৰ পৰিপূৰ্ণতা যে লুকাই থাকে "বৰফুকনৰ গীতৰ" সমাদৰ আৰু প্ৰচাৰৰ পৰা তাৰ ভাল প্ৰমাণ পোৱা যায়।

মান-অনা বদনচন্দ্ৰ বৰফুকন আৰু সেইকালৰ ঘটনাৱলীৰ বিষয়ে ভালেমান নতুন তথ্য সম্পাদকে ইতিমধ্যে সংগ্ৰহ কৰিছে, তাৰে সাৰাংশ আগৰ ভূমিকাৰ পাচতে "নতুন কথা" নাম দি দ্বিতীয় তাঙৰণত সন্নিবিষ্ট কৰি দিয়া হ'ল। বদনচন্দ্ৰ বৰফুকন, পূৰ্ণানন্দ বুঢ়াগোহাঁই ৰাজমন্ত্ৰী ডাঙৰীয়া, মানৰ অসম আক্ৰমণ আৰু প্ৰজা-উৎপীড়ন, মানক খেদিবৰ উদ্দেশ্যে অসমলৈ বৃটিছৰ আগমন আৰু ইয়াত ৰাজ্য-শাসনৰ আৰম্ভণ, এই সকলো কথ সম্পাদকৰ "এংলো-এচেমিজ্ ৰিলেছন্চ্", বা ইংৰাজ-অসমৰ লেনদেনৰ বুৰঞ্জী নামৰ সুবৃহৎ ইংৰাজী গ্ৰন্থত বিস্তৃতভাৱে আলোচনা কৰা হৈছে।

পূৰ্ব্বৰ দৰে ভবিষ্যতলৈকো এই পুথিখনিয়ে ৰাইজৰ পৰা মৰম-সাদৰ পালে, আৰু তাৰ লগে-লগে লুপ্ত হৈ যাবলৈ ধৰা অসমীয়া গীত পদ মালিতা আদি পোহৰলৈ ওলোৱাৰ সূত্ৰপাত হলে সম্পাদকে নিজৰ পৰিশ্ৰম সাৰ্থক হৈছে বুলি ভাবিব।—গুৱাহাটী, ১ জুলাই ১৯৫০ চন।

তৃতীয় তাঙৰণ।—"বৰফুকনৰ গীত" গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইণ্টাৰ্‌-মিডিয়েট্ আর্টচ্‌ আৰু চায়েন্স্‌ পৰীক্ষাৰ পাঠ্যপুথিৰূপে নির্দ্ধাৰিত হোৱাত অলপ সময়ৰ ভিতৰতে দ্বিতীয় তাঙৰণৰ কিতাপ অস্ত পৰিল, সেইদেখি এই তৃতীয় তাঙৰণ উলিয়াব লগীয়া হল। এইবাৰ মাজে-মাজে বৈ যোৱা এটা-দুটা ভুল শুধৰোৱা হৈছে, আৰু ওপৰঞ্চিত কিছু নতুন কথা যোগ দিয়া হৈছে।—গুৱাহাটী, ১জুন ১৯৫১ চন।

চতুর্থ তাঙৰণ।—এই তাঙৰণত পুথিৰ পাঠ নিভুর্ল কৰিবলৈ যথা-সম্ভৱ চেষ্টা কৰা হৈছে।—গুৱাহাটী, ৬ জুলাই ১৯৫৪ চন।

শ্রীসূর্য্যকুমাৰ ভূঞা।

Library books will give you joy for long
if handled carefully with clean hands

বৰফুকনৰ গীত

ভূমিকা

আৰম্ভণ।—১৭৩৭ শকৰ ভাদ মাহৰ পৰা ১৭৪৬ শকৰ মাঘলৈকে অসমৰ বুৰঞ্জীত যিবোৰ ঘটনা ঘটে সেই সকলো কথা অতি সুৰলা পদ্যত বৰ্ণনা কৰি এই বৰফুকনৰ গীতটি ৰচিত হৈছে। উক্ত কালৰ ঘটনাবোৰৰ ঘাই নিয়ন্তা হৈছে ৰঙাচিলা তুৱৰাৰ ঘৰৰ ঘিণাই বা বদনচন্দ্ৰ বৰফুকন, সেইদেখি এই গীতটিৰ নাম বৰফুকনৰ গীত। বদনচন্দ্ৰই তেওঁৰ আত্মীয় পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ ওপৰত পোটক তুলিবলৈ কিদৰে অসমলৈ মান আনিছিল, আৰু অৱশেষত তেওঁ কেনেকৈ এটা সামান্য বিদেশী ৰগুৱাৰ হাতত প্ৰাণ বিসৰ্জন দিছিল, এই সকলো কথা এই গীতত বৰ্ণিত হৈছে, তাৰ লগে-লগে অসমৰ জীৱনসন্ধ্যাৰ এটি সুন্দৰ ছবিও ইয়াত ফুটি ওলাইছে। অসমৰ এই জীৱনসন্ধ্যাৰ বিষয়ে এখন দুখন মৌলিক গ্ৰন্থ কৃতবিদ্য লিখকে ৰচনা কৰিছে, কিন্তু এই বৰফুকনৰ গীতটি কোনো এজন শিক্ষিত বা মাৰ্জ্জিত কবিৰ লেখনীৰ পৰা ওলোৱা নহয়। আমাৰ অসমীয়া গাৱঁলীয়া বীণবোৱা বা গীতগোৱা স্বভাব-কবিসকলৰ কবিত্বৰ যিবোৰ আহিলা-পাতি আছে তাৰে সৈতে এই গীতটি ৰচিত। মানৰ আক্ৰমণ আৰু অত্যাচাৰৰ নিচিনা জাতীয় বিপ্লৱত অসমীয়াৰ অন্তৰত যি বেদনাৰ সোঁত বৈছিল তাৰ এটি উজ্জ্বল আঁক এই গীতটিত বৈ গৈছে। কোনো এটি জাতিৰ প্ৰাণ ভেদি ওলোৱা এনে এটি গীত জগতৰ লোক-সাহিত্যতো অতি বিৰল।

অসম বুৰঞ্জীৰ ঘটনা।—বৰফুকনৰ গীতৰ গোটেই কথাখিনি সম্পূৰ্ণকৈ বুজিবলৈ হলে অসম বুৰঞ্জীৰ কিছু কথা সংক্ষেপকৈ জানি লোৱা ভাল। মোৱামৰীয়া বিদ্ৰোহত গোটেই অসমদেশ ছাৰখাৰ হোৱাত মহামতি ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোঁহাই ডাঙৰীয়া সেই জুকলা ৰাজ্য ভাল কৰাত বৰ ব্যস্ত আছিল। ডাঙৰীয়াই মটক-মৰাণৰ উপদ্ৰৱত দেশে-বিদেশে ভাগিযোৱা অসমীয়া ৰাইজক মাতি আনি আকৌ আগৰ ঠাইত বসতি কৰিবলৈ দিছিল, আৰু সৈন্য-বিভাগৰ বিশেষ সংস্কাৰ সাধিছিল। বুঢ়াগোহাঁই ডাঙৰীয়াৰ বিশেষ যত্নত ভঙা দেশ পুনৰ টনকিয়াল হবলৈ ধৰিলে। উজনিত পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়া ৰাজমন্ত্ৰী হৈ থকা কালত ভাটীত কলীয়া-ভোমোৰা বৰফুকন আছিল। হৰদত্ত আদি কৰি কামৰূপৰ কিছুমান প্ৰতাপৱন্ত মানুহৰ বিদ্ৰোহ এই জনা বৰফুকনে বৰ কৌশলেৰে দমন কৰি ৰজাঘৰৰ পৰা বিশেষ সুখ্যাতি লাভ কৰে। তেতিয়াৰে পৰা কামৰূপৰ প্ৰজাক সাৱধানে শাসন কৰিলে ৰাজ্যৰ সুমঙ্গল বুলি বুঢ়াগোহাঁই ডাঙৰীয়াই বিবেচনা কৰিছিল। উজনিত বুঢ়াগোহাঁই ডাঙৰীয়াই নিজে যিদৰে শান্তিৰ ব্যৱস্থা কৰিছিল, নামনিত বৰফুকনেও তেনে কৰিব বুলি তেখেতে আশা কৰিছিল। কিন্তু কলীয়া-ভোমোৰাৰ পাচত যিজন বৰফুকন হ'ল তেওঁৰ কাৰ্য্যাবলীৰ পৰা বুঢ়াগোহাঁই ডাঙৰীয়া হতাশ হ'ল।

কলীয়া-ভোমোৰাৰ পাচত ডুৱৰাৰ ঘৰৰ হৰনাথৰ পুতেক ঘিণাই, ওৰফে বদনচন্দ্ৰ, ভাটীৰ বৰফুকন হৈ কামৰূপৰ প্ৰজাৰ ওপৰত উৎপীড়ন কৰিছে বুলি বুঢ়াগোহাঁইৰ কাণত পৰিলগৈ। ডাঙৰীয়াৰ ঘোৰ শঙ্কা হল জানোচা কামৰূপৰ প্ৰজাই দেশত পুনৰ বিদ্ৰোহৰ জুই জলাই তোলে, তেনেহলে বুঢ়াগোহাঁই ডাঙৰীয়াৰ শান্তিস্থাপনৰ সকলো শ্ৰম বিফল হব। বদনচন্দ্ৰৰ প্ৰথম অপৰাধ হল এইটো।

তাৰ উপৰি, বৰফুকনৰ লৰাকিটিয়ে বালকদাস নামে এটা ঘৰুৱা

হাতীক ভাং খুৱাই বলিয়া কৰি মাজে-মাজে গুৱাহাটী চহৰত এৰি দিছিল। এফালে ভাং-খোৱা পগলা হাতীয়ে ৰাইজৰ ঘৰ-দুৱাৰ মহটিয়াই মানুহ মাৰি এমুৰৰপৰা পয়মাল লগাইছে, আনফালে ফুকনৰ লৰাই ৰোমান সম্রাট নিৰৰ দৰে নিলগৰ পৰা এই ভীষণ ধেমালি চাই আনন্দ উপভোগ কৰি হাত-চাপৰি বাইছে!—ফুকনৰ অপৰাধ তেওঁ নিজৰ লৰাৰ কাৰ্য্যত একো হকা-বধা নকৰিছিল। লৰাই পানী পেলায়, ডাঙৰ পিছলি পৰে। বৰফুকনৰ দ্বিতীয় জগৰ হল এইটো।

অসমত বিষয়াসকলৰ অশেষ ক্ষমতা আছিল সঁচা, কিন্তু সেই বুলি কোনো ৰজা বা বিষয়াৰ লৰাই প্ৰজাৰ ওপৰত অত্যাচাৰ কৰিব এইটো অসহনীয়। চুৰম্‌ফা জয়াদিত্য ভগাৰজাই কুঁৱৰীৰ তোলনীয়া পুতেকজন ঢুকুৱাত কুঁৱৰীৰ অনুৰোধমতে ফুকন-বৰুৱা আদি বিষয়াৰ কেবাটাও লৰাক ৰাজকোঁৱৰৰ লগত উমলিব বুলি মৈদামত পুতিব খুজিছিল। ইয়াতে ৰজাৰ বিষয়াসকল অসন্তুষ্ট হৈ উক্ত ৰজাক সিংহাসনৰ পৰা নমাই ভায়েক ঠাকুৰা গোহাঁইক সিংহাসনত বহুৱালে। স্বৰ্গদেৱৰ প্ৰধান জগৰ হ'ল তেওঁ কুঁৱৰীৰ প্ৰস্তাৱৰ প্ৰতিবাদ নকৰি বিষয়াসকলৰ জীয়া লৰাক মৰা কোঁৱৰৰ লগত মৈদামত থবলৈ দিহা কৰিছিল। গতিকে, বদনচন্দ্ৰ বৰফুকনৰ লৰাই হাতীক বলিয়া কৰি ৰাইজৰ অনিষ্ট সাধিব, আৰু পিতাক বৰফুকনে তাত একো বাধা নিদিব, এইটো বাস্তৱতে বিষম জগৰৰ কথা। বুঢ়াগোহাঁই ডাঙৰীয়াৰ বিশেষ শঙ্কা হল, অলপতে শান্ত হোৱা কামৰূপৰ প্ৰজা এইবোৰ উৎপীড়নত আকৌ কিজানি বিদ্ৰোহী হৈ উঠে।

সেই সময়ত কুকুৰাচোৱা বৰা ভূতৰ পুতেক সত্ৰাম কোমল-বয়সীয়া ৰজা চন্দ্ৰকান্তসিংহৰ বিশেষ প্ৰিয়পাত্ৰ হৈ চাৰিঙীয়া ফুকনৰ পদ পায়গৈ। সত্ৰামে অযথা ৰাজ-অনুগ্ৰহ লভি পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াকে আদি কৰি সম্ভ্ৰান্ত বিষয়াসকলক নানাৰকমে অপমান কৰিবলৈ ধৰিলে। এনে কি, সত্ৰামে তলে-তলে সৈন্য গোটাই বুঢ়াগোহাঁইৰ বিৰুদ্ধে ষড়যন্ত্ৰ আৰম্ভ

কৰিলে। স্বৰ্গদেৱৰ অনিচ্ছা সত্ত্বেও, পাত্ৰ-মন্ত্ৰীৰ ইচ্ছা প্ৰবল হোৱাত সতৰাম আৰু তেওঁৰ লগৰ ষড়যন্ত্ৰকাৰীসকলৰ বিচাৰ আৰম্ভ হ'ল। বিচাৰত সতৰাম আৰু তেওঁৰ লগৰীয়াইতৰ দণ্ড হ'ল। এই বিচাৰত এইটো প্ৰকাশ পালে যে সতৰামৰ ষড়যন্ত্ৰত বদনচন্দ্ৰৰো যোগ আছিল। বদনচন্দ্ৰৰ তৃতীয় অপৰাধ হ'ল এইটো।

এই তিনিওটা জগৰ মূঠ কৰি, বদনচন্দ্ৰক ৰাজদ্ৰোহৰ দোষী বিবেচনা কৰি, তেওঁক ধৰি উজনিলৈ আনিবলৈ মহেশ্বৰ পৰ্ব্বতীয়া ফুকনক বুঢ়াগোহাঁই ডাঙৰীয়াই গুৱাহাটীলৈ পঠিয়ালে।

বদনচন্দ্ৰৰ চাৰিটি সন্তান, কন্যা পিজৌ আইদেও, লৰা জন্মি, পিয়লি আৰু মুমলি। এই পিজৌ গাভৰুক পুৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ পুতেক ওৰেষানাথ ঢেকিয়াল ফুকনে বিয়া কৰায়। গাভৰুৱে কেনেবাকৈ মহেশ্বৰ পৰ্ব্বতীয়া ফুকন গুৱাহাটীলৈ বদনচন্দ্ৰক ধৰিবলৈ যোৱা গম পাই তুৰন্তে এজন বিশ্বাসী মানুহৰ হাতত এখন চিঠি দেউতাক বৰফুকনলৈ দিলে, তাৰ মৰ্ম্ম এই,—"দেউতা, সকলো মানুহ তোমাৰ বিপক্ষ। ঈশ্বৰ তোমাৰ সপক্ষ হওক। সাৱধান, নতুবা সৰ্ব্বনাশ!"

১৭৩৭ শকৰ আহিনৰ ২২ তাৰিখে সন্ধিয়া পৰ্ব্বতীয়া ফুকন গৈ গুৱাহাটি পাই, তাৰ পাচদিনা পুৱা দোপদৰত বৰফুকনক ধৰিবলৈ প্ৰস্তাব কৰিলে। কিন্তু সেইদিনা সাঁজতে পিজৌ আইদেওৰ পৰা চিঠি লৈ যোৱা মানুহে বৰফুকনক চিঠিখন দিয়ে। চিঠি পাই বৰফুকনে সেই নিশাই নাৱৰীয়া মাতি আনি ধোঁদৰ দুৱাৰেদি নাৱত উঠি লুইতেদি ভটীয়াই গ'ল।

বৰফুকন পলাই যোৱা শুনি পৰ্ব্বতীয়া ফুকনৰ কি-কৰোঁ-কি-নকৰোঁ লাগিল। তেওঁ ৰাতিটো জিৰণি লৈ পুৱা বৰফুকনক ধৰাৰ প্ৰস্তাৱ সকলো বিফল হল। তেওঁ নাৱেৰে বৰফুকনক খেদা দি বঙ্গদেশৰ এলাকা চিলমাৰীত বৰফুকনক ধৰোঁ-ধৰোঁ হৈছিল, কিন্তু চিলমাৰীৰ থানাদাৰে বৰফুকনক

পৰ্ব্বতীয়া ফুকনৰ হাতত সমৰ্পণ নকৰিলে। বৰফুকনে বঙ্গদেশ পাই বৃটিছ গৱৰ্ণমেণ্টৰ ওচৰত অসমৰ দুৰ্দ্দশাৰ কথা বৰ্ণনা কৰি সাহায্য ভিক্ষা কৰে। ইয়াৰ পূৰ্ব্বে বৃটিছৰ সেনা আহি অসমত মোৱামৰীয়া বিদ্ৰোহ কিছুপৰিমাণে দমন কৰিছিল, তেতিয়াৰে পৰা বৃটিছৰ লগত অসমৰ মিত্ৰতা আছিল। বৰফুকনৰ প্ৰাৰ্থনা মতে মিত্ৰৰাজ্যলৈ সৈন্য পঠিয়াবলৈ বৃটিছ অসম্মত হ'ল। বৰফুকনে তাৰ পাচত এজন মান কটকীৰ লগত ঢাকা, চট্টগ্ৰাম আৰু আৰাকানেদি পানী-তৰ উভয়ে গৈ বহুদিনৰ মূৰত মানৰজাৰ ৰাজধানী আভা নগৰী পায়গৈ। সেইকালৰ পৰম পৰাক্ৰমী মানৰজা বডোৱাফাৰ আগত নিজদেশ অসমৰ দুৰ্দ্দশাৰ কথা বৰ্ণনা কৰি, আৰু অসমৰ ধন-সোণ; গাভৰুৰ সৌন্দৰ্য্য আদিৰ প্ৰলোভন দেখুৱাই, মানৰজাক অসমলৈ এজাক মান-সেনা পঠাবলৈ বৰফুকনে মান্তি কৰায়। ১৭৩৮ শকৰ ফাগুনত, অৰ্থাৎ গুৱাহাটী এৰাৰ ওঠৰ মাহৰ পাচত, মানৰ সৈন্য লৈ বৰফুকনে অসমৰ সীমাত ভৰি দিয়েহি। সেই শকৰ চ'তত বৰফুকন সসৈন্যে যোৰাহাট পাঁও-পাঁও হওঁতেই পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ মৃত্যু হয়। তাৰ পাচে একো অত্যাচাৰ কৰিবলৈ নিদি মানইতক ফুকনে দমন কৰি ৰাখিব পাৰিছিল, আৰু চন্দ্ৰকান্ত স্বৰ্গদেৱৰ লগত মানৰে তেওঁ মিত্ৰতা স্থাপন কৰাই মানইতক নিজদেশলৈ পঠিয়াই দিছিল। স্বৰ্গদেৱে তুংখুঙীয়া ফৈদৰ বগাকোঁৱৰৰ জীয়েক হেমো আইদেওক সালংকৃতা কৰি মানৰজালৈ দিলে। তাৰ পৰা চন্দ্ৰকান্ত আৰু মানৰ মাজত মিত্ৰতা আৰম্ভ হল। হেমো আইদেওৰ লগত তেওঁৰ মাক, ককায়েক টঙ্কেশ্বৰ আৰু মলো, আৰু পাঁচ-শ অসমীয়া বন্দুৱা সপৰিয়ালে মানদেশলৈ যায়। এই গৰাকী কুঁৱৰী বৰ শুৱনী আৰু গুণৱতী আছিল, পাচলৈ মানৰজাৰ মহিষী হৈ ভামো মেপায়া নামে তেওঁ জনাজাত হয়।

চন্দ্ৰকান্ত স্বৰ্গদেৱে বদনচন্দ্ৰক মন্ত্ৰী-ফুকন বাব দি সকলো ক্ষমতা তেওঁৰ হাতত অৰ্পণ কৰে। মন্ত্ৰী-ফুকন বা ৰাজমন্ত্ৰী হৈ বদনচন্দ্ৰই হেজাৰে

ভাল সাশন নকৰোক, সোণৰ সঁফুৰা অসম ভূমিত শত্রু সুমুৱাৰ কাৰণে তেওঁ সকলোৰে অপ্ৰিয় হৈ উঠিল। পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ প্রতি সুমলী ৰাজমাও দেৱতাৰ অশেষ অনুৰাগ আছিল। ৰাজ্যৰ ধৰণী পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ ঠাই অধিকাৰ কৰি, এনে কি ডাঙৰীয়াৰ ঘৰতে বসতি কৰি বদনচন্দ্ৰই মন্ত্রীফুকনৰ বাব লৈ ৰাজ্য চলাবলৈ আৰম্ভ কৰাত বদনচন্দ্ৰ ৰাজমাও দেৱতাৰ চকুৰ হুল হৈ পৰিল। বদনচন্দ্ৰক বধিবলৈ ধনী বৰবৰুৱাৰে সৈতে ৰাজমাৱে পৰামৰ্শ কৰিলে। বদনচন্দ্ৰৰ গাত বোলে কে-অঁৰামান বিবি আছিল, এই বিবিৰ গুণতে ক'তো একো বিঘিনি নোহাৱাকৈ বৰফুকনে সুদূৰ মানদেশৰ পৰা উভতি আহিব পাৰিছিল। কথিত আছে, এই বিবি গাত থাকেমানে বৰফুকনক দা যাঠিৰে কুবিয়াই মাৰিব নোৱাৰি, অথাই পানীত পৰিলেও তেওঁ নুবুৰে। ৰাজমাৱে চল কৰি জানিব পাৰিলে যে পুৱা শৌচৰ সময়ত ফুকনে এই বিবি কে-অঁৰা শৰাইত থৈ দিয়ে। এই ছেগতে তেওঁক মাৰিব-কাটিব পাৰি। ৰূপচিং নামে ভোজপুৰীয়া হিন্দুস্থানি চিপাহী এটা এই কামত নিযুক্ত হল। ১৭৩৯ শকৰ শাওণত ৰূপচিঙে ছেগ চাই বৰফুকনক হত্যা কৰে। স্বৰ্গদেৱৰ আদেশ বা ৰাজমাওৰ পৰামৰ্শ মতে বদনচন্দ্ৰৰ পুতেক জন্মি সুমলি পিয়লিক বন্দী কৰা হয়।

বদনচন্দ্ৰৰ মৃত্যুৰ পাচত মানৰ মিত্ৰ চন্দ্ৰকান্তসিংহক ৰাইজে সন্দেহৰ চকুৰে চাবলৈ ধৰিলে। বৰফুকনে অসমলৈ মান অনা কাৰ্য্যত স্বৰ্গদেৱৰ যোগ আছে বুলি ৰাইজৰ বিশ্বাস হ'ল। স্বৰ্গদেৱে ভাবিছিল পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াই সকলো ৰাজক্ষমতা নিজ হাতলৈ আনিবলৈ ধৰিছে। সেইদেখি বুঢ়াগোহাঁই ডাঙৰীয়াই অন্যান্য পাত্ৰমন্ত্ৰীৰে সৈতে বৰচ'ৰাত সতৰামৰ বিচাৰৰ নিমিত্তে বাট চাই থাকিলেও স্বৰ্গদেৱে বুঢ়াগোহাঁয়ে অন্যায় আচৰণ কৰিছে বুলি সতৰামক বৰচ'ৰালৈ পঠাবলৈ পোনতে অনিচ্ছুক হৈছিল। বদনচন্দ্ৰই নিজৰ আৰু স্বৰ্গদেৱৰ শত্ৰু বুঢ়াগোহাঁই ডাঙৰীয়াক এসেকা দিবলৈ

অসমলৈ মান অনা কাৰ্য্যত স্বৰ্গদেৱৰ যোগ থকাটো সম্ভৱ বুলি ৰাইজে ভাবিলে। বাস্তৱতে বৰফুকনে ইংৰাজৰ আগত আৰু বৰ্ম্মাত মানৰজাৰ আগত চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱৰ তৰফেহে এই বুলি দৰ্খাস্ত দিছিল যে অকল বুঢ়াগোহাঁই ডাঙৰীয়াই দেশখন ৰসাতললৈ নিছে, ৰজা নামমাত্ৰ, সেই ৰজাৰ লুপ্ত ৰাজক্ষমতা ওলোটাই আনিব লাগে। দ্বিতীয়তঃ, মানইঁত যোৰহাট পাওঁতে ৰুচিনাথ বুঢ়াগোহাঁই ডাঙৰীয়া গুৱাহাটীলৈ ভটীয়াই গ'ল, স্বৰ্গদেৱক মতাত স্বৰ্গদেৱ ভটীয়াই নাহি উজনীতে থাকিল। ইয়াৰ পৰা ৰাইজে বুজিলে, স্বৰ্গদেৱৰ বিশ্বাস আছিল যে মানে তেওঁৰ অনিষ্ট নকৰে, কাৰণ মান তেওঁৰ নিমন্ত্ৰিত। তৃতীয়তঃ, মানইঁত প্ৰথমবাৰ অসমলৈ আহি চন্দ্ৰকান্ত স্বৰ্গদেৱক অসমৰ সিংহাসনত সুদৃঢ় কৰি তেওঁৰ লগত মিত্ৰতা স্থাপন কৰিলে। চতুৰ্থতঃ, স্বৰ্গদেৱে অসমৰ শত্ৰু বদনচন্দ্ৰক ৰাজমন্ত্ৰীৰ বাব দি তেওঁৰ হাতত সকলো ক্ষমতা অৰ্পণ কৰে। কিন্তু যি চন্দ্ৰকান্তসিংহই পাচলৈ মহগড় ৰণত ভীষণ উদ্যমেৰে মানৰ লগত যুদ্ধ কৰে, সেই চন্দ্ৰকান্তক ৰাজ্যদ্ৰোহী বুলিবলৈ সত সাযায়।

বদনচন্দ্ৰ যিমানদিনলৈকে জীয়াই আছিল, তিমানদিনলৈ চন্দ্ৰকান্ত স্বৰ্গদেৱৰ কোনেও একো অনিষ্ট কৰিব নোৱাৰিছিল। কিন্তু বদনচন্দ্ৰৰ মৃত্যুৰ পাচত, ১৭৩৯ শকৰ ১৩ ফাগুনত পুৰন্দৰসিংহক সকলোৱে ৰজা বুলি সেৱা কৰে, আৰু চন্দ্ৰকান্ত স্বৰ্গদেৱক আগলৈ ৰাজকাৰ্য্যলৈ অযোগ্য কৰিবলৈ মৰঙীখোৱা গোহাঁয়ে তেওঁক কৰ্ণক্ষত কৰে। বদনচন্দ্ৰ বৰফুকনৰ হত্যা আৰু মানৰ মিত্ৰ চন্দ্ৰকান্ত ৰজাদেৱৰ অপমান, এই দুইৰ বাতৰি পাই মানৰজাই আলুমিঙ্গিক ডেৰকুৰি হেজাৰ সৈন্য দি চন্দ্ৰকান্তক ৰাজ্য দিয়াবলৈ পঠালে। ১৭৪০ শকৰ ফাগুনত মানে আকৌ অসম প্ৰৱেশ কৰে, আৰু পুৰন্দৰসিংহক খেদি চন্দ্ৰকান্তক পুনৰ সিংহাসনত প্ৰতিষ্ঠিত কৰে। ধনী বৰবৰুৱা আৰু নিৰ্ভয়নাৰায়ণ বৰগোহাঁইক মানে বধ কৰিলে। অসমত দুহেজাৰ মান সৈন্য থৈ আলুমিঙ্গি মান দেশলৈ

উভতি গল। ধনী বৰবৰুৱাৰ হত্যাৰ পাচত পতালি নামে কছাৰি এজন বৰবৰুৱা হৈ ভৱিষ্যতলৈ মানক ভেটা দিবলৈ জয়পুৰত এটা কোঠ মৰালে।

১৭৪১ শকত একুৰি-সোতৰ বছৰীয়া দীঘল ৰাজত্বৰ পাচত বডোৱাফা মানৰজাৰ মৃত্যু হোৱাত তেওঁৰ নাতিয়েক বাগ্যীদোৱা বৰ্মাৰ সিংহাসন আৰোহণ কৰে। ১৭৫৯ শকত বাগ্যীদোৱাৰ ভায়েকে ককায়েকক সিংহাসনৰ পৰা আঁতৰাই নিজে সিংহাসন অধিকাৰ কৰে। তাৰ পাচত বাগ্যীদোৱাৰ মতিভ্ৰম হয়, আৰু অৱশেহত বন্দীশালত তেওঁৰ মৃত্যু হয়। অসমদেশ ছাৰখাৰ কৰা মানৰজাৰ ইয়াতকৈ আৰু কি ভাল পৰিণাম হব পাৰে?

অসমলৈ আহি নিজদেশলৈ উভতি যোৱা মানসেনা আৰু মান সেনাপতিৰ পৰা অসমৰ ধন-সোণ ঐশ্বৰ্য্যৰ কথা শুনি মানৰজা বাগ্যীদোৱাই অসমদেশ লবলৈ বৰ হেপাহ কৰিলে। ব্ৰহ্মাৰজাই মিঙিমাহা তিলোৱাক সেনাপতি পাতি কিছু সৈন্য দি অসমলৈ পঠালে। আগৰ দুবাৰ মানৰ আক্ৰমণৰ উদ্দেশ্য আছিল বদনচন্দ্ৰৰ অনুৰোধ ৰক্ষা কৰা বা চন্দ্ৰকান্তক ৰাজসিংহাসনত পুনৰ অধিষ্ঠিত কৰা, কিন্তু এই তৃতীয়বাৰৰ প্ৰকাশ্য উদ্দেশ্য আছিল অসম জয় কৰা। জয়পুৰৰ কোঠৰ ওচৰত এখনি সৰুসুৰা যুজত পতালি বৰবৰুৱাক মানে বধ কৰে। মান অমিত্ৰভাবে এইবাৰ অসমলৈ আহিছে বুলি চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱ ১৭৪২ শকৰ চ'তত গুৱাহাটিলৈ ভটীয়াই গ'ল। মানসেনাপতি মিঙিমাহা তিলোৱাই যোৰহাট অধিকাৰ কৰি যোগেশ্বৰসিংহক পুতলাৰজা পাতি নিজে ৰাজত্ব কৰিবলৈ ধৰিলে। মানসেনাপতিয়ে লগৰ সেনাবোৰক ৰচদপাতি যোগাব নোৱাৰি সিহঁতক তিনি ভাগ কৰি উত্তৰকূল, দক্ষিণকূল আৰু ব্ৰহ্মপুত্ৰেৰে ভটিয়াই পঠিয়ালে। মান যিপোনে গল সিপোনে সকলো গাওঁ-ভূঁই উবাৰ হল, সিহঁতৰ অমানুষিক অত্যাচাৰত থাকিব নোৱাৰি বহুত অসমীয়া মানুহ দেশ এৰি বিদেশলৈ পলাই গ'ল। পাচলৈ মহগড় আৰু হাদিৰাচকীত মানসেনাৰ

লগত মৰো-জীওঁকৈ অসমীয়া সেনাই যুদ্ধ কৰে। কিন্তু দুয়ো ঠাইতে অসমীয়া সেনা পৰাস্ত হোৱাত গোটেই অসমদেশ মানৰ তললৈ আহিল।

ইপোনে মানে লাহে-লাহে বৃটিছৰ ৰাজ্যতো হাত দিবলৈ ধৰিলে। বৃটিছৰ লগত মানৰজাৰ যুদ্ধ আৰম্ভ হ'ল। ১৭৪৫ শকৰ ফাগুনত গোৱালপাৰাৰ পৰা বৃটিছ সৈন্য উজাই গৈ মানইঁতক খেদাই অসমদেশ অধিকাৰ কৰিলে। কলীয়াবৰত মানসেনা কেবাবাৰো পৰাস্ত হয়। পাচৰ শকত মাঘৰ ২১ তাৰিখে, অর্থাৎ, ইংৰাজী ১৮২৫ চনৰ ফেব্রুয়াৰী ৬ তাৰিখে, মানৰ সেনাপতি শ্যাম ফুকন আৰু নিবাৰু ফুকনৰ পৰা ইংৰাজে এখন লিখা ললে যে মানে অসম দেশত হুলস্থুল নকৰি নিজদেশলৈ শান্তিৰে গুচি যাব। এইদৰে মানে অসমত তিনি বছৰ দহমাহ উনৈচ দিন ৰাজত্ব কৰে। পাচত ইংৰাজী ১৮২৬ চনৰ ২৪ ফেব্রুয়াৰীত হোৱা ইয়াণ্ডাবু সন্ধিসূত্রে বৃটিছে ব্রহ্মাৰজাৰ পৰা অসমৰ অধিকাৰিত্ব পায়। মান-মৰাণৰ আক্রমণত জুৰুলা হোৱা অসমীয়া প্রজাই বৃটিছৰ শাসনৰ শান্তিত আকৌ গা দাঙিবলৈ সুবিধা পালে।

চৰিত্ৰ-আলোচনা

ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়া।—এওঁৰ বিষয়ে মানুহৰ দুটা মত। প্রথম, এওঁ বৰ নিঃস্বার্থপৰ দেশহিতৈষী ৰাজবিষয়া আছিল; দ্বিতীয়, এওঁ বৰ স্বাৰ্থান্ধ আৰু পৰৰ দোষ দেখা বিধৰ মানুহ আছিল। বুঢ়াগোহাঁই ডাঙৰীয়াৰ সমসাময়িক বা সমসাময়িকসকলৰ লগত পাচলৈ সংস্পর্শত অহাসকলে সাধাৰণতঃ দ্বিতীয় মতকে গ্রহণ কৰিছিল। কিন্তু বুৰঞ্জীৰ তথ্যহিচাবে নিৰপেক্ষভাৱে বুঢ়াগোহাঁই ডাঙৰীয়াৰ চৰিত্ৰ বিবেচনা

কৰিলে প্ৰথম মত গ্ৰহণ নকৰি নোৱাৰি। বুঢ়াগোহাঁয়ে বদনচন্দ্ৰক ধৰিবলৈ মানুহ পঠোৱা কাৰ্য্যটো বৰ্ত্তমান গীতত উপৰোক্ত দ্বিতীয় মতৰ পৰাহে বিবেচনা কৰা হৈছে।—সত্য, দ্বাপৰ, ত্ৰেতা, কলি, এই চাৰি যুগৰ পাচত মন্ত্ৰী নোহোৱা অসম দেশত বুঢ়াগোহাঁই মন্ত্ৰী অৱতাৰ হল! চাৰিও দিশলৈ চাই বুঢ়াগোহাঁয়ে কোনোপিনে শত্ৰু নেদেখিলে, মাথোন, ভাটীৰ বদনচন্দ্ৰই তেওঁক নামাৰিলে আন কোনেও তেওঁক মাৰিব নোৱাৰে। বুঢ়াগোহাঁইৰ পুতেক ওৰেষানাথ ঢেকিয়াল ফুকনে বৰফুকনৰ জীয়েক পিজৌ আইদেওক বিয়া কৰায়। বিয়াৰ যৌতুকত বৰফুকনে নিজৰ একমাত্ৰ কন্যা পিজৌ আইদেওৰ লগত সাতখন চ'ৰাৰ বস্তু দান কৰিছিল।

বুঢ়াগোহাঁই ডাঙৰীয়াই এই ৰাজযোগ্য উপহাৰত বৰ অপমান পালে, তেওঁ ভাবিলে, তেওঁতকৈ বেচি ঐশ্বৰ্য্যবস্ত বুলি দহজনক দেখুৱাবলৈ বৰফুকনে এইদৰে ওৱাদানিকৈ যৌতুক দিছে। সেইদেখি. সতৰাম ভুতৰ পুতেকৰ খবৰত নাম পোৱা, কামৰূপীয়া প্ৰজাৰ ওপৰত অত্যাচাৰ, আৰু বালকদাস হাতীৰ দৌৰাত্ম্যত বৰফুকনৰ কাণসাৰ নোহোৱা, ঘাইকৈ এই তিনি অপৰাধৰ উৰাবাতৰি পাই তাৰে চেলু লৈ বুঢ়াগোহাঁয়ে বৰফুকনক ধৰিবলৈ গুৱাহাটীলৈ মানুহ পঠিয়ায়। বুঢ়াগোহাঁইৰ কৰ্ত্তব্য আছিল বৰফুকনৰ ওপৰত হোৱা অভিযোগবিলাকৰ ভালকৈ প্ৰমাণ আদি গ্ৰহণ কৰি তেওঁক ধৰিবলৈ পঠোৱা। দূৰণীৰ ৰাজকৰ্ম্মচাৰীৰ বিৰুদ্ধে এইদৰে অভিযোগ হোৱা অসম বুৰঞ্জীত প্ৰথম নহয়। তাহানি বুঢ়াৰজা প্ৰতাপ-সিংহ স্বৰ্গদেৱৰ দিনত, পিকচাই চেটিয়া বৰফুকনৰ বিৰুদ্ধে তিনিজন কটকীয়ে মিছাকৈ গৈ স্বৰ্গদেৱৰ আগত গোচৰ দিয়েগৈ। তাৰ পৰিণাম-স্বৰূপে পিকচাইক গড়গাঁৱৰ বন্দীশালত থোৱা হয়। পাচত প্ৰমাণ হ'ল যে এই তিনি কটকীয়ে বৰফুকনৰ পৰা কিছু বস্তু খুজি নাপাই তাৰে প্ৰতিশোধ লবলৈ তেওঁৰ বিৰুদ্ধে স্বৰ্গদেৱৰ ওচৰত মিছাতে গোচৰ দিয়ে। অৱশেষত এই অপৰাধৰ নিমিত্তে এই তিনি কটকীৰ প্ৰাণদণ্ড হয়।

বুঢ়াগোহাঁয়ে ৰাজক্ষমতা আত্মসাৎ কৰি ৰজাক পুতলাৰ দৰে নচুৱাই ৰাজ্যৰ অনিষ্ট কৰিছে বুলি বদনচন্দ্ৰই ইংৰাজ আৰু মানৰজাৰ আগত গোচৰ দিয়ে। তাৰ পাচত মানসেনা লৈ অসমলৈ বৰফুকন আহোঁতে বুঢ়াগোহাঁই ডাঙৰীয়াৰ মৃত্যু হয়। এই কথাটো গীতত এই দৰে বৰ্ণোৱা আছে,—

"কালহীৰা চেলেকি বুঢ়াগোহাঁই নৰকী
ৰাতিয়েই সৰকি গল।"

কিন্তু কোনো এজন পুৰুষৰ মাহাত্ম্য প্ৰকৃত সমাদৰ কৰোঁতা তেওঁৰ সমসাময়িকসকল হব নোৱাৰে, কাৰণ তেওঁলোকৰ চকুত গুণটো তল পৰি দোষবিলাক ওপৰলৈ ওলোৱাৰ আশঙ্কা। কিছুকাল গলেহে পুৰুষৰ প্ৰকৃত মাহাত্ম্য মানুহে বুজিব পাৰে। মোৱামৰীয়া বিপ্লৱৰ পৰা পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াই যেনেকৈ ৰাজ্য উদ্ধাৰ কৰি তাক সুস্থিৰ কৰিলে, সেইদৰে মানৰ উৎপাতৰ পৰা তেওঁহে দেশ ৰক্ষা কৰিব পাৰিলেহেঁতেন।

বদনচন্দ্ৰ বৰফুকন।—এওঁৰ চৰিত্ৰটি ট্ৰেজেডী বা বিয়োগান্ত নাটকৰ নায়কৰ এটি সুন্দৰ চিত্ৰ। জীয়েক পিজৌ গাভৰুৰ চিঠি পাই বৰফুকন কিংকৰ্ত্তব্যবিমূঢ় হল। এনে কি ফুকনে আগপাচ নুগুণি বৰফুকননীক গুৱাহাটীৰ ৰাজ্য-ভাৰ এৰি দিলে। বুঢ়াগোহাঁই ডাঙৰীয়া এওঁৰ ওপৰত নাৰাজ বুলি এওঁৰ আগৰে পৰা জনা আছিল, এতিয়া জীয়েকৰ চিঠি পাই এওঁৰ ঘোৰ আশঙ্কা হ'ল বুঢ়াগোঁহায়ে এওঁক ধৰি বধিবলৈ যো-জা কৰিছে। বুঢ়াগোহাঁইক একো দিবৰ মনেৰে ডেৰবছৰৰ মূৰত ফুকনে মানসেনা লৈ অসমত ভৰি দিয়ে, কিন্তু বুঢ়াগোহাঁইৰ আকস্মিক মৃত্যুত তেওঁৰ প্ৰতিহিংসা-বাসনা চৰিতাৰ্থ নহল।

বদনচন্দ্ৰ বৰফুকনৰ প্ৰধান ভুল হ'ল এটা কথাত—ফুকনে তেওঁৰ ঘৰুৱা বা ভিতৰুৱা বিসম্বাদক জাতীয় মঙ্গলৰ যজ্ঞত পূৰ্ণাহুতি দিবলৈ নিশিকিলে,—অৰ্থাৎ, বুঢ়াগোহাঁইৰ লগত বৰফুকনৰ শত্ৰুতা, বৰফুকনে

গাইগোটা হিচাবে বুঢ়াগোহাঁইক কাটে কাটক মাৰে মাৰক, যি ইচ্ছা তাকে কৰক, কিন্তু তাকে নকৰি ঘৰুৱা দ্বন্দ্বৰ আপাহত বিদেশীক নিজদেশলৈ আনি বাট-পথ চিনাকি কৰি দি জাতীয় অমঙ্গল সাধি তেওঁ দেশৰ স্বাধীনতাত বিপৰ্য্যয় ঘটালে।

মাজ-অসমত বিদেশী স্নমুউৱা বা সোণৰ সঁফুৰাত ঘূণে ধৰিবলৈ দিয়া কিমান দেশদ্রোহী কথা তাক অসমীয়া ৰাইজে ভালকে জানিছিল, আৰু অসমৰ তলানলা বিদেশলৈ নিবৰ চেষ্টা কৰাত তাহানি ঘনশ্যাম কাৰিকৰৰ প্ৰাণ বধ কৰা হৈছিল। এই দুই কথা দুৱৰা ঘৰৰ শিক্ষিত বদনচন্দ্ৰৰ জনা আছিল। ভাটীত কলীয়া-ভোমোৰা বৰফুকন হৈ থাকোঁতে, কামৰূপৰ দুন্দীয়া বিদ্ৰোহৰ নেতা হৰদত্তক তেওঁৰ সেনাপতিসকলে পঞ্জাবলৈ গৈ পঞ্জাবী সেনা আনি আহোমৰে সৈতে যুদ্ধ কৰিবলৈ পৰামৰ্শ দিছিল। কিন্তু উন্নতমনা হৰদত্তই বিদেশীৰ হাতত অসমদেশখন পেলাই দিবলৈ ইচ্ছা নকৰি এডোখৰ নীৰলা ঠাইত বাস কৰি জীৱনৰ শেহছোৱা কাল কটাবলৈ চেষ্টা কৰিছিল।

বদনচন্দ্ৰই অসমলৈ মান আনি দেশৰ যে কি ঘোৰ অনিষ্ট সাধিছিল, আৰু সেই কাৰ্য্যৰ বাবে তেওঁ যে চিৰকলীয়া দুৰ্যশ আৰ্জ্জোন কৰিছিল, সেইটো তেওঁ ভালকৈ বুজিছিল! তেওঁৰ অন্তৰত যে লাহে-লাহে অনুতাপ উদয় হৈছিল, এই কথা তেওঁৰ পাচৰ কাৰ্য্যাবলীৰ পৰা প্ৰকাশ পাইছিল। তেওঁ নিজে কৈছিল—"মই দেশলৈ জুইৰ চৰু এটা মূৰত লৈ আহিছোঁ।" মানে অসমত যেন একো অত্যাচাৰ নকৰে তাৰ প্ৰতি তেওঁ বিশেষ চকু ৰাখিছিল, আৰু মানহঁতে এওঁক বৰ মানিও চলিছিল। সেইদেখি প্ৰথমবাৰ মানৰ আক্ৰমণত দেশত বিশেষ হুলস্থুল নহ'ল।

কথাতে কয়,—"হূলে হূল কাঢ়িব পাৰে।" ভৱিষ্যতে এই মান-অনা মানৰ মিত্ৰ বৰফুকন জীয়াই থকা হলে অসমত মানে অত্যাচাৰ কৰিবলৈ নোৱাৰিলেহেতেন। মানহঁত দেশলৈ উভতি যোৱাত মন্ত্ৰী-ফুকন হৈ

বদনচন্দ্ৰই ভালমতে ৰাজ্য চলাবলৈ যত্ন কৰিছিল। কিন্তু মিত্ৰদ্ৰোহী বা দেশবৈৰীক কোনেও পেটেসমন্বিতে বিশ্বাস নকৰে, সেইদেখি বৰফুকন বিষয়া আৰু প্ৰজা সকলোৰে অপ্ৰিয় হৈ উঠিল।

বদনচন্দ্ৰৰ পুতেক জনমি আৰু পিয়লি পাচলৈ বৰফুকন হয়গৈ, পিয়লিয়ে এসময়ত বৰবৰুৱাৰ বাবো পায়। পিয়লি চকোলা আছিল, সেইদেখি তেওঁ সদাই মানুহ এটাৰ কান্ধত উঠি ফুৰিছিল। ইংৰাজৰ মেগেজিন বা খাৰঘৰত জুই দিয়া বুলি ৰাজদ্ৰোহৰ অপৰাধত ১৮৩০ খৃষ্টাব্দত পিয়লি বৰফুকন ফাঁচি যায়।

পিজৌ গাভৰু।—জনমি পিয়লি মুমলি এই তিনটা লৰাৰ মাজত এজনীমাত্ৰ ছোৱালী পিজৌ আইদেও বৰফুকন আৰু বৰফুকননীৰ স্বাভাবিকতে বৰ চেনেহৰ কন্যা আছিল। দেউতাক বৰফুকনে জীয়েকক মহামতি পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙ্গীয়াৰ পুত্ৰ ওৰেষানাথ ঢেকিয়াল ফুকনৰ দৰে সৌভাগ্যৱন্ত পুৰুষক বিয়া দিয়ে। মনৰ আনন্দত বৰফুকনে আইদেওৰ বিয়াত ৰাজসম্পত্তি যৌতুক দিয়ে। পৰীয়াৰ মুখে আইদেৱে সম্বাদ পালে যে শহুৰ বুঢ়াগোহাঁয়ে দেউতাক বৰফুকনক ধৰিবলৈ মানুহ পঠিয়াইছে। দেউতাকৰ প্ৰতি শহুৰেকৰ কেনে ভাব আইদেৱে দিনৌ তাৰ ভু পাই আছিল, সেইদেখি ডাঙ্গৰীয়াই গুৱাহাটীলৈ মানুহ পঠোৱাত গাভৰুৱে দেউতাকৰ জীৱনৰ আশঙ্কা নকৰি নোৱাৰিলে।

পিজৌ আইদেৱে চিঠি লিখিব নাজানে, আৰু অসমীয়া জীয়াৰীয়ে আজি এশবছৰৰ আগেয়ে প্ৰায়েই লিখিব-পঢ়িব নজনাটো সম্ভৱ। আইদেৱে নানান কাকুতি-মিনতি ঠেহ-পেচ কৰি গিৰীয়েক ঢেকিয়াল ফুকনৰ দ্বাৰা এখন চিঠি লিখাই ললে, আৰু সেই চিঠিৰ ওপৰত ঢেকিয়াল ফুকনৰ চাব মৰাই ললে। ক্ষুদ্ৰদৃষ্টিৰ তিৰোতা, জীয়েকে বাপেকৰ হিত চিন্তিব ই স্বাভাবিক। দেখাদেখিকৈ কোনো সন্তানে জন্মদাতা বা জন্মদাত্ৰীক জীয়া-

জুইত পেলাব নোৱাৰে। গতিকে, পিজৌ গাভৰুৱে দেউতাক বৰফুকনলৈ চিঠি লিখি সম্বাদ দিয়াত কোনো দোষকৰ কাৰ্য্য নহ'ল।

কিন্তু এইখিনিতে ৰাজনীতি-গৰ্হিত তিনিটা কথা হ'ল।—প্ৰথম, বুঢ়াগোহাঁই ডাঙৰীয়াই অতি সঙ্গোপনে মহেশ্বৰ পৰ্ব্বতীয়া ফুকনক আদেশ দিছিল। সেই সম্বাদ ৰাজদ্ৰোহৰ অপৰাধীৰ জীয়েক পিজৌ আইদেৱে নোপোৱাকৈ যেনেতেনেকৈ তেওঁ ৰাখিব লাগিছিল। ৰাজমন্ত্ৰীৰ পৰা জাহিৰ হোৱা সকলো আদেশ গাভৰু-মেলত ওলালে ৰাজ্যশাসন কৰা অসম্ভৱ। পিজৌ গাভৰুৱে যে এই খবৰটো পালে, ইয়াৰ পৰা প্ৰমাণ হয় যে বুঢ়াগোহাঁইৰ শাসন-পদ্ধতিৰ কোনোবা এডাল শিকলি সোলোক-ঢোলোক আছিল। দ্বিতীয়, ওৰেষানাথ ঢেকিয়াল ফুকন এজন ওখতৰপৰ ৰাজবিষয়া আছিল। বৰফুকনক ধৰিবলৈ মানুহ পঠোৱাৰ নিচিনা এনে ভিতৰুৱা খবৰ তেওঁ নিজহাতে লিখি, অপৰাধীক আগতে সাবধান কৰি ৰাজমন্ত্ৰীৰ উদ্দেশ্য ব্যৰ্থ কৰিলে কিয় ? তিৰোতাই ৰোহঘৰত সোমাই চকুপানী টুকি পুৰুষৰ পৰা গোপন কথা বাজ কৰি কত পুৰুষৰ সৰ্ব্বনাশ কৰিছে ইয়ো এটা প্ৰমাণ। তৃতীয়, আহিনৰ ২২ তাৰিখে সন্ধিয়া পৰ্ব্বতীয়া ফুকন আহি গুৱাহাটী পায়হি। তেওঁ তত্তালিকে ফুকনক নধৰি "জগতৰ ধৰণী মুকলি" হবলৈ বাট চাই বাটৰ ভাগৰ পলুৱাবলৈ শুৱা পাতি বহিল। এনে লাগতিয়াল কামত পৰ্ব্বতীয়া ফুকনে লেহেম কৰিলে কিয় ? পলমে বিঘিনি মাতে, ২২ আহিনৰ সন্ধিয়া পৰত জীয়েকৰ চিঠি পাই জীৱনৰ শঙ্কা কৰি ৰাতি তুপৰমৰাৰ পাচত বৰফুকন সপুত্ৰে দেশান্তৰী হল।

মানৰজাৰ কুঁৱৰী।—এওঁৰ চৰিত্ৰটি অতি মোহলগা। ঘাটত গা ধুই এঁটাই কুঁৱৰীয়ে দূৰৈত বৰফুকনৰ নাও দেখি তালৈ একেথৰে চাই আছে। মাতৃভূমি অসমদেশ এৰি আচহুৱা মানদেশত অচিনাকি মানুহৰ মাজত কুঁৱৰীয়ে কাল কটাইছে। যি বাটেদি গৈ তেওঁ সুদূৰ মানৰ ৰাজধানী পাইছিল সেই জন্মভূমিৰ বাটৰ পিনে হেপাহেৰে একেথৰে

চাই তন্ময় হৈ আছে। জন্মভূমিৰ প্ৰতি এনে হাবিয়াহ এনে ভক্তিৰ কথা ভাবিলে আৰু কুঁৱৰীয়ে সেইদৰে পানীৰ কাঁষৰিত থিয় হৈ থকাৰ কথা মনলৈ আনিলে গ্ৰীক ৰাজকন্যা ইফিজিনীয়া অলিচৰ তীৰত অকলশৰে বলিৰ নিমিত্তে বিষাদমনেৰে থিয় হৈ থকা চিত্ৰটি মনত পৰে।

আমাৰ মানৰজাৰ কুঁৱৰী অসমৰ ডুৱৰা আহোম বংশৰ ছোৱালী, বুঢ়াগোহাঁয়ে কুঁৱৰীক মানৰজালৈ উপহাৰ দিয়ে। সুদূৰ মানৰাজ্যত ডুৱৰা বংশৰে বদনচন্দ্ৰক পাই কুঁৱৰীয়ে আঠুতে-সোণ-পোৱা যেন পালে। বৰফুকনৰ মুখেদি কুঁৱৰীৰ অপৰূপ সৌন্দৰ্য্য বৰ্ণোৱাত আমাৰ গীতৰ অজ্ঞাত কবিয়ে বিশেষ যত্ন লৈছে, কুঁৱৰীৰ আঙুলি কিটি পাজিশেৰী, মকাল বাহৰ দৰে চিকুণ কঁকাল, পূৰ্ণচন্দ্ৰৰ দৰে তেওঁৰ মুখ। এনে অপৰূপ সুন্দৰী অসমীয়া গাভৰু যে মানৰজাৰ লাগী কুঁৱৰী হব ই একো আচৰিত নহয়। মানৰজাই কুঁৱৰীৰ কোনো অনুৰোধ নৰখাকৈ দলিয়াই পেলাব নোৱাৰিছিল।

অসমৰ জীয়ৰী মানৰজাৰ কুঁৱৰীয়ে মানৰজাক খাটি-লুটি, বদনচন্দ্ৰক নিজককাই বুলি চিনাকি দি কিছুমান মানসেনা ফুকনৰ লগত দিলে। এই গৰাকী অসমীয়া মানকুঁৱৰীয়ে বিদেশত নিজ কুটুম্বক পাই তেওঁক সহায় কৰিবলৈ বিশেষ যত্নৱতী হল, কিন্তু সেই কাৰ্য্যৰ পৰা যে নিজৰ জন্মভূমি অসমক শত্ৰুৰ হাতলৈ গতা মাৰি দিয়া হ'ল সেই কথা অবলামতি কুঁৱৰীয়ে উপলব্ধি কৰিব নোৱাৰিলে। পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ ওপৰত প্ৰতিশোধ লবলৈ বদনচন্দ্ৰৰ নিমিত্তে মানসেনাৰ প্ৰয়োজন, তাৰপৰা কাৰ্য্যচক্ৰত অসমৰ স্বাধীনতাত যে ব্যাঘাত জন্মিব সেই কথা কুঁৱৰীয়ে ঠাৱৰিব কেনেকৈ ?

এই গৰাকী মানৰজাৰ অসমীয়া কুঁৱৰীৰ কথা সুঁৱৰিলে আমাৰ চকুৰ আগত আৰু এগৰাকী মানকুঁৱৰীৰ ছবি ভাহিবলৈ ধৰে। প্ৰথম বাৰ মান অসমলৈ আহোঁতে বদনচন্দ্ৰ আৰু চন্দ্ৰকান্তসিংহই মানৰ লগত মিত্ৰতা প্ৰস্তাৱ কৰাত মানৰ সেনাপতিয়ে অসমৰজাৰ পৰা অনেক ধন-সোণ আৰু

ৰাজপৰিয়ালৰ কন্যা এগৰাকীক উপহাৰ খুজিলে। স্বৰ্গদেৱৰ কন্যা বা অবিবাহিত বায়েক বা ভনীয়েক নাছিল। সেইদেখি স্বৰ্গদেৱে নিজৰ বংশৰ, অৰ্থাৎ, তুংখুঙীয়া ফৈদৰ বগা কোঁৱৰৰ জীয়েক হেমো আইদেওক অলঙ্কাৰ-পাতি পিন্ধাই নিজৰ কন্যা বুলি মানৰ সেনাপতিৰ হাতত মানৰজালৈ সম্প্ৰদান কৰিলে।

হেমো আইদেও বৰ গুৱনী আছিল, তেওঁৰ মূৰৰ চুলি আহি ভৰিত পৰিছিলহি। মৰমৰ দেশ আৰু আই-বোপাইক এৰি যাব লগীয়া হোৱাত আইদেও কান্দি-কাটি বিয়াকুল হৈছিল, আৰু সেই অচিনাকি ৰাজ্যলৈ নপঠিয়াবলৈ ৰজাক কাকুতি কৰিছিল। সেইদেখি স্বৰ্গদেৱে মন্ত্ৰীফুকন বদনচন্দ্ৰৰ সৈতে পৰামৰ্শ কৰি আইদেওৰ মাক, ককায়েক টংকেশ্বৰ আৰু মলো, আৰু অনেক মিত্ৰ-পৰিয়াল আৰু সমনীয়া ছোৱালী হেমো আইদেওৰ লগত পঠিয়াইছিল। তাৰ উপৰিও আইদেওৰ লগত অসংখ্য বন্দী-বেটী আৰু পাঁচ-শ বন্দুৱা গৈছিল। আইদেওৰ মন ভাল লগাবলৈ মানুহবোৰে ওৰেবাটে ঢোলখোল বজাই গৈছিল। কিন্তু কুঁৱৰীয়ে বাটে-বাটে নিজ-দেশলৈ উভতি চাই চকুলো টুকি গৈছিল। টংকেশ্বৰ আৰু মলোৱে মান-ৰজাৰ অধীনে ডাঙৰ বিষয় ভোগ কৰিছিল, আৰু টংকেশ্বৰৰ জীয়েক মাদি মেপায়া মানৰজা মিন্দনমিনৰ কুঁৱৰী হৈছিল। হেমো আইদেওৰ লগত যোৱা অসমীয়া মানুহৰ সতিসন্ততি এতিয়াও মানদেশত পোৱা যায়।

হায়! ওপৰৰ দুগৰাকী মানৰজাৰ অসমীয়া কুঁৱৰীৰ দৰে কত সহস্ৰ অসমীয়া গাভৰুৱে চিঞৰত গছৰ পাত সৰাই অত্যাচাৰীইতৰ লগত বন্দিনীহৈ সুদূৰ মানদেশলৈ যাব লগাত পৰিছিল, আৰু তালৈ গৈ কতবাৰ মাতৃভূমিৰ পিনে একেথৰে চাই-চাই নিৰাশাত হুমুনীয়া কাঢ়িছিল!

ৰাজমাও।—ৰজাৰ মাতৃসকলে ৰাজকাৰ্য্যত লগাৰ প্ৰমাণ আহোম বুৰঞ্জীত বিৰল নহয়। ৰজা হোৱা কালত চন্দ্ৰকান্তসিংহৰ বয়স মাথোন পোন্ধৰ বছৰ। গতিকে বাহিৰত পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াই, আৰু কাৰেঙৰ

ভিতৰত সুনন্দী ৰাজমাৱে কুমলীয়া ৰজাৰ ৰাজ্যচালনা কামত শিক্ষা আৰু মন্ত্ৰণা দিছিল। লৰামতীয়া ৰজাৰ মন যোগাবলৈ ডাঙৰীয়াই বৰ যত্ন কৰিছিল। চন্দ্ৰকান্তৰ ককায়েক কিনাৰাম গোঁহাই বা কমলেশ্বৰসিংহক পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে ৰাজপাটত বহুৱাইছিল। এওঁলোক ৰুদ্ৰসিংহ বা লাইকোঁৱৰৰ ভায়েক লেচাই নামৰূপীয়া ৰজাৰ সন্ততি আছিল। তেওঁলোকক আনমানুহে ৰাজসিংহাসনৰ যোগ্য বুলি বিবেচনা নকৰিছিল। এনেস্থলত বুঢ়াগোহাঁই ডাঙৰীয়াই এই বংশক জীয়াই ৰাজমৰ্য্যাদা দিয়াৰ কাৰণে ৰাজমাওদেৱৰতা ডাঙৰীয়াৰ প্ৰতি কৃতজ্ঞ নহৈ নোৱাৰিছিল।

ৰাজমাওৰ জীয়েক, অৰ্থাৎ, চন্দ্ৰকান্ত স্বৰ্গদেৱৰ বায়েক মাজুআইদেৱক বুঢ়াগোহাঁই ডাঙৰীয়াৰ এজন পুতেকে পোনতে বিয়া কৰায়। তেওঁৰ লগত বিচ্ছেদ হোৱাত মাজু-আইদেও গৈ ওৰেনাথ ঢেকিয়াল ফুকনক বিয়া কৰি পিজৌ আইদেওৰ সতিনী হয়। জীয়েকৰ সতিনীয়েকক অপদস্থ কৰিবলৈ বৰফুকনক ধৰিবলৈ ৰাজমাৱে বুঢ়াগোহাঁই ডাঙৰীয়াক পৰামৰ্শ দিয়াটো সম্ভৱ। বুঢ়াগোহাঁইৰ মৃত্যুত বদনচন্দ্ৰই ৰাজ্যৰ সৰ্ব্বনিয়ন্তা হব, এনে কি বুঢ়াগোহাঁইৰ পৰিয়ালক খেদাই বুঢ়াগোহাঁইৰ ঘৰতে বদনচন্দ্ৰই পয়োভৰেৰে বাস কৰিব, এই কথা ৰাজমাওৰ পক্ষে অসহনীয় হল। হয়তো বদনচন্দ্ৰ মন্ত্ৰীফুকন হোৱাৰ লগে-লগে জীয়েক মাজু-আইদেৱে পিজৌ আইদেওৰ আগত মুৰ দোঁৱাৰ লগাত পৰিছিল। এইবোৰ কাৰণত ৰাজমাৱে ৰূপচিং চিপাহীৰ হতুৱাই বৰফুকনক বধ কৰিলে। আমাৰ গীতত ৰাজমাৱৰ চৰিত্ৰত দোষাৰোপ কৰা হৈছে। দ্বিতীয়বাৰ মান অহাত ৰাজমাও আৰু ৰূপচিং বঙাল উফনি এৰি পলাল,—

"ৰূপচিং বঙাল আৰু ৰাজমাও পাখৰী
ৰাতিয়েই খবৰ পাই পলাল।"

বদনচন্দ্ৰৰ জীৱনকাহিনী আৰু তাৰ লগে-লগে অসমৰ ভাগ্য পৰিবৰ্ত্তনৰ মূলত দেখা যায় যে তাৰ নিয়ন্তা তিৰোতা,—বিদেশলৈ

বৰফুকনক পঠিয়াই ৰাজমন্ত্ৰীৰ উদ্দেশ্য ব্যৰ্থ কৰাত পিছো আইদেও, মানসৈন্যক অসমলৈ পঠিয়াই দেশত দৌৰাত্ম্য আৰু অত্যাচাৰৰ কণিবিহৰ গুটি সিঁচাৰ মূলত মানৰজাৰ অসমীয়া কুঁৱৰী, আৰু মানৰ হাতৰপৰা অসমক ৰক্ষা কৰিবলৈ শক্তি থকা বদনচন্দ্ৰক বধ কৰাত মুমলী ৰাজমাও-দেৱতা।

বৰফুকনৰ গীতৰ ভাষা

বৰফুকনৰ গীতটি অসমীয়া জাতিৰ অন্তৰ ভেদি ওলোৱা, সেইদেখি ইয়াৰ ভাষা মৰ্মস্পৰ্শী নিভাজ অসমীয়া ভাষা। ইয়াৰ বচনভঙ্গী আৰু শব্দ-যোতনি একেবাৰে অসমীয়া। আজিকালি যিবোৰ কবিতা লিখা হয় তাত অসমীয়া শব্দতকৈ বিদেশী শব্দৰ ব্যৱহাৰ বেচি। গতিকে সেইবোৰ কবিতাই অসমীয়াৰ প্ৰাণৰ ভাষাইদি ফুটি উঠা অসমীয়া জাতীয়ত্ব বিকাশ কৰিব পৰা নাই। বৰফুকনৰ গীত আদি কৰি মানুহৰ মুখে-মুখে প্ৰচাৰিত হোৱা গীতবোৰ পঢ়িলে এইটো বুজিব পাৰি যে অতি সুৱলা অসমীয়া ভাষাৰে সকলো প্ৰকাৰৰ ভাব প্ৰকাশ কৰিব পাৰি। বৰফুকনৰ গীতৰ ভাষাত বিজাতীয় ভাব নাই, অসমীয়া মানুহে যি দৰে কথা কয় সেই ভাষাহে গীতত ব্যৱহৃত হৈছে। অসমীয়া কবিতাই অসমীয়াৰ প্ৰাণ অধিকাৰ কৰিব লগীয়া হলে কবিতাত আমি এই ধৰণৰ ভাষা ব্যৱহাৰ কৰিব লাগিব।

তলত তুলি দিয়া পদ কেইফাকিৰ দৰে বৰ্ত্তমান কোনো অসমীয়া কবিয়ে পদ লিখিব পাৰিছেনে?

(১) একোদিনাপতি ভাটীৰ বৰফুকনে
বোলে, "মই কেচাই খোৱাৰ বঙহ,
শুনিছা শুনিছা, অ' বৰগাভরু,
লৰে বাওঁ-বাহুৰে মঙহ।"

(২) তামোল কাটি দিওঁ খোৱা মোৰ বঙহদেউ,
পানী আনি দিওঁ খোৱা,
কাপোৰৰ ভিতৰত কান্দা মনে-মনে
কি হ'ল বাতৰি কোৱা।

(৩) ওপৰে উৰিলে কবচন কণুৱা
লৰি তুলিলে লাই,
অসমৰ জীয়ৰী মানৰজাৰ কুঁৱৰী
গা ধুই আছিলে চাই।

(৪) চাবে দিয়া গাখীৰত মোলান পৰিলে
সোন্দাকল মৰহি গল।

(৫) তাঁতীৰ হাতৰ কাপোৰখনে
জগতখন জুৰিলে,
তথাপি তাঁতীৰ গা উদি,
ঘিণাই বৰফুকনক মাৰিবলৈ ধনী বৰবৰুৱাই
ৰাজমাওক সুধিলে বুধি।

(৬) চন্দ্ৰত সেৱা, সূৰ্য্যত সেৱা,
বসুমতীত সেৱা কৰোঁ,
মায় নধৰিয়া কালিকা গোঁসানী,
ৰাজ্যৰ দ্ৰোহীয়ক মাৰোঁ।

বিদেশী শব্দ

বৰফুকনৰ গীতত সেই কালত প্ৰচলিত কেবাটাও বিদেশী শব্দৰ ব্যৱহাৰ হৈছে। মোৱামৰীয়া উৎপাতৰ পাচৰ পৰা কিছুমান হিন্দুস্থানী চিপাহী অসমীয়া সৈন্যত নিযুক্ত কৰা হৈছিল। চৈতন্যচিং চুবেদাৰ হাদিৰা ৰণত প্ৰাণটাকি যুদ্ধ কৰি মৰে, ৰূপচিং অসমৰ দুষ্কীৰ্ত্তি জনাজাত, উদয়চিং বৰফুকনৰ ভিতৰুৱাল গাচোৱা বা শৰীৰ-ৰক্ষক আছিল, তাৰ সহায়েৰে বৰফুকন মানদেশলৈকে যায়। এই হিন্দুস্থানী মানুহৰ সমাগমত অসমীয়া ভাষাত কিছুমান সেনা আৰু ৰণ-সম্পৰ্কীয় শব্দ সোমায়, যথা,—লেটাই, মাহিনা, বেটা, বিচানে।

বৰফুকনৰ গীতৰ গ্ৰন্থকাৰ

আমাৰ বৰফুকনৰ গীতৰ আদি গ্ৰন্থকাৰ কোন তাক বিচাৰি উলিওৱা সাধ্যৰ অতীত। গীত সাধাৰণতে দুই প্ৰকাৰৰ,—প্ৰথম, মাৰ্জ্জিত আৰু শিক্ষিত কবিৰ ৰচিত, যথা, মহাপুৰুষ শঙ্কৰদেৱ মাধৱদেৱ আদি কবিসকলৰ ৰচিত গীত। দ্বিতীয় বিধ গীত কোনো এজন কবিয়ে কোনো এঠাইত বহি লিখাৰ প্ৰমাণ পোৱা নাযায়। এই বিধ গীত কোনো এটি জাতিৰ উমৈহতীয়া প্ৰাণৰ পৰা ওলোৱা। অসমীয়াত এই দ্বিতীয় বিধৰ গীত বহুত আছে, যেনে লৰাক নিচুকাওঁতে গোৱা গীত, লৰা-ছোৱালীয়ে ৰং-মেধালি কৰোঁতে গোৱা নাম, প্ৰায়বিলাক বিয়ানাম আৰু আইনাম, বিহুনাম আদি গাৱলীয়া গীত, হুচৰিনাম, বীণবোৱা মানুহে বীণ বাই গোৱা নাম, যথা ফুলকোঁৱৰৰ, মণিকোঁৱৰৰ বৰফুকনৰ গীত ইত্যাদি।

অসমীয়া স্বভাব-কবিসকলে, মতা কি তিৰোতা, সকলোৱে গীত নাম আদি গাই থাকোঁতেই গীত ৰচনা কৰি যাব পাৰে, স্তোৱা নাম আৰু যোজনা আদিৰ এইৰূপেই সৃষ্টি হয়। এই দৰে মুখে-মুখে, অৰ্থাৎ, কাণ-মৈলামৰ সহায় নোলোৱাকৈ গীতৰ পদ ৰচনা কৰিবলৈ পঢ়াশলীয়া শিক্ষাৰ একো আৱশ্যক নহয়। এনে ৰচনাত বিশেষ শব্দজ্ঞানৰো সকাম নাই। আমাৰ মানুহৰ মুখত যুগ-যুগান্তৰ ধৰি, গীতৰ মাজেদি হওক, ঘৰুৱা বচনেদি হওক, কিছুমান উপলুঙা বচন প্ৰচলিত আছে। গীত ৰচোঁতাই তেনে এটি উপলুঙা বচন মাতি, তাৰ পিচৰ শাৰীলৈ তাৰে সৈতে মিলাবলৈ মাথোন এফাকি পদ ৰচিব লাগে যথা,—

(১) কাউৰীয়ে কৰিলে কা,
ৰাতিৰে ৰাতিটো ৰূপচিঙে ধৰাসে দা।
(২) জৰাৰ কোমল জিম,
মিত্ৰলৈ শত্ৰু কেনেকৈ দিম ?

এই দুফাকি পদত 'কাউৰীয়ে কৰিলে কা', 'জৰাৰ কোমল জিম' উপলুঙা বচন, ৰচোঁতাই 'দা' আৰু 'দিমৰ' সৈতে এই দুই উপলুঙা অৰ্থহীন বচন মাতি 'কা' আৰু 'জিম'ৰ লগত মিল ৰাখিছে। এই একে উপলুঙা বচনবোৰ অসমীয়া প্ৰায়বোৰ গীততে ব্যৱহাৰ হয়, যথা—কোনে বোলে জীলে, এ দেউ ৰ'ল, তাত ৱৱৰ তাতী, কাৰ শালো ধাৰ, লাহে বোলে লী, কিনো মাছ মাৰিবৰ শল বা আদি বা নাৰ।

ফুলকোঁৱৰ, বৰফুকনৰ গীত আদিৰ ৰচনা-প্ৰণালী বোধ কৰোঁ এই।—কিছুমান সাধুকথা বা ঘটনা আমাৰ মানুহৰ মুখে-মুখে বহুতদিনৰে পৰা চলি আহিছে। আমাৰ দেশত বাপ বাই ফুৰি টকাটো আধলিটো শিকিটো বা আদমহীয়াটো উপাৰ্জ্জন কৰি ফুৰা এবিধ মানুহ আছিল, বা এতিয়াও মাজে-মাজে আছে। সিহঁতে পুৰণা গীতবোৰ গাই গাই লাহে-লাহে ৰাইজৰ পৰা সমাদৰ পাবলৈ এবাৰ নতুন গীত ৰচি আৰু

মালিতা খুৱাই ৰাইজৰ আগলৈ আহে। অসমীয়া ডেকা বা ডাঙৰীয়া এজন ভাতপানী খাই দুপৰীয়া চ'ৰাত বহি-শুই জিৰাই আছে। এনেতে বীণবোৱা মানুহ এটা আহি বীণৰ তাঁৰত আঙুলী বুলাবলৈ ধৰে। ডাঙৰীয়াই কয়,—"থ, থ, তোৰ বীণত সেই একেপাত গীতকে শুনি আমনি লাগিল।" তেতিয়া বীণবোৱাই "নহয় দেউতা, এইবাৰ এটা নতুন গীত যুৰি আনিছোঁ" বুলি নতুন গীতটো গাবলৈ ধৰে, আৰু ডাঙৰীয়াৰ পৰা বটা-পুৰস্কাৰ পায়। এইদৰে সি ঘৰে-ঘৰে বীণ বাই ফুৰে। ওপৰত দিয়া দৃশ্যটি অসমত বিৰল নাছিল, আৰু এতিয়াও মাজে-মধ্যে আছে। হয়তো বীনবোৱা মানুহটোৱে ঘৰতে গীতটো যুৰি আখৰা কৰিছিল, নাইবা ডাঙৰীয়াৰ আগতে নতুনকৈ যুৰিছিল। এই দৰে এই গীতবোৰৰ সৃষ্টি। প্ৰথম বীণবোৱা মানুহৰ মুখে শুনি আন এটাই গাইছিল, বা তাৰ লৰাই বাপেকৰ বীণ হাতত লই বাপেকৰ গীতবোৰ গাই ফুৰিছিল। এই দৰে ইমুখৰপৰা সিমুখলৈ বাগৰাত এই গীতবোৰৰ ঠাইভেদে সালসলনিও হয়গৈ। উজনি ৰংপুৰত গোৱা ফুলকোঁৱৰৰ গীতৰ লৈতে নগাৱঁৰ ফুলকোঁৱৰৰ গীতৰ অমিল থকাটো একো অসম্ভব নহয়।

বৰফুকনৰ গীতৰ ৰচনা সম্ভবতঃ এইদৰে হৈছিল,—অসমৰ পৰা মান আঁতৰি যোৱাত ইংৰাজ আহিলত, মানুহৰ মুখে-মুখে বৰফুকন আৰু মানৰ কাহিনীবোৰ প্ৰচাৰিত হবলৈ ধৰিলে। বীণবোৱা কোনো মানুহে এইটো ঠাৱৰ কৰিলে যে সকলোৱে জনা এইবোৰ কথা সুৱলা পদত গাই মানুহক শুনাব পাৰিলে ৰাইজে ৰং পাব, আৰু বীণ বাওঁতাকো বটা-পুৰস্কাৰ দিব। সেইদেখি আগৰ প্ৰচলিত কবিতাৰ সাঁচত পেলাই সি মান আৰু বৰফুকনৰ সকলো বৃত্তান্ত বীণত যুৰিবলৈ ধৰিলে, তাৰেপৰা অইন ঠাইৰ অইন মানুহেও এই গীত গাবলৈ ধৰিলে।

গীতৰ গ্ৰন্থকাৰ কোন? ইয়াৰ উত্তৰত মথোন ইয়াকে কব পাৰি যে

ৰচোঁতা এজন বীণবোৱা অসমীয়া স্বভাব-কবি, তাৰ নাম বলহু, চিকৰা, মণিৰাম, যি সম্ভৱ সেয়ে হব পাৰে।

কিন্তু এইটো কথা সঠিক যে এই গীতটো পোন-প্ৰথমে পুথিৰ উদ্দেশ্যে ৰচা নহৈছিল। মুখে-মুখে গীত গোৱা মানুহৰ মুখতহে তলৰ পদফাঁকি শুনায়।—

লাই কুমলীয়া গৰুৱে খায়—
লফা কুমলীয়া বেৰেঁা,
ঘিণাই বৰফুকনৰ পদ গাই শুনাপে
আধলি হলেহে এৰোঁ।

গীতৰচনাৰ কাল

আমি কওঁ এই গীত ইংৰাজে অসম লোৱাৰ পোনচোখৰ কালতে ৰচিত হৈছিল, কাৰণ সেইখিনি কালত মানৰ অত্যাচাৰত জুৰুলা হোৱা অসমীয়াৰ প্ৰাণত যিবোৰ কথা আৰু ভাবৰ সাঁচ বহিছিল, সেই সকলোবিলাক এই গীতত প্ৰকাশ পাইছে। গীতত বৰ্ণনা কৰা ঘটনাবিলাকৰ বহুত দিনৰ পাচত এই গীত ৰচিত হোৱা হলে তাত অনেক ঐতিহাসিক ভুল-ভ্ৰান্তি সোমালহেঁতেন। যেতিয়া কোনো এটা কথা কোনো মানুহ বা জাতিৰ প্ৰাণত বৰকৈ খুন্দিয়ায় সি কবিতা বা কবিত্বপূৰ্ণ ভাষাত ওলাই পৰে, তাক মানুহে ঢাকি ৰাখিব নোৱাৰে। সেইদেখি মানৰ আক্ৰমণৰ পাচত অসমীয়া মানুহৰ অন্তৰত বদন বৰফুকন, পূৰ্ণানন্দ বুঢ়াগোহাঁই, আৰু মানৰ দৌৰাত্ম্যৰ বিষয়ে বহুত ভাব আৰু কথা খুন্দিয়াই

আছিল, সেইবোৰ ভাব আৰু কথাই যে এই গীতত ব্যক্ত হৈছে। এই গীত মানৰ দিনৰ উপস্থিত দিনৰ পাচত ৰচিত হোৱা হলে ইয়াত অস্বাভাবিকতা দেখা থাকিলহেঁতেন।

বৰফুকনৰ গীত আৰু বুৰঞ্জীৰ ঘটনা

আমাৰ গীতত বুৰঞ্জীৰ ঘটনাবোৰ কওঁতা আঁৰ আৰু বহুত নলগোৱাকৈ বর্ণিত হৈছে। আৰু সৰু-সৰু ঘটনাবোৰ, যিবোৰ বুৰঞ্জীৰ পৰা প্ৰায় বাদ দিয়া হয়, সেইবোৰ সুন্দৰৰূপে ইয়াত ৰক্ষা কৰা হৈছে। অসমীয়াৰ বুৰঞ্জীজ্ঞান যে বৰ প্ৰখৰ আছিল সেইটো সকলোৱে জানে। তাৰ ফলত অশিক্ষিত বীণবোৱা কবিয়ে সত্যৰ অপলাপ নকৰি এই সুন্দৰ বুৰঞ্জীমূলক কাব্যখনি সদৌ অসমীয়া ৰাইজক উপহাৰ দি যাব পাৰিছে।

অসমত আহোম ৰাজত্বৰ শেহছোৱাত যিবোৰ আচাৰ-ব্যৱহাৰ, নিয়ম-পদ্ধতি, ৰাজনৈতিক প্ৰথা প্ৰচলিত আছিল সেই সকলোবোৰ নিৰ্ভুলভাৱে এই গীতত ঠাই পাইছে, যথা—

(১) আগৰ দিনত সম্ভ্ৰান্ত পৰিয়ালৰ আন্ধাৰৰ কোঠা বা বোহঘৰ আৰু মৰঙৰ ঘৰ আছিল।

(২) আগৰ দিনত ঘিঁউ-চাকি লগাই ৰাতি লিখা-পঢ়া কৰাৰ নিয়ম আছিল। সাধাৰণ তৰপৰ মানুহে অৱশ্যে খোৱাতেলৰ চাকি ব্যৱহাৰ কৰিছিল।

(৩) চিঠি-পত্ৰৰ প্ৰমাণিকতা বুজাবলৈ তাত পঠিওতাৰ মোহৰযুক্ত লাৰ চাব মৰা হৈছিল।

(৪) উজনিৰ বঙ্গাঘৰীয়া বিষয়া আদি আহিলে ভাটীৰ বৰফুকনে ৰোজ-ৰাজ দিব লগাত পৰিছিল।

(৫) ইংৰাজৰ কোম্পানীয়ে বৰফুকনক যুদ্ধৰ সহায় নিদিয়াত ইংৰাজক "ধৰমৰ লোক" বুলি কোৱা হৈছে, কাৰণ সেই কালত ইংৰাজৰ ৰাজনৈতিক পন্থা আছিল আনৰাজ্যৰ ভিতৰুৱা কথাত হাত নিদিয়া।

অন্যান্য অসমীয়া গীত

মানুহৰ মুখে-মুখে প্ৰচলিত হৈ থকা আন থকা অসমীয়া গীত ঘাইকৈ দুই বিধৰ,—প্ৰথম, কিম্বদন্তীমূলক আৰু কাল্পনিক কথা থকা গীত ; দ্বিতীয়, বুৰঞ্জীমূলক, আৰু সত্যঘটনামূলক। ফুলকোঁৱৰ মণি-কোঁৱৰৰ গীত এই প্ৰথম বিধৰ। কমলা কুঁৱৰীৰ সাধুকথাত কিছুমান গীত আছে। সি বৰ সুৰলা আৰু হৃদয়-বিদাৰি-যোৱা,—

"মোৰে প্ৰাণেশ্বৰী, কমলা এ,
পানী কিমানে হল ?
মোৰে প্ৰাণেপতি, দেৱতা এ,
পানী একাঠু হল !"

কোনোবাই উদ্যোগ কৰি এই ধৰণৰ গীতবোৰ সংগ্ৰহ কৰি উলিয়ালে অসমীয়া সাহিত্যৰ বৰ উপকাৰ হয়।

ঐতিহাসিক গীত অসমত বহুত প্ৰচলিত আছে। মণিৰাম দেৱানৰ গীত এতিয়াও সংগ্ৰহ কৰি কোনেও প্ৰকাশ কৰা নাই। স্বৰ্গদেৱ গৌৰীনাথ-সিংহৰ দিনত বাগৰ বৰা নামে এজন অতি সম্ভ্ৰান্ত নগঞা বিষয়াক ৰাইজে

প্ৰজাদ্ৰোহী বুলি ভাবি পুৰণিগুদামৰ ওচৰৰ পতীয়াবালীত বধ কৰে। এওঁৰ বিষয়ে গীতটি বাখৰ বৰাৰ গীত বুলি প্ৰচলিত, তাৰ গোটাচেৰেক পদ মাথোন আমাৰ হাতত পৰিছে,—

আঠীয়া কলৰে পাত সৰু সৰু
জাতি কলৰে পাত,
গা ধুই উঠি মোৰ বাখৰৰ তেমেকাই
খাবলৈ নেপালে ভাত।
লুইতৰ ৰাঙলী গৰা,
ভৰলুমুখতে ঘৰবাৰী সাজিছে,
পালেহি বাখৰৰ বৰা।

কামৰূপৰ দুন্দীয়া বিদ্ৰোহৰ অধিনায়ক হৰদত্তৰ জীয়াৰী পদ্মকুমাৰীৰ বিষয়ে গীত এটি কামৰূপৰ কেবা ঠাইতো প্ৰচলিত আছিল বা আছে বুলি শুনিছোঁ, কিন্তু তলৰ পদ দুফাকিৰ বাহিৰে গীতৰ বাকী অংশ আমি বহুত যত্ন কৰিও বিচাৰি পোৱা নাই,—

হৰদত্ত জীয়াৰী পদ্মকুমাৰী
ধনৰাত নাখালে ভাত,
কামদান বঙ্গালে হাতত ধৰি নিলে
পদ্ম বিচাৰি গাত।
ক'ত গলি হৰদত্ত, ক'ত গলি বীৰদত্ত,
কত গলি থাঁও-থাঁও সাৰা ?
ৰাইজৰ শাপতে হৰদত্ত বীৰদত্ত
দুয়োজন হল ভেটীমৰা।

গদাপাণি কোঁৱৰৰ দেশবিদেশে ভেশছন ধৰি অনাই-বনাই ফুৰাৰ বিষয়ে গীত এটি এজন মানুহে নগাওঁৰ কলীয়াবৰ অঞ্চলৰ ফালে কুৰিবছৰমান আগেয়ে শুনা বুলি আমাৰ আগত কৈছিল, কিন্তু তাৰ আজি-পৰিয়াণে আমি একো

উৱাদিহ পোৱা নাই! বুৰঞ্জীপ্ৰাণ আৰু কবিত্বপূৰ্ণ অসমীয়া জাতিয়ে গদাপাণিৰ বিচিত্ৰ ভ্ৰমণ-বৃত্তান্তবোৰ গীতত অমৰ কৰিব ই একো আচৰিত নহয়।

ইংৰাজৰ ৰাজত্বত হোৱা ঘটনাবলীৰ বিষয়েও গাঁৱলীয়া সমাজত গীত, প্ৰচলিত আছে। মিঃ ব্ৰডি, মিঃ নিউভিল, মিঃ ৰবিনচন, মিঃ ড্ৰাইবাৰ্গ, মিঃ বাটলাৰ আদি চাহাব সেইবোৰ গীতত ৰবতি, নবীন, ৰবিচন, ডাইবৰ আৰু বটল নাম ধাৰণ কৰিছে।

বৃটিছৰ আমোলৰ প্ৰথমছোৱাৰ শিৱসাগৰৰ চাৰিঙৰ খ্যাতিমন্ত পুৰুষ পৃথু বৰকাকতী ৰাইডঙীয়া ফুকন ডাঙৰীয়াৰ বিষয়ে দুফাঁকি গীত শ্ৰীযুত বেণুধৰ শৰ্ম্মাদেৱে প্ৰকাশ কৰিছে,—

ধনৰে চহকী পৃথু বৰকাকতী
ঘৰত লাগিলে জুই,
ধনবোৰ উতলি বাৰীখন বান্ধিলে
যেনে ইটাগুৰিৰ ছুই।

* * *

অতি বৰ চহকী পৃথু বৰকাকতী
সোণেৰে বন্ধোৱা পেৰা,
চমুৱা চাহাবো গুলাই বৈ থাকে
চকুৰে দেখাৰে পৰা।

কিম্বদন্তী বা বুৰঞ্জীমূলক গোটেইবোৰ অসমীয়া গীত সংগ্ৰহ কৰি প্ৰকাশ কৰিব পাৰিলে অসমীয়া সাহিত্যৰ সম্পদ বাঢ়িব, আৰু অসমীয়া পদ্য-সাহিত্যত বৰ্ত্তমানে যি বিজাতবীয়া ভাষা আৰু ভাব সোমোৱাৰ গতিকে সি জনসাধাৰণৰ হৃদয় মুগ্ধ কৰিব পৰা নাই, এনে এখনি জাতীয় গীতৰ কিতাপ প্ৰচাৰ হলে সেই বিজাতবীয়া ভাষা ভাষা আৰু ভাবৰ সলনি অসমীয়া পদ্যত

ঘৰুৱা আৰু সৰল, অর্থাৎ অসমীয়াৰ প্ৰাণৰ ভাষা প্ৰচলিত হব। গীত-সংগ্ৰহ কৰাত প্ৰথমশ্ৰেণীৰ সাহিত্য-প্ৰতিভাৰ দৰকাৰ নাই, অল্প উদ্যম, অধ্যৱসায় আৰু আন্তৰিক যত্ন হলেই সকলোৱে এই কাম হাতত লব পাৰে।—শ্ৰীসূৰ্য্যকুমাৰ ভূঞা, ডিচেম্বৰ, ১৯২৪ চন।

নতুন কথা

"বৰফুকনৰ গীত"ৰ প্ৰথম তাঙৰণ, গুপৰত দিয়া ভূমিকা-খণ্ডৰে সৈতে, ১৯২৪ খৃষ্টাব্দত প্ৰকাশিত হয়। তাৰ পাচত নকৈ উদ্ধাৰ কৰা অসমৰ প্ৰাচীন বুৰঞ্জীত বদনচন্দ্ৰ বৰফুকন আৰু মানৰ আক্ৰমণৰ বিষয়ে কিছু নতুন কথা পোৱা গৈছে। তাৰ উপৰিও, ১৯৩৬ চনৰ পৰা ১৯৩৮ চনলৈকে লণ্ডনত থকা কালত বৰ্ত্তমান সম্পাদকে ইণ্ডীয়া অফিচ লাইব্ৰেৰীত সংৰক্ষিত ইষ্ট-ইণ্ডীয়া কোম্পানীৰ সমসাময়িক চিঠি-পত্ৰ আৰু ৰিপোৰ্ট আদিত ভালেখিনি নতুন কথা আবিষ্কাৰ কৰে। তাৰে সাৰাংশ তলত দিয়া হল।—

ভাৰতৰ গবৰ্ণৰ-জেনেৰেল চাৰ্ জন্ চ'ৰৰ নিৰ্দ্দেশমতে, অসমত শান্তি-স্থাপনৰ কাম অৰ্দ্ধ-সম্পাদিত অৱস্থাত এৰি কেপ্তেইন ওৱেল্চ্ চাহাবে ১৭৯৪ চনৰ জুন মাহত অসমৰ পৰা বঙ্গদেশলৈ সৈন্যে উভতি যায়। কেম্পেইনৰ পাচত কামৰূপ অঞ্চলত বৰকান্দাজ দস্যুবোৰে পুনৰ উৎপীড়ন আৰম্ভ কৰে। সিহঁতৰ চৰ্দ্দাৰ আছিল হাজাৰাচিং, মোগানগিৰি আদি। গুৱাহাটীৰ শাসনকৰ্ত্তা শিৱদত্ত চেটীয়া বৰফুকনে হাজাৰাচিঙৰ সহায়লৈ ডুংখুঙীয়া বাপী গোহাঁইৰ তেৰ-বছৰীয়া পুতেকক ৰজা পাতে, এই কোঁৱৰজনে মাথোন সোতৰ দিনহে ৰজা হবলৈ পায়। চেটিয়া বৰফুকনক কোনো প্ৰকাৰে ধৰিব নোৱাৰি স্বৰ্গদেৱ গৌৰীনাথসিংহৰ অনুগত বিষয়াসকলে হাজাৰাচিং বঙালক দহহেজাৰ টকা দিম বুলি তাৰ হতুৱাই বৰফুকনক ধৰি বন্দী কৰি উজনিলৈ পঠিয়ায়। বৰফুকনে নিজৰ দোষ স্বীকাৰ কৰে; স্বৰ্গদেৱৰ আজ্ঞাৰে অনেক বিকৰ্থনা কৰি তেওঁক কোৰেৰে কুৰি-কাটি মৰা হয়। শিৱদত্ত চেটিয়া বৰফুকনক ধৰি দিয়া কামত প্ৰধান উদ্যোক্তা আছিল বুঢ়াগোহাঁই-ফৈদীয়া জাতি ৰাজখোৱা। তেওঁকে এতিয়া

গুৱাহটীয়া বিষয়াসকলে বৰফুকন পাতিলে; কিন্তু এই পদত তেওঁ তিনিদিনহে থাকিবলৈ পালে।

ইতিমধ্যে বঙ্গাচিলা তুৱৰাৰ ঘৰৰ হৰনাথ সেনাপতি ফুকনৰ পুতেক ঘিণাই বদনচন্দ্ৰই হাজাৰাচিং বঙ্গালক তিনি-কুৰি হেজাৰ ৰূপ দিম বুলি গাত ললে, আৰু বঙ্গালৰ সহায়েৰে গুৱাহাটীত বৰফুকন পদত অধিষ্ঠিত হ'ল। ধনৰ কাৰণে বঙ্গালে টানি ধৰাত বদনচন্দ্ৰই উপায় নাপাই হাজো কামাখ্যা আদি দেৱালয়ৰ সোণ-ৰূপৰ পাত্ৰ-অলঙ্কাৰ আনি তাকে ভাঙ্গি বঙ্গালক দিবলগীয়া দায়ৰ পৰা মুক্ত হ'ল। মাহচেৰেকৰ পাচত জোগানগিৰি বঙ্গালে নিজে আহি গুৱাহাটী অধিকাৰ কৰাত বদনচন্দ্ৰ বৰফুকন হুঁহকি কাজলীত ৰ'লহি।

এনে সময়ত, বঙ্গদেশৰ পৰা নিয়মৎ-উল্লা চুবেদাৰে সৈতে কিছু সৈন্য আনি গৌৰীনাথসিংহৰ বিষয়াসকলে হাজাৰাচিং বঙ্গালক পৰাস্ত কৰি ১৭৯৫ চনৰ ৩০ মেই তাৰিখে গুৱাহাটী উদ্ধাৰ কৰিলে। সেইদিনাৰ ৰণত হাজাৰাচিং নিহত হ'ল, আৰু তাৰ লগত থকা ন-শ অনুচৰ গুলি খাই বা ব্ৰহ্মপুত্ৰৰ পানীত পৰি ডুবি মৰিল। বদনচন্দ্ৰ কাজলীৰ পৰা গুৱাহাটীলৈ উভতি আহিল। সেই চনৰে আগষ্ট মাহত বদনচন্দ্ৰৰ সলনি সন্দিকৈৰ কলীয়া-ভোমোৰা গেজেলা ৰাজখোৱাই বঙ্গালৰ শেষ-মৰীয়া ধন দিবলৈ গাত লোৱাত নকৈ হোৱা ৰজা কমলেশ্বৰসিংহ স্বৰ্গদেৱে তেওঁকে বৰফুকন পাতিলে। এইজনা বৰফুকনৰ চেষ্টাত দক্ষিণকূল আৰু উত্তৰকূল বহুপৰিমাণে সুস্থিৰ হ'ল, এই আপাহত স্বৰ্গদেৱে তেওঁক প্ৰতাপ-বল্লভ খিতাপ দিলে।

১৮১০ চনৰ নবেম্বৰ মাহত প্ৰতাপ-বল্লভ বৰফুকনৰ মৃত্যু হোৱাত বদনচন্দ্ৰ পুনৰ বৰফুকন পদত অধিষ্ঠিত হয়। এই দ্বিতীয়বাৰৰ প্ৰথমছোৱাৰ বিষয়ে সমসাময়িক লিপিবদ্ধ কাহিনী এতিয়ালৈকে আমাৰ হাতলৈ অহা নাই।

কমলেশ্বৰসিংহ স্বৰ্গদেৱৰ ৰাজত্ব কালত অসমত দুৰ্ঘোৰ অশান্তি। মোৱামৰীয়া আৰু বৰকান্দাজ বঙালৰ হুলস্থুল অত্যাচাৰ তেতিয়াও শাম কটা নাই। ইপোনে চিংফৌ খামটি আদি দাঁতি-কাষৰীয়া জাতিবোৰে অসমত সোমাই গাঁও-ভুই লুৰি মানুহ ধৰি লৈ গৈছিল। পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াই সৈন্য আৰু বন্দুক-বাৰুদ খুজি কোম্পানীৰ গবৰ্ণৰ-জেনেৰেল চাহাবলৈ কেবাবাৰো দূত পঠিয়াইছিল, মাজে-মাজে অস্ত্ৰ-শস্ত্ৰৰ সহায় পাইছিল, কিন্তু কোম্পানীয়ে সৈন্য দি সহায় কৰিবলৈ সদায় অনিচ্ছা প্ৰকাশ কৰিছিল।

এই সময়ত কেবাজনা কোঁৱৰে বিদেশী সৈন্যৰ সহায়েৰে বুঢ়াগোহাঁইক দমন কৰি অসমৰ সিংহাসন অধিকাৰ কৰিবলৈ মন কৰিছিল। ৰাজেশ্বৰ-সিংহ স্বৰ্গদেৱৰ নাতি বিজয় বৰমূৰা গোহাঁয়ে ১৭৯৫ চনত পূৰ্ণানন্দৰ হাতত পৰাস্ত হৈ কাছাৰ আৰু মণিপুৰ ৰাজ্যত ভ্ৰমি ফুৰিছিল। তেওঁৰ পুতেক ব্ৰজনাথ কোঁৱৰে কোচবেহাৰ, নেপাল, বঙ্গদেশ আদি নানান ঠাইত সৈন্যসংগ্ৰহৰ চেষ্টা কৰিছিল। ১৮০৫ চনত গৌৰীনাথসিংহ স্বৰ্গদেৱৰ বিধবা আইকুঁৱৰীদেও কমলেশ্বৰী দেৱীয়ে গবৰ্ণৰ-জেনেৰেল চাহাবক আবেদন-পত্ৰেৰে জনাইছিল যে অসমৰ সিংহাসনৰ ন্যায্য অধিকাৰী হৈছে ব্ৰজনাথ কোঁৱৰ, তেওঁৰ দাবি কাতি কৰি পেলাই পূৰ্ণানন্দ বুঢ়া-গোঁহায়ে নিজৰ সুবিধাৰ নিমিত্তে নাবালক কমলেশ্বৰসিংহক সিংহাসনত বহুৱাইছে। আইকুঁৱৰীদেৱে আৰু জনালে যে,—"মোৰ এতিয়া ইচ্ছা যে কিছু সৈন্যসংগ্ৰহ কৰি তাহাঁতৰ সহায়েৰে অসম ৰাজ্য পুনৰ অধিকাৰ কৰোঁ। আশা কৰোঁ বৃটিছ গবৰ্ণমেণ্টে ৰংপুৰ আৰু গোৱালপাৰাৰ মাজেৰে সৈন্য লৈ যাওঁতে মোক একো হকাবধা নকৰিব। শত্ৰুক পৰাভৱ কৰি পুনৰ ৰাজ্য অধিকাৰ কৰিলে অসম দেশৰ উৎপন্ন খাজানাৰ এক-চতুৰ্থাংশ বছৰি মই বৃটিছক দিম।"

এজনা আহোম কোঁৱৰৰ অনুৰোধমতে বৰ্ম্মা-ৰজা বডোয়াফাই ১৭৯৭

চনৰ আগচোৱাত ২০,০০০ সৈন্য অসমৰ অভিমুখে পঠিয়ায়। ইইতৰ উদ্দেশ্য আছিল বাট-পথ উলিয়াই এটা বিৰাট অভিযানৰ সূচনা কৰা যাতে কিছুদিনৰ মূৰত এক বিপুল বাহিনী অসম আক্ৰমণৰ কাৰণে যাত্ৰা কৰিব পাৰে। আগৰেপৰা বৰ্মাৰজাই ভাৰতবৰ্ষ সোমাই এখঁড়ি যুজি চাবলৈ ছল বিচাৰি ফুৰিছিল। বৰ্মাৰ ৰাজধানীত থকা বৃটিছ প্ৰতিনিধি কেপ্তেইন শীৰাম কক্স চাহাবে দেখিলে যে এইয়া সৰ্ব্বনাশ! মানে অসম লব পাৰিলে কোম্পানীৰ ৰাজ্যলৈকো চোঁচা মাৰিব! সেইদেখি তেওঁ মানৰজাক বুজাই দিলে যে,—"অসম বৃটিছৰ কৰতলীয়া, আৰু বৃটিছৰ আশ্ৰয়াধীন।" এনে বুলি কোৱাত বডোয়াফা ৰজাই মানসৈন্য ওভোতাই আনিলে। মানৰ সহায়প্ৰাৰ্থী কোঁৱৰজনাৰ নাম পাবলৈ নাই। তেওঁ নিজক অসমৰ স্বৰ্গদেৱৰ ভায়েক বুলি বৰ্ণনা কৰিছিল, আৰু কমলেশ্বৰসিংহতকৈ তেওঁৰ দাবি বেচি ন্যায়সঙ্গত বুলি কৈছিল। তেওঁ মানৰজাৰ কৰতলীয়া হবলৈ স্বীকাৰ কৰিছিল, আৰু বঙ্গজয়ৰ কাৰণে মানসৈন্যক সহায় কৰিবলৈকো গাত লৈছিল। আমাৰ বোধেৰে এওঁ বিজয় বৰমূৰা গোহাঁই, মণিপুৰৰ পৰা তেওঁ মানৰজাৰ কাষ চাপিছিলগৈ।

১৭৯৭ চনৰ জুন মাহত আৰু এজনা আহোম কোঁৱৰে বডোয়াফা মানৰজালৈ নিজৰ কন্যা উপহাৰ দি সৈন্যৰ সহায় খোজে। বৰ্মাৰ ৰাজধানী অমৰাপুৰত গাভৰুৰ অভ্যৰ্থনাৰ কাৰণে বিপুল আয়োজন হয়।

এই গৰাকী অসমীয়া জীয়াৰী গৈ বডোয়াফাৰ অতি বেথাৰ পাত্ৰ হয়গৈ; আৰু তেওঁৰ প্ৰভাৱৰ গুণত, ৰাজধানীত থকা "অসমীয়া পাটিৰ" অনুৰোধত ৰজাই নিজ উদ্দেশ্য সাধন কৰিবলৈ আৰু ইংৰাজৰ লগত বিৰোধিতা কৰিবলৈ সাজু হয়। কক্স চাহাবৰ বুজনিত মাত্ৰ অসমলৈ সৈন্য পঠোৱাৰ পৰা মানৰজা বিৰত হ'ল।

ইয়াৰ উপৰিও চিংফো আৰু খামটিয়ে মোৱামৰীয়াৰ লগ লাগি বৰ্মাৰ পৰা সৈন্য খুজি আনিছিল। বৰ্মাসৈন্য দুবাৰ আহি অসম

সোমাইছিল, কিন্তু পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াই উপায়মন্ত্ৰণাৰে সেই সৈন্যক অসমৰ পৰা ওভোতাই পঠিয়াইছিল।

চিংফৌক ৰবাবৰ নিমিত্তে বুঢ়াগোঁহায়ে সিইঁতৰ নায়ক বিচানন্দক দুৰবাৰ বৰম বৰুৱাৰ পেহীয়েক ৰঙ্গিলীক সালঙ্কৃতাকৈ বন্দীয়ে-বেটীয়ে উপহাৰ দিয়ে। বিচানন্দে এই ৰঙ্গিলীকে অসম ৰজাৰ কুঁৱৰী বুলি বডোয়াফা ৰজালৈ দিয়ে। শ্ৰীযুত বেনুধৰ শৰ্ম্মাদেৱৰ মতে মানৰ ৰাজধানীত মহাসমাৰোহেৰে অভ্যৰ্থনা পোৱা অসম-কুঁৱৰী গৰাকী এই ৰঙ্গিলী আইদেৱেই; এৱেঁই ৰৰফুকনৰ গীতৰ "অসমৰ জীয়াৰী মানৰজাৰ কুঁৱৰী" আৰু "অসমৰ দেশত মোৰ ককায়হে ৰজা" বুলি পৰিচয় দিয়া আইদেওগৰাকী।

বডোয়াফা মানৰজাই অসমৰ বিষয়ে ভালকৈ জানিছিল, আৰু অসম অধিকাৰ কৰি কোম্পানীৰ ৰাজ্য আক্ৰমণ কৰাৰ অভিলাষ তেওঁ অন্তৰত পোষণ কৰিছিল। গতিকে, বদনচন্দ্ৰই সৈন্য-ভিক্ষা কৰোঁতে মানৰজা অতি আনন্দেৰে মান্তি হ'ল। ৰঙ্গিলী মেপায়াৰ অনুৰোধো এই ক্ষেত্ৰত বিশেষ কাৰ্য্যকৰী হ'ল। ডেভিড্ স্কট চাহাবে এবাৰ কৈছিল,—"যুদ্ধ-বিগ্ৰহাদি গুৰুত্বপূৰ্ণ কামতো কুঁৱৰীসকলৰ সবিনয় অনুৰোধ মানৰজাৰ পক্ষে অৱজ্ঞা কৰাটো অসম্ভৱ।"

বদনচন্দ্ৰৰ লগত পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ বিৰোধ লগাৰ প্ৰকৃত ভিতৰুৱা কাৰণ কি তাক সঠিককৈ কোৱা টান; হব পাৰে পূৰ্ণানন্দৰ একচেতীয়া ক্ষমতাক প্ৰতিৰোধ কৰিবলৈ বদনচন্দ্ৰৰ চেষ্টা, হব পাৰে কামৰূপত বদনচন্দ্ৰৰ কুশাসকৰূপে অখ্যাতি। অসমৰ প্ৰথম কমিচনাৰ স্কট চাহাবে ১৮২৬ চনত সংকলন কৰা টোকাৰ পৰা জানিব পাৰি যে বুঢ়াগোহাঁইৰ বিৰুদ্ধে ষড়যন্ত্ৰৰ সহায়কাৰী হিচাবে বদনচন্দ্ৰৰ নামো পোৱা গৈছিল। এই ষড়যন্ত্ৰত ৯৭ জন মানুহ সংশ্লিষ্ট আছিল। ৰবচ'ৰাত বিচাৰ কৰি ৭৭ জনক প্ৰাণদণ্ড দিয়া হল, আৰু ২০ জনক নাক-কাণ কাটি বা কণা

কৰি এৰি দিয়া হল। বুঢ়াগোহাঁইৰ আজ্ঞাৰে বদন বৰফুকনক ধৰিবলৈ পৰ্ব্বতীয়া ফুকনে গুৱাহাটীলৈ যাত্ৰা কৰিলে। কিন্তু পৰ্ব্বতীয়া ফুকনে অলপ আলম-বিলম কৰাত বৰফুকনে তেওঁৰ উদ্দেশ্যৰ সন্দেহ পাই ৰাতিৰ ভিতৰতে নাৱেৰে ভটীয়াই গল, সেইদিনা আছিল ৭ অক্টোবৰ, ১৮১৫ চন। লগত আছিল তিনি পুতেক জন্মি, পিয়লি আৰু হুমলি; উদয়চিং নামকটা চুবেদাৰ, আৰু তাৰ ভাতৃ কৃষ্ণৰাম নামকটা হাবিলদাৰ; আৰু চাৰি-পাঁচজনমান বৰফুকনৰ বিশ্বাসী গা-মানুহ।

উদয়চিং পূৰ্ব্বে অসম ৰজাৰ বৰকান্দাজ ফৌজৰ চুবেদাৰ আছিল, কিন্তু কামৰূপৰ বৰখাস্ত হোৱাত বদন বৰফুকনৰ অধীনে চাকৰিত সোমায়। ১৮১৪ চনত, নৰসিংহগিৰি গোসাঁয়ে গোচৰ দাখিল কৰে যে কৃষ্ণৰামে অসম ৰজাৰ ভালেখিনি সোণ-ৰূপৰ অলঙ্কাৰ অপহৰণ কৰিছে। সেই বস্তুৰে সৈতে কৃষ্ণৰাম ধৰা পৰে। সোধাত কৃষ্ণৰামে কলে যে সেই অলঙ্কাৰখিনি তাৰ আৰু ভ্ৰাতৃ উদয়চিঙৰ নিজা সম্পত্তি। ভাটী ৰংপুৰৰ ম্যাজিষ্ট্ৰেট স্কট্ চাহাবে কৃষ্ণৰামক ফাটেকত বন্দী কৰি থয়, আৰু চন্দ্ৰকান্ত-সিংহ স্বৰ্গদেৱলৈ সকলো কথা লিখি পঠায়। স্বৰ্গদেৱৰ পৰা একো উত্তৰ নোপোৱাত স্কট্ চাহাবে ১৮১৫ চনৰ জুলাই মাহত কৃষ্ণৰামক ফাটেকৰ পৰা খালাচ দিয়ে। এই কৃষ্ণৰামেও উদয়চিঙৰ দৰে বদনচন্দ্ৰ বৰফুকনৰ তলত চাকৰিত সোমায়।

গুৱাহাটীৰ পৰা পলাই গৈ নবেম্বৰ মাহৰ আগছোৱাত বদন বৰফুকনে স্কট্ চাহাবৰ লগত সাক্ষাৎ কৰি স্বৰ্গদেৱ চন্দ্ৰকান্তৰ তৰফে কোম্পানীৰ সাহায্য প্ৰাৰ্থনা কৰে; আৰু তেওঁ যে স্বৰ্গদেৱৰ যথানিযুক্ত প্ৰতিনিধি তাৰ প্ৰমাণৰ কাৰণে স্বৰ্গদেৱে বৰফুকনলৈ দিয়া এখন চিঠি দাখিল কৰে। চিঠিৰ তাৰিখ মঙ্গলবাৰ, ২৯ ভাদ্ৰ, অৰ্থাৎ ১২ চেপ্তেম্বৰ ১৮১৫ চন। চিঠিৰ মৰ্ম্ম এই,—

"বুঢ়াগোহাঁয়ে মোৰ লগৰ সকলো মানুহ কাটি-মাৰি নিপাত কৰিলে,

আৰু মোৰ জীৱনতো প্ৰধান শঙ্কা। বুঢ়াগোহাঁইৰ ক্ষমতা খৰ্ব্ব কৰি মোক সিংহাসনত প্ৰতিষ্ঠিত কৰিবৰ কাৰণে তোমাৰ যদি শক্তি-সামৰ্থ্য আছে তেন্তে তুমি শীঘ্ৰে উজনি অভিমুখে যাত্ৰা কৰিবা। যদি তুমি নোৱাৰা, তেন্তে ভাটীৰ ৰংপুৰ আৰু কলিকতালৈ গৈ তাৰ চাহাবক সকলো কথা বিবৰি কৈ কোম্পানীৰ সহায় বিচাৰিবা। তেওঁলোকক বুজাই কবা যে বুঢ়াগোঁহায়ে মোৰ পূৰ্ব্ববৰ্ত্তী ৰজা গৌৰীনাথ, মোৰ পিতৃদেৱ আৰু মোৰ ককাইদেৱক বিহ খুৱাই মাৰিছে। বুঢ়াগোহাঁয়ে নিজপক্ষীয় মানুহৰ দ্বাৰা মোক দিনে-ৰাতি ঘেৰাও কৰি ৰাখিছে, আৰু তেওঁ ৰজাৰ সিংহমোহৰ কৰগত কৰি নিজে ব্যৱহাৰ কৰিছে। তুমি বুটিছৰ পৰা বিষয়া সহ ছয়-সাত কোম্পানী চিপাহী লগত লৈ ইয়ালৈ আহিবা আৰু তাৰ খৰচ বহন কৰিবলৈ সম্মতি জনাবা। বুটিছ যদি মান্তি নহয়, একলাখ টকা কৰ দিম বুলি কবা; যদি তাতো সম্মত নহয়, ডেৰলক্ষ টকা কৰৰ প্ৰতিশ্ৰুতি দিবা। যেনেকৈয়ে হওঁক, শত্ৰু-ধ্বংসৰ কাৰণে যথাবিধি উপায় অৱলম্বন কৰি দেশলৈ উভতিবা। ইতিমধ্যে যদি শুনা যে বুঢ়াগোহাঁইৰ হাতত মোৰ মৃত্যু ঘটিছে, তেন্তে, ভাটীতে আমাৰ কৈদৰ কোঁৱৰ এজনা আছে, তেওঁকে আনি সিংহাসনত বহুৱাবা। বুঢ়াগোহাঁইক যদি এই বিষয়ে ঘূণাক্ষৰেও জানিবলৈ দিয়া, তেন্তে, তোমাৰ গাত ৰাজবধ, ব্ৰাহ্মণবধ আৰু নাৰীবধৰ পাতক লাগিব।"

ইয়াৰ উপৰিও বদনচন্দ্ৰই স্বৰ্গদেৱৰ হৈ স্কট্ চাহাবক বহুত কথা কলে। চাহাবে সেইবোৰ কথা লিপিবদ্ধ কৰিবলৈ কোৱাত বৰফুকনে চন্দ্ৰকান্ত সিংহই দিয়া আৰ্জ্জিৰ দৰে এখন কাকত দাখিল কৰিলে, তাৰিখ ২৮ কাতি, ১২২২ সাল, অৰ্থাৎ ১২ নবেম্বৰ ১৮১৫ খৃষ্টাব্দ। আৰ্জ্জিৰ তলত লিখা আছিল,—"শ্ৰীচন্দ্ৰকান্ত সিংহ, বকলমে শ্ৰীবদনচন্দ্ৰ বৰফুকন দুৱৰা।" লিপিৰ সাৰমৰ্ম্ম এই,—

"বুঢ়াগোহাঁয়ে মোৰ পিতৃ চাৰিংৰজা আৰু দদাইদেৱ গৌৰীনাথক

দৰব দিয়াৰ ছলেৰে বিহ খুৱাই মাৰিছে। মোৰ ককাইদেৱৰ যেতিয়া শাসনভাৰ হাতত লবলৈ উপযুক্ত বয়স হয়, এই বুঢ়াগোহাঁয়ে ককাইদেৱক বসন্তৰোগত ভুগি থকা অৱস্থাত গাত বিহ দি তেওঁৰো লোকান্তৰ ঘটাইছে। এইবোৰ কথা আমাৰ দেশত জনাজাত। এতিয়া মোক মৰাৰ পাল পৰিছে। গৌৰীনাথসিংহৰ মৃত্যুৰ পিচত আৰু মোৰ ককাইদেৱৰ নাবালক অৱস্থাত এই বুঢ়াগোহাঁয়ে সকলো সৈন্যৰ কৰ্ত্তৃত্ব নিজৰ হাতলৈ নিয়ে, আৰু সৈন্য বিভাগত নিজৰ পেট-পোৱা বিশ্বাসী মানুহ নিযুক্ত কৰিবলৈ ধৰে। যিবিলাকে বুঢ়াগোহাঁইৰ অন্যায় আচৰণৰ প্ৰতিবাদ কৰে, তেওঁলোকক ধ্বংস কৰা হয়। বুঢ়াগোহাঁইৰ হাতত এইদৰে প্ৰায় এহেজাৰ মানুহৰ মৃত্যু ঘটিছে। আজি মোৰ বয়স একুৰি বছৰ, আৰু মই সিংহাসনত যথাবিধি অধিষ্ঠিত হৈছোঁ, তথাপি বুঢ়াগোহাঁয়ে মোৰ হাতত কোনো ৰাজক্ষমতা অৰ্পণ কৰা নাই। ৰজাৰ মোহৰো তেওঁৰ হাততে আছে। লৰ্ড কৰ্ণৱালিছ চাহাবৰ আদেশমতে তাহানি কেপ্তেইন ওৱেল্‌চ চাহাবে গৌৰীনাথসিংহ ৰজাক শত্ৰুৰ কৱলৰ পৰা মুক্ত কৰিছিল; এতিয়াও মই কোম্পানী বাহাদুৰৰ শৰণাগত হৈ তেওঁলোকৰ সাহায্য প্ৰাৰ্থনা কৰিছোঁ যাতে মই মোৰ শত্ৰুৰ হাতৰ পৰা ৰক্ষা পাব পাৰোঁ।”

এই লিপিখন কিমানদূৰ চন্দ্ৰকান্তসিংহ ৰজাৰ মনোভাবৰ পৰিচায়ক তাক নিৰ্ণয় কৰিব নোৱাৰি। কিন্তু বদনচন্দ্ৰ বৰফুকনৰ মতে কোম্পানীয়ে পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ কাৰ্য্যাৱলী কি চকুৰে চোৱা উচিত তাৰ প্ৰত্যক্ষ নিদৰ্শনৰূপে এই লিপিৰ মূল্য অধিক।

বদন বৰফুকনে দাখিল কৰা দুয়োখন কাকত ·স্কট্ চাহাবে কলিকতাৰ বৰচাহাবৰ তালৈ পঠাই দিলে। তাৰ ওপৰত গৱৰ্ণৰ-জেনেৰেলে ৮ ডিচেম্বৰ তাৰিখে এই বুলি মন্তব্য প্ৰকাশ কৰি স্কট্ চাহাবক জনালে,—“অসম ৰজাৰ চিঠিৰ পৰা বুজিব পৰা যায় বুঢ়াগোহাঁইক দমাবৰ নিমিত্তে তেওঁক সৈন্য লাগে। কিন্তু ৰজাক সহায় কৰিবৰ নিমিত্তে বৃটিছ

গবর্ণমেণ্ট কোনো প্ৰকাৰে চুক্তিবদ্ধ নহয়। অসমত হোৱা ঘটনাৱলী হৈছে ঘৰুৱা বাদ-বিসম্বাদ আৰু প্ৰতিদ্বন্দ্বিতাৰ পৰিণাম, তাৰপৰা কোম্পানীৰ ৰাজ্যৰ শান্তি ভঙ্গ হোৱাৰ কোনো আশঙ্কা নাই। তুমি চন্দ্ৰকান্তসিংহৰ প্ৰতিনিধিক বুজাই ক'বা যে আমাৰ গবৰ্ণমেণ্টৰ নীতি হৈছে নিজৰ কামত আৱদ্ধ হৈ থকা, পৰৰ ৰাজ্যৰ কথাত হস্তক্ষেপ কৰা আমাৰ নিয়ম নহয়, হস্তক্ষেপৰ পৰা আমাৰ বহুতো সুবিধা হলেও আমি এনে কাম নকৰোঁ। তুমি কৈছা যে প্ৰতিনিধিজন ৰজাৰ ওচৰ-সম্বন্ধীয়া, সেইদেখি তেওঁৰ প্ৰতি ভদ্ৰতা দেখুৱাবা, আৰু অসম ৰাজ্যৰ লগত যে আমাৰ মিত্ৰভাব সেই বিষয়ে আশ্বাস দিবা।" স্কট্ চাহাবে যথা নিৰ্দ্দিষ্ট-মতে বদন বৰফুকনক গৱৰ্ণমেণ্টৰ সিদ্ধান্ত জনালে।

বৃটিছৰ পৰা কোনো সহায় পোৱাৰ আশা নেদেখি বদনচন্দ্ৰই ৰংপুৰ এৰি কলিকতা অভিমুখে যাত্ৰা কৰিলে। দিনচেৰেকৰ পাচত স্কট চাহাবে অসমৰ পৰা তিনিখন আৰ্জ্জি পালে; প্ৰথম দুয়োখন চন্দ্ৰকান্ত সিংহৰ পৰা, দুয়োৰে তাৰিখ ২১ নবেম্বৰ ১৮১৫ চন; আৰু তৃতীয়খন হৈছে পৰশুৰাম দুৱৰীয়া বৰুৱাৰ পৰা, তাৰিখ ৬ ডিচেম্বৰ ১৮১৫।

প্ৰথমখনত চন্দ্ৰকান্তসিংহ স্বৰ্গদেৱে লিখিছিল, "বদনচন্দ্ৰ বৰফুকনক মই এটি দায়িত্বপূৰ্ণ বিষয়ৰ ভাৰ দি গুৱাহাটীত নিযুক্ত কৰিছিলোঁ। কিন্তু সেই বাবৰ কাৰণে অনুপযুক্ত বুলি তেওঁ প্ৰমাণ দেখুৱালে। চাৰি-পাঁচ বছৰৰ খাজানা তেওঁ বৰ্ব্বাদ কৰিলে, আৰু দুষ্ট মানুহৰ বুদ্ধি শুনি ৭ অক্টোবৰ তাৰিখে কাৰ্য্যভাৰ এৰি তেওঁ গুৱাহাটীৰ পৰা পলাই গুচি গৈছে; লগত গৈছে বৰ্খাস্ত হোৱা চুবেদাৰ উদয়চিং, গোটাচেৰেক চিপাহী, আৰু তেওঁৰ তিনিজনা পুতেক, লগত ৰজাঘৰীয়া সম্পত্তিও কিছু লৈ গৈছে। শুনিবলৈ পাইছোঁ তেওঁ এতিয়া চিলমাৰী নামে ঠাইত আছে। আশা কৰোঁ চাহাবে এইবোৰ কথা গবৰ্ণৰ-জেনেৰেলক জনাব, আৰু বৰফুকনক নিৰ্ভয় দি ধনসম্পত্তি সহ স্বদেশলৈ উভতিবলৈ উপদেশ দিব।"

দ্বিতীয় চিঠিখনত চন্দ্ৰকান্তসিংহই লিখিছিল,—"তদন্তত প্ৰমাণ পোৱা গল যে উদয়চিং চুবেদাৰৰ ভাতৃ কৃষ্ণৰামে চুৰি কৰাৰ কথা সঁচা। উদয়চিং বৰ্ত্তমানে চিলমাৰিত আছে। চাহাবক অনুৰোধ কৰোঁ যেন উদয়চিঙ্গক ভাতৃয়েৰে সৈতে ইয়ালৈ পঠিয়াই দিয়ে। সি বৰ দুষ্ট মানুহ, বিশ্বাসহীনতাৰ কাৰণে মই তাক কামৰ পৰা বৰ্থাস্ত কৰিছিলোঁ।"

পৰশুৰাম বৰুৱাই লিখিছিল,—"গুৱাহাটীতে ছ-জনা ফুকন থাকে। তাৰে বৰজনা ফুকনে ৰজাৰ সকলো কাম-কাজ চলায়। স্বৰ্গদেৱৰ বিনা-অনুমতিৰে এইজনা বৰফুকনে উদয়চিং চুবেদাৰৰ পৰামৰ্শ মতে গুৱাহাটীৰ পৰা গোপনে পলাই গৈ নিজ এলাকা এৰি কোম্পানীৰ ৰাজ্যত সোমাইছে গৈ। চাহাবক অনুৰোধ কৰোঁ যেন বৰফুকনক নিৰ্ভয় দি ইয়ালৈ পঠিয়াই দিয়ে। তেওঁৰ পূৰ্ব্বৰ শাসনভাৰ তেওঁক ওভোতাই দিয়া যাব; আৰু দোষী বুলি প্ৰমাণিত হলেও তেওঁক সম্পূৰ্ণ ক্ষমা দিয়া যাব।"

ৰংপুৰৰ পৰা গৈ বদনচন্দ্ৰ বৰফুকনে মুৰ্চিদাবাদ জিলাৰ অন্তৰ্গত মীৰপুৰ নামে গাঁৱত আশ্ৰয় লয়গৈ। এনেতে পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ পৰা সঙ্কেত পাই সিদ্ধিগিৰ গোসাঁই নামে জীয়াগ্ৰামনিবাসী এজন মাতব্বৰ মানুহে খুনি-ডকাইতৰ সাজপাৰ পিন্ধা পঁচিচটা বৰকান্দাজ পঠিয়াই সিহঁতৰ হতুৱাই এদিন নিশা বদনচন্দ্ৰৰ ঘৰৰ পৰা বৰফুকনৰ অলঙ্কাৰ, আৰু অন্যান্য মূল্যবান আৰু লাগতিয়াল বস্তু অপহৰণ কৰায়। বৰফুকনে চকবধা কৰাত সিহঁতে ক'লে যে হাকিম চাহাবৰ আজ্ঞা অনুসৰি তেওঁ তুৰন্তে কালকাপুৰলৈ যাব লাগে, ডেৰি কৰিলে তেওঁক বধ কৰিবলৈকো সিহঁত কুণ্ঠিত নহব। সিহঁতে বৰফুকন আৰু উদয়চিঙ্গৰ হাতৰ পৰা তৰোৱাল কা'ঢ় লয়, আৰু দুখন পাল্কীত বৰফুকন, আৰু তেওঁৰ দুজন সৰু পুতেক, আৰু উদয়চিঙ্গক ভৰাই লৈ কালকাপুৰৰ হাকিমৰ তালৈ নিওঁ বুলি ভগবানগোলালৈ লৈ যায়, আৰু সিদ্ধিগিৰ গোসাঁইৰ এখন গোলাত চাৰিওকে গোটেই ৰাতিটো থৈ দিয়ে। কৃষ্ণৰাম হাবিলদাৰে ভূমিনিয়া থানাত খবৰ দিয়াত দাৰোগাই চাৰিটা

চিপাহী পঠিয়াই বৰকান্দাজইঁতৰ হাতৰ পৰা বৰফুকনক উদ্ধাৰ কৰি পুনৰ মীৰপুৰলৈ ওভোতাই পঠিয়ালে। কিন্তু পাচলৈ গোসাঁইৰে সৈতে চক্ৰান্ত কৰি দাৰোগাজনে বৰফুকনৰ ঘৰ নজৰ-বন্দীত ৰাখে, আৰু মাজিষ্ট্ৰেটলৈ কোনো খবৰ নপঠিয়ায়। কলিকাতালৈ গৈ বৰফুকনে গৱৰ্ণৰ-জেনেৰেল চাহাবৰ ঠাইত সকলো কথা বিবৰি এখন দৰখাস্ত দাখিল কৰে।

চন্দ্ৰকান্তসিংহ আৰু পৰশুৰাম বৰুৱাৰ চিঠি, আৰু বদনচন্দ্ৰৰ দৰখাস্ত আলোচনা কৰি ১৮১৬ চনৰ ৩০ মাৰ্চ্চ তাৰিখে গৱৰ্ণৰ-জেনেৰেলে স্কট্ চাহাবলৈ এই মৰ্ম্মে চিঠি লিখিলে,—"অসমত ঘটা ঘটনাবোৰ তুটা বিৰোধী দলৰ ষড়যন্ত্ৰৰ বাহিৰে আন একো নহয়, সেই কাজিয়াত বৃটিছ গৱৰ্ণমেণ্টে হস্তক্ষেপ কৰাৰ কোনো প্ৰয়োজন নাই। অনুমান হয় অসম ৰজাৰ নামে যি চিঠি আহিছে সেই বিষয়ে ৰজাই হয়তো একোকে নাজানে।" বদনচন্দ্ৰ বৰফুকনক কোৱা হ'ল যে তেওঁ যদি ইচ্ছা কৰে সিদ্ধিগিৰ গোসাঁইৰ বিৰুদ্ধে মুৰ্চ্ছিদাবাদৰ মাজিষ্ট্ৰেটৰ আগত গোচৰ ৰুজু কৰিব পাৰে; আৰু তেওঁক আশ্বাস দিয়া হল যে কোম্পানীৰ ৰাজ্যত থকা কালত কোনেও তেওঁক ধৰা-বন্ধা জুলুম-জবৰদস্তি কৰিব নোৱাৰিব।

এনে সময়ত, বৰ্ম্মাৰ ৰাজনৈতিক প্ৰতিনিধি এজনৰ লগত বদনচন্দ্ৰৰ চিনা-পৰিচয় হোৱাত তেওঁৰ লগত অমৰাপুৰলৈ গৈ বডোয়াফা ৰজাৰ আগত সকলো কথা কৈ বদনচন্দ্ৰই ৰজাৰ পৰা ৬০০০ সৈন্য লৈ অসম প্ৰবেশ কৰে; এই সৈন্যৰ লগত ৮০০০ দাঁতিকাষৰীয়া জাতিৰ সৈন্যই লগ ধৰি অসমলৈ আহে। বৰফুকন চৰাইদেও পৰ্ব্বত পাওঁ-পাওঁ হওঁতে পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ মৃত্যু হয়, তাৰ তুদিনৰ পাচত মানসৈন্য লৈ বদন বৰফুকনে যোৰহাট নগৰত সোমায়। ১৮১৭ চনৰ ১৭ মেই তাৰিখে স্কট্ চাহাবে গৱৰ্ণৰ-জেনেৰেললৈ লিখি পঠালে,—"যিজনা বৰফুকনে কেইমাহমানৰ পূৰ্ব্বে অসম ৰজাৰ হৈ আমাৰ ওচৰত সৈন্য খুজি দৰ্খাস্ত দিছিল, তেওঁ সম্প্ৰতি সসৈন্যে অসম সোমাইছেহি। শুনা গৈছে যে অসমৰ

স্বৰ্গদেৱে মানৰ সহায় পাই মানৰজাৰ কৰতলীয়া হবলৈ গাত লৈছে।"

বদনচন্দ্ৰই মানদেশলৈ গৈ মানৰজাৰ পৰা সৈন্য আনি চন্দ্ৰকান্ত আৰু বডোয়াফা ৰজাক মিত্ৰতাসূত্ৰে বন্ধাৰ বিষয়ে অসমত থকা মানৰ সেনাপতি মিঙ্গিমাহা তিলোৱাই ১৮২১ চনৰ নবেম্বৰ মাহত স্কট্ চাহাবলৈ লিখিছিল,—

"আমাৰ মহাৰাজে উনপঞ্চাচখন দেশত ধৰ্ম্মৰ বাণী প্ৰচাৰ কৰিব লাগিছে। সকলো শ্ৰেণীৰ মানুহৰ প্ৰতি তেওঁ প্ৰেম আৰু দয়া দেখুৱায়, আৰু ব্যতিক্ৰম নোহোৱাকৈ সকলো জাতিলৈকে, এনেকি প্ৰত্যেকবিধ জন্তুৰ প্ৰতিও আমাৰ মহাৰাজাৰ মমতা অসীম। ভগবানৰ বাণী অন্বয় কৰা কাৰ্য্যত আমাৰ মহাৰাজে অশেষ পৰিশ্ৰম স্বীকাৰ কৰে। এনেহেন মহাৰাজৰ চৰণৰ সোণোৱালী তলুৱাৰ কাষৰত থিয় হল গুৱাহাটীৰ প্ৰধান শাসনকৰ্ত্তা গৰাকী। তেওঁ কলে যে অসমৰ ন্যায্য নৃপতি চন্দ্ৰকান্তসিংহৰ সকলো ৰাজক্ষমতা বুঢ়াগোহাঁয়ে অসম্ভ্ৰম কৰি কাঢ়ি লৈ গৈছে। স্বভাৱতে দয়াশীল আমাৰ মহাৰাজে চন্দ্ৰকান্তৰ আধিপত্য ন্যায়সঙ্গত বুলি উপলব্ধি কৰি আৰু তেওৰ প্ৰতিনিধিৰ আবেদন চৰিতাৰ্থ কৰিবৰ নিমিত্তে আদেশ দিলে যে চন্দ্ৰকান্তৰ শত্ৰুসমূহক ক্ষমতাচ্যুত কৰিব লাগিব, আৰু ন্যায্য অধিকাৰীক সুদৃঢ়ভাৱে সিংহাসনত বহুৱাব লাগিব। তাৰ উপৰিও, আমাৰ মহাৰাজে বলেৰে কাঢ়ি লোৱা ক্ষমতাক প্ৰশ্ৰয় দিয়াটো সদায় ঘৃণাৰ চকুৰে চায়। মহাৰাজে অনুসন্ধান কৰি জানিব পাৰিলে যে অসমৰ ৰাজ-ক্ষমতাৰ ন্যায্য অধিকাৰী হৈছে চন্দ্ৰকান্তসিংহ। এই আদেশ অনুসৰি মগাং, বামো আৰু মগিং এই তিন ৰাজ্যৰ ৰজাক, প্ৰত্যেককে পাঁচ-হেজাৰ সৈন্য দি, বুঢ়াগোহাঁইৰ বিৰুদ্ধে পঠোৱা হল। চন্দ্ৰকান্তৰ ৰাজ-ক্ষমতা পুনৰ উভতি আহিল, আৰু তেওঁ সিংহাসনত অধিষ্ঠিত হ'ল। কৃতজ্ঞতাৰ চিনস্বৰূপে চন্দ্ৰকান্তই আমাৰ মহাৰাজৰ অন্যান্য

প্ৰজাৰ দৰে নিজকে তলতীয়া বুলি স্বীকাৰ কৰিলে, আৰু জীয়েকক মহাৰাজলৈ উপহাৰ দিলে; লগত যৌতুক দিলে,—ৰণলৈ নিব পৰাকৈ শিক্ষাপোৱা দুকুৰি হাতী, আৰু বিবিধ দ্ৰব্য-সামগ্ৰী।"

চন্দ্ৰকান্তক সিংহাসনত সুদৃঢ় কৰি মানসৈন্য দেশলৈ উভতি যোৱাৰ পাচত বদনচন্দ্ৰই মন্ত্ৰীফুকন হৈ ৰাজ্য চলাবলৈ ধৰিলে। শ্ৰীনাথৰ সলনি ধনী ৰাজখোৱা বৰবৰুৱা হ'ল, নৰহৰিৰ ঠাইত হাতকটা নিৰ্ভয়নাৰায়ণ বৰগোহাঁই হল। ১৮১৮ চনৰ আগষ্ট মাহত এওঁলোক দুজনাৰ লৈতে চন্দ্ৰকান্তসিংহই বদনচন্দ্ৰক মাৰিবৰ নিমিত্তে পৰামৰ্শ কৰিলে। মন্ত্ৰীফুকনক হত্যাৰ কামত ৰূপচিং চুবেদাৰ আৰু ৰহমন খাঁ জামাদাৰক নিযুক্ত কৰা হল। এদিনা বদনচন্দ্ৰই নৈৰ পাৰত প্ৰাতঃকৃত্য কৰি থাকোঁতে চুবেদাৰ আৰু জামাদাৰ দুয়ো আহি বদনচন্দ্ৰৰ কাষৰত থিয় হ'ল। বদনচন্দ্ৰই সুধিলে,—"তহঁত ক'ৰ পৰা আহিছ আৰু কলৈ যাব?" সিহঁতে কলে বোলে—"আমি মন্ত্ৰীফুকনক চালাম দিবলৈ আহিছোঁ।" এনে বোলাত বদনচন্দ্ৰই নিসংকোচে গা-মুখ ধুবলৈ ধৰিলে। এনেতে ৰূপচিঙে ডিঙিত তৰোৱালেৰে কোব মাৰিলে, সেই আঘাতত বদনচন্দ্ৰ বাগৰি পৰিল, তাৰ পাচত জামাদাৰৰ আঘাতত বদনচন্দ্ৰৰ মৃত্যু ঘটিল। মৰণৰ পূৰ্ব্বক্ষণত বদনচন্দ্ৰই ৰজা, দেশ আৰু হত্যাকাৰীৰ প্ৰতি অভিসম্পাতৰ বাণী উচ্চাৰণ কৰিছিল।

বদনচন্দ্ৰ আৰু মানৰ দিনৰ বিষয়ে সকলোখিনি নতুন কথা ইয়াত লিখিবলৈ গলে পুথিৰ আকাৰ দীঘল হৈ পৰিব। বৰ্ত্তমান সম্পাদকৰ দ্বাৰা প্ৰণীত "ইংৰাজ-অসমৰ লেনদেনৰ বুৰঞ্জী" শীৰ্ষক দীঘলীয়া ইংৰাজী গ্ৰন্থত এই বিষয়ে বিস্তৃত বিৱৰণী দিয়া হৈছে। "তুংখুঙীয়া বুৰঞ্জীৰ" ইংৰাজী অনুবাদৰ শেহছোৱাতো এই বিষয়ে কিছু কথা পোৱা যাব।

পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ বিৰুদ্ধে চন্দ্ৰকান্তচিংহ, বদনচন্দ্ৰ বৰফুকন আদি কিছুমান মানুহৰ অভিযোগ আছিল যে তেওঁ ৰজাঘৰীয়া সৈন্যখিনি

নিজৰ অধীনলৈ আনি ৰজাক নামমাত্র কৰি ৰাখি নিজেই সকলো ৰাজক্ষমতাৰ অধিকাৰী হৈছিল। কিন্তু হৰনাথ সেনাপতি ফুকনৰ ভায়েক আৰু বদনচন্দ্র বৰফুকনৰ দদাইদেৱাক শ্রীনাথ দুৱৰা বৰবৰুৱাই তেখেতৰ "তুংখুঙীয়া বুৰঞ্জীৰ" এঠাইত লিখিছে,—

"এইৰূপে মহামন্ত্রী বুঢ়াগোহাঁই ডাঙৰীয়া দিচৈৰ কোঁঠতে থাকি অনেক মন্ত্রণা কৰি মানুহক খুৱাই-পিন্ধাই, বঁটা-বাহন দি উৎসাহ বঢ়াই ৰণ কৰাই, আৰু কুঠাৰ, কৰত, বৰশী, এইবোৰ নানাবিধ ভয়-ভ্রান্তি দেখাই মানুহ বশৱৰ্ত্তী কৰি ৰণ কৰাই আছিল। কিৰূপে দেশ-ৰাজ্য সুস্থ হৈ পূৰ্ব্বৱতে ৰক্ষা পৰিব আকে ৰাত্রি-দিনে ভাব কৰি থাকে ৺ক চিন্তি। আৰু ভাগি যি ভাল মানুহ দেশ-দেশান্তৰে সোমাই আছিল উপায় কৰি সেইবোৰ লগত ললে। সেইবোৰে সৈতে মিলি মোৱামৰীয়াক অনেকৰূপে ৰণ কৰি মহামন্ত্রী বুঢ়াগোহাঁই ডাঙৰীয়া দিচৈৰ কোৰত কোঠ কৰি বল।"

"মহামন্ত্রী বুঢ়াগোহাঁই ডাঙৰীয়াই অত্যন্ত চেষ্টা কৰি বচা, দৈয়াং, এই থলখানি ৰাখিছিল। পাচে মহা-আৰ্ত্ত হৈ ভগনীয়া তাতে সোমাই ৰলহি। পাচে ডাঙৰীয়াই সেই লোকসকলক প্রৱৰ্ত্তিবৰ বৃত্তি দি ৰাখে। কোনোক খুৱাই-বুৱাই ৺ৰ লগলৈ পঠাই দিয়ে। সেইবেলা মহামন্ত্রী বুঢ়াগোহাঁই ডাঙৰীয়া পক্ষীয়ে যেনেকৈ শিশু-চটকক পখাৰে আৱৰি ৰাখে সেইৰূপে ডাঙৰীয়াই ৰক্ষা কৰিছিল।"

প্রথমবাৰ মান অহাৰ পাচত মানৰে সৈতে মিত্রতা স্থাপন কৰিবৰ নিমিত্তে স্বৰ্গদেৱ চন্দ্রকান্তসিংহই তুংখুঙীয়া বগাকোঁৱৰৰ জীয়েক হেমো আইদেওক বডোৱাফা ৰজালৈ উপহাৰ দিয়ে। ইয়াৰ পূৰ্ব্বে আৰু পাচলৈকো ভালেগৰাকী অসম-জীয়াৰী মান-ৰজাৰ কাৰেঙৰ শোভাবৰ্দ্ধন কৰিছিল, তাৰ ভিতৰত এইসকলৰ নাম পোৱা যায়,—

ৰঙিলী, দুৱৰাৰ বৰম বৰুৱাৰ জীয়েক; হেমো আইদেও, বগাকোঁৱৰৰ জীয়েক; উপমা কুঁৱৰী; মিঙিমাহা তিলোৱাৰ লগত ১৮২০ চনত

অসমৰ পৰা গৈছিল ; তৰাৱতী, ধনী গোঁহাইৰ ভনীয়েক, ১৮২১ কি ১৮২২ চনত যোগেশ্বৰসিংহৰ পৰিয়ালৰ ধতুৱা গোঁহাইৰ লগত মানদেশলৈ গৈছিল। অতুলাদেৱী আইদেউ, অসম ৰজাৰ ভনীয়েক, ১৮১৫ চন; মঙ্গলাদেৱী, মগাওঁ কোঁৱৰৰ মাক, ১৮১৮ চন; দাবৰা আইদেউ, অতুলাদেৱীৰ ভনীয়েক, ১৮২২ চন; শ্ৰীকুঁৱৰী আইদেও, অতুলাদেবীৰ ভনীয়েক, ১৮২২ চন; আৰু মানৰজা মিনদনমিনৰ কুঁৱৰী, ১৮৫৩ চন।

—শ্ৰীসূৰ্য্যকুমাৰ ভূঞা, ইং ২৬।৫।১৯৪৮।

বৰফুকনৰ গীত

প্ৰথম আধ্যা। অসমত মান।

আই সৰেচণ্ডী, দেৱী পাৰেৱতী,
তোমালৈ বঢ়াই যাওঁ শৰাই,
পাহৰা পদকে সোঁৱৰাই দি যাবা,
যেনে বৰা-ধানৰ কৰাই।

আই সৰেচণ্ডী, দেৱী পাৰেৱতী,
তোমালৈ বঢ়াই যাওঁ মলা,
পাহৰা পদকে সোঁৱৰাই দি যাবা,
যেনে পাঁজি-কটা শলা।

আই সৰেচণ্ডী, দেৱী পাৰেৱতী,
তোমালৈ বঢ়াই যাওঁ কাকৈ,
পাহৰা পদকে সোঁৱৰাই দি যাবা,
যেনে বৰা-ধানৰ আখৈ।

আই সৰেচণ্ডী, দেৱী পাৰেৱতী,
তোমালৈ বঢ়াই যাওঁ চাউল,
পাহৰা পদকে সোঁৱৰাই দি যাবা,
গীতৰ ভাঙ্গি যাবা আউল।

ওপৰে উৰিলে   বতাহ বৰষুণে,
সাতোসাগৰৰে ৰেৱা,
আই সৰেচতী,   কামাখ্যা গোসানী,
কৰোঁ নীলাচলত সেৱা।
নীলাচলৰ আই,
পাৰ্থনা কৰোঁ মই   নধৰিবা দায়।
কপালৰ ভাগ,
পাইছোঁ ৰাইজক ইয়াতে লাগ।
লাই কুমলীয়া   গৰুৱে খায়,
লফা কুমলীয়া বেৰোঁ,
ঘিণাই বৰফুকনৰ   পদ গাই শুনালে
আধলি হ'লেহে এৰোঁ।
ৰাইজৰ গুচক পাপ,
তাকৰকেও দিয়ক চাৰি-অনাৰ বাব।
সৰেচতী আই, মই   পাৰ্থনা কৰিলোঁ
তোমাতে ৰহোক চিত,
দেউতা ডাঙৰীয়াই   দিয়ক পাঁচে-মহা
মই গাওঁ ফুকনৰ গীত
কপালৰ ভাগ,
পাইছোঁ দেউতাক ইয়াতে লাগ।

সত্য দোৱাপৰ   ত্ৰেতা কলি
তিনি চাৰি যুগ গ'ল,

অসমৰ দেশত, দেউতা, মন্ত্ৰী নাইকিয়া,
বুঢ়াগোহাঁই অৱতাৰ হ'ল !
চাৰি দিশলৈ চায়,
দেখে বুঢ়াগোহাঁয়ে শতুৰু নাই।
পূবলৈ চায়,
দেখে বুঢ়াগোহাঁয়ে শতুৰু নাই।
"কিনো কম পাচে ?
ভাটীৰ বৰফুকনদেউ শতুৰু আছে।
প্ৰজাই মাৰে হাই,
ফুকনে নামাৰিলে মাৰোঁতা নাই।
কাৰ আগত কম ?—
লোৰৱ ডিঙ্গৰাত ধৰি বন্দী কৰি থম।"
মোক পেলোৱা কাটি,
পৰ্ব্বতীয়া ফুকনক অনালে মাতি।
"কোনে বোলে নে ?
ভাটীৰ বৰফুকনক ধৰি আনি দে।
ধৰিবি বেৰি,
ধন খাই ফুকনক নাহিবি এৰি।
তামোল খাবৰ শৰাই,
আনিবি বৰফুকনক ডিঙ্গৰাত ভৰাই।
ভাল মুখে মাতিম,
ধৰি দিব পাৰিলে ফুকন তোকে পাতিম।

তামোল দিব খাবি,
মনে-মনে, ফুকন, তই নাৰেৰে যাবি।
বস্তু লবি ওঙ্গ,
কেনেবাকৈ পাব বৰদেউতা গাভৰুৰে বুজ।”

মনত চোৰা গুণি,
কোনোবা পৰীয়াই আছিলে শুনি।
ই কথা ছলে,
লৰৰ বেগত দেউতাক পৰীয়াই কলে।

“ৰামৰ সীতা ৰাৱণে নিলে হৰি,
কালিলৈ তোমাৰ বাপেৰক আনিব ধৰি।
সাপে ভেকুলী গিলে,
পৰ্ব্বতীয়া ফুকনক ৰাতিয়েই পঠিয়াই দিলে।

তামোল খাবৰ শৰাই,
আনিব বাপেৰক লোৰৰ ডিঙ্গৰাত ভৰাই।”
চৰাই কৰে চিউ,
কথা শুনি জীয়েকৰ উৰি গল জীউ।

“এই কথা বুজোঁ,
এটা বুধি ক তোতে সোধোঁ।
জবাৰ কোমল জিম,
পিতালৈ বাতৰি কেনেকৈ দিম?”

“নেথাকিবি বৈ,
আন্ধাৰৰ কোঠাত, আইটী, কান্দিবি তই।

বাপেৰ জীৱ,
মৰম লাগিলে চিঠিখন লিখিয়েই দিব।"
আছিলে বৈ,
আন্ধাৰৰ কোঠাত তাই কান্দিলে গৈ।
"কোনেনো ছান্দে?
আজি দেখোন দেউতা-গাভৰুৱে কান্দে!
কাটি খাবৰ জৰা,
লাগে যদি আনি দিওঁ সৰগৰ তৰা।
নেমাৰিবি হাই,
জগতখন আছে মোৰ হাততে পাই।
ঘিণাই বৰফুকনৰ জী,
মোৰনো বোপায়ে কৰিলে কি?"
"চাঁচিলে শাল,
বাপেৰ বুঢ়াগোঁহায়ে দেউতাক নাপালে ভাল।
জৰাৰ কোমল জিম,
মোক থৈ যাবৰ নহ'ল তিনি দিন।
এই কথা ব'লে,
সাতখন চ'ৰাৰ বস্তু এৰি থৈ গ'লে।"
"নেমাৰিবি হাই,
বোপাই মন্ত্ৰী হৈ গাভৰুত লগাইছে দায়।
বাপেৰ যাব সাৰি,
মোক মাৰিলে হ'বি তই বাঁৰী।"

“কিয় মাৰ হাই,
একো আহোনৰ পিতা-মাতা নাই।
নেমাৰিবি হাই,
পিতেকৰ মঙহক বাপেকে খায়।
কাতৰ কৰোঁ,
লেখা নিদিলে, বঙহদেউ, টেটু কাটি মৰোঁ।”
কান্দোনত নোৱাৰি ঢেকিয়াল ফুকনে
পাটীত লাফে মাৰি উঠে,
ঘিউৰ চাকি লগাই ঢেকিয়াল ফুকনে
চিঠিখন লিখিয়েই দিলে।
কোনে বোলে জীলে,
চিঠি লিখি আনি গাভৰুক দিলে,
এ দেউ ৰ’ল,
চিঠি লৈ গাভৰু ভিতৰলৈ গ’ল।
আছিলে বৈ,
আন্ধাৰৰ কোঠাত তাই কান্দিলে গৈ।
কান্দিবলৈ ধৰিলে ফুকনৰ জীয়েকে
গুৱাহাটী ৰাজ্যলৈ চাই,—
“দেউতা বোপাইলৈ বাতৰি দিওঁ কেনেকৈ,
মোৰ জানো সাৰথি নাই?”
মোক পেলোৱা কাটি,
বুকুৰ বকুৱাক অনালে মাতি।

"বুৰুক নহবি খোৰা,
শালত বাচি লবি ভাল চাই ঘোৰা।
কাপোৰ লবি গাত,
গুৱাহাটী চহৰত খাবিগৈ ভাত।
মোৰ কপালৰ ভাগ,
হবিগৈ তই একদণ্ডৰ আগ।
এই কথাতে ৰ'ল,
পৰ্ব্বতীয়া ফুকনদেউ কালিয়েই গ'ল।"

একোদিনাপতি ভাটীৰ বৰফুকনে
বোলে,—"মই কেঁচাই-খোৱাৰ বঙহ,
শুনিছা, শুনিছা, অ' বৰগাভৰু,
লৰে বাওঁবাহুৰে মঙহ।"
কপালৰ ভাগ,
পালেগৈ ফুকনক ঘাটতে লাগ।
আছিলে বৈ,
নানা বম্ববস্তুৰে ৰোজ ধৰিলেগৈ।
আছিলে চাই,
খাৰ-ঘৰৰ মুখত দিলে বাহৰ সজাই।
"এই কথাটি তৰ,
আজিয়েই ফুকনক ধৰ।"
"কালিলৈ বোলে লৰিম,
প্ৰভাতৰ সময়ত ফুকনক ধৰিম।

আমাৰ কথাটি ৰওক,
লৰা-তিৰোতাৰে আজিৰ সাজ খাওক।
তেওঁৰ কথাটি ৰওক,
জগতৰ ধৰণী মুকলি হওক।"
পৰ্ব্বতীয়া ফুকনে পাতিলে ওৰা,
বুৰুকে বান্ধিলে দুৱাৰত ঘোঁৰা।
কপালৰ ভাগ,
পালেগৈ বুৰুকে দেউতা ঈশ্বৰক
চাংমাই শালতে লাগ।
চাংমাই শালতে বুৰুক সোমালে,
"জকুল চাওদাং কাট,"
বুৰুকে বোলে "দেউ, সৰ্ব্বদেউ ঈশ্বৰ অই,
চিঠিখন চাই মোক কাট।"
কোনে বোলে বাথু,
ফুকনৰ আগত সি লগেগৈ আঠু।
বৰফুকন জীলে,
চোলাৰ জেপৰ পৰা চিঠিখন দিলে।
নেমাবিলে হাই,
লাব চাব মেলি চিঠিখন চায়।
কোনে বোলে ৰ'ল,
চিঠি দেখি ফুকনদেউ বিমূৰ্চ্ছিত হ'ল।
দলি মাৰে কাপোৰ,

কপালত মাৰিলে তিনটা চাপৰ ।
"মোৰ গা ৰ'ল,
জন্মি, পিয়লি, মুমলি মাউৰা হ'ল ।
মোৰ কি গতি হ'ল,
জন্মি, পিয়লি, মুমলি অকালন হ'ল ।
মোক জীয়ালে,"
বুকুকৰ বকুৰাক খাবলৈ দিলে ।
এ দেউ ৰ'ল,
উঠিয়েই ফুকনদেউ ভিতৰলৈ গ'ল ।
ই কথা ৰ'লে,
গাৰু গিলিপত চিঠিখান থ'লে ।
এ দেউ ৰ'ল,
আন্ধাৰৰ কোঠালীত দেউতা সোমাই গ'ল ।
আছিলে বৈ,
আন্ধাৰৰ কোঠাত দেউতা কান্দিলেগৈ ।
"তামোল কাটি দিওঁ খোৱাঁ মোৰ বঙ্গহদেউ,
পানী আনি দিওঁ খোৱাঁ,
কাপোৰৰ ভিতৰত কান্দা মনে-মনে,
কি হল বাতৰি কোৱাঁ ।"
"টাটিৰ আগৰ কোৱা,
আজি নীলাচলত পৰিছে বেৰা ।
নীলাচলৰ বেৰা,

ভৰিত ধৰি গাভৰু কৰি ল সেৱা।
নহবি বাজ,
নগৰখন ৰাখি তই গাভৰু থাক।
নহবি দুৱাৰডলি বাজ,
বছৰেকৰ মূৰত তই কৰিবি কাজ।”
পেলোৱা কাটি,
উদয়চিং বঙ্গালক অনালে মাতি।
“উদয়চিং জীলোঁ,
এই তিনি বেটা তোকে দিলোঁ।
জুৰি ষাম ভেশ,
অসমৰ এটা চুক, বোপাই, লৈ দিম দেশ।
নধৰিবি দোষ,
আপদ কালত, বোপাই, নেবিবি মোক।”
কথা ক’লে টানি,
বিশ্বাসী কথা দেউতাই নকলে ভাঙ্গি।
কথা ক’লে ৰাতি,
জালোৱা ডোমক তেওঁ অনালে মাতি।
কোনে বোলে জীলে,
তেতিয়া সিহঁতক মহলা দিলে।
“কোনে বোলে ৰিবি,
জালোৱা নাৱেৰে পাৰকৈ দিবি।”
কোনে বোলে আঁৰ,

পালী-পহৰীয়াই নাপালে সাৰ।
কথা হল টান, ২১৬
সবাকো হানিলে নিদ্ৰাবাণ।
নহবলৈ হ'ল,
পানীগঁড় সোলকাই ভটীয়াই গ'ল।
লৰাই কান্দে আই, ২২০
আজি দেখোন ফুকনদেউতা
পাটীতো নাই।
নেপালে সব,
চাকি লগাই চালেগৈ মৰঙৰ ঘৰ। ২২৪
নেমাৰিলে হাই,
শৌচৰ ঘৰতো ফুকনদেউ নাই।
এ দেউ ৰ'ল,
চ'ৰা মাৰি ফুকনদেউতা ভটীয়াই গ'ল। ২২৮
কাউৰীয়ে কৰিলে কাও,
নেপাই-নথৈ গাভৰুৱে জুৰিলে ৰাও,—
"নিপিঙ্কো খাৰু,
আজি শুদা হ'ল মোৰ পালেং গাৰু। ২৩২
কাৰ খালোঁ ধাৰ,
আজুৰি ছিঙ্গিম মই সোণৰ হাৰ।
ক'ত গলা দূৰ,
মলছি পেলাওঁ মই শাঁকে-সেন্দুৰ। ২৩৬

মাছ মৰাই থ'লোঁ,
তোমাৰ অবিহনে বাঁৰী হ'লোঁ।
মনে-মনে গুণে,—
দেউতা অই, জামুকলী ম'হৰ গাখীৰ
খাব কোনে ?"
ৰাজ্যৰ কি গতি হ'ল,
গুৱাহাটী নগৰখন, দেউতা, এদানি হ'ল !
নহবলৈ হ'ল,
চম্তুৰী চিপাহী, দেউতা, এদানি হ'ল !
দুখৰ উপৰি দুখ, ৰাইজসকল,
দুখৰ উপৰি দুখ,
কুকুৰে কামোৰে, ছৰালে দ'লিয়ায়,
ক'তো নিমিলে সুখ !

এ দেউ ৰ'ল
চ'ৰা মাৰি ফুকনদেউ ভটীয়াই গ'ল।
কোনে বোলে ৰ'ল,
চিৰি-লুইতে ফুকনদেউ ভটীয়াই গ'ল।
কোনে বোলে এদা,
পৰ্ব্বতীয়া ফুকনে চোলেঙ্গী নাৱেৰে
দিলে পাচে-পাচে খেদা।
নগৰৰ হল বাজ,
পোনাই গৈ পালেগৈ কলিকতা ৰাজ।

এ দেও, লওঁ মতা মহৰ বাথু,
জন্মি পিয়লি মুমলি চাৰিও সেনাপতি
ঘপৰাই লগেহি আঁঠু।
এ দেউ, কিনো মাছ মাৰিবৰ শল,
ঘিণাই বৰফুকনদেউ ভটীয়াই গ'ল।
এ দেউ, কিনো মাছ মাৰিবৰ তোৰা,
বিলাতত ললেগৈ বিলাতী ঘোঁৰা।
এ দেউ, কিনো মাছ মাৰিবৰ নাৰ,
কলিকতাত থালেগৈ বিলাতী পাৰ।
এ দেউ, কিনো মাছ মাৰিবৰ এলেং,
গাত লৈ গৈছিলে গঁৰিয়লি চেলেং।
এ দেউ, কিনো মাছ মাৰিবৰ আৰি,
ঘিণাই বৰফুকনৰ নপকিল দাঁড়ি।
নেমাৰিলে হাই,
বিলাতৰ চাহাবক মাগে লেঢ়াই—
"কোনে বোলে দঁড়িল,
অতি ছোটকালে সখি কৰিল।
তোমাক মন দিলোঁ,
বুঢ়াগোহাঁই সহিতে সখি কৰিলোঁ।
কোনে বোলে ৰ'ল,
তাতে বুঢ়াগোহাঁয়ে চাঁচিলে হুল।"
"জবাৰ কোমল জিম,

মিত্ৰলৈ শত্ৰু কেনেকৈ দিম ?”
মুখে-মুখে চায়,
ইয়াত ফুকনদেউ লেচায়ো নাই।
বনত ধৰে জোঁকে,
লেচাই নিদিলে ধৰমৰ লোকে।
“নেথাকোঁ বহি,
ইয়াৰপৰা কোনোবাই নিবহি ধৰি।”
কথাত পালে চিনি,
ললে বৰফুকনে পানচৈ কিনি।
“ই কথা থওঁ,
ভটীয়াই যাম বুলি কাৰো আগত নকওঁ।”
বৰফুকন জীলে,
সাতোটা মাৰোৱাই চাহাবে দিলে।
“বোপাই উদয়চিং, ধৰি যাম বেশ,
অসমৰ এটা চুক লৈ দিম দেশ।
নধৰিবি দোষ,
আপদ কালত, বোপাই, নেৰিবি মোক।”
কান্দিবলৈ ধৰিলে ঘিণাই বৰফুকনে
উদয়চিং মুখলৈ চাই,
“আপদ কালত, বোপাই, মিত্ৰ নাইকিয়া,
তই হলি সোদৰৰ ভাই।
ভাল মুখে মাতিম,

দেশলৈ গলে, বোপাই, ভাল মানুহ পাতিম ।
নিদিবা হাক,
জন্মি, পিয়লি, নুমলিক খুৱাই ল ভাত ।”
সকলো কথা থলে,
জন্মি, পিয়লি, নুমলিক ভাত খুৱাই ললে ।
জুৰিলে ভেশ,
উজাইগৈ পালেগৈ মোগলৰ দেশ ।
নাৱত গল তিনি,
মোগলৰ নবাবে পালেহি চিনি ।
নকৰিলে আউল,
ঘৰাঘৰিকৈ তুলিলে চাউল ।
আছিলে বৈ,
বোজ দি মোগলে ৰবিলেগৈ ।
“নাৱত বস্তু থওঁ ।
দুদিন-তিনদিনমানে ইয়াতে ৰওঁ ।”
ভৰিত পিন্ধিবৰ খৰম,
বিদেশী মোগলে কৰিলে মৰম ।
ই কথা ব'ল,
তিনদিনৰ মুৰত ফুকন ভটীয়াই গ'ল ।
মোগলে কলে বুজাই,
চিৰি-লুইতেদি ধৰিলে উজাই ।
জুৰিলে ভেশ,

উজাই গৈ পালেগৈ ঘোৰামুৰা দেশ।
এ দেউ, ৰল,
সমুদ্ৰৰ মাজেদি পাল চৰাই গল।
এ দেউ, জুৰিলে ভেশ, ৩২৮
উজাই গৈ পালেগৈ এঠেঙ্গীয়া দেশ।
টাঁটিৰ আগত কোৰা,
ৰিণি-ৰিণি দেখিলে মানৰ ধোঁৱা
এ দেউ, ৰ'ল, ৩৩২
মানৰজাৰ ঘাটৰ ওচৰত ৰ'ল।
ওপৰে উৰিলে কৰচন কস্তুৰা,
লৰি তুলিলে লাই,
অসমৰ জীয়াৰী মানৰজাৰ কুঁৱৰী ৩৩৬
গা ধুই আছিলে চাই।
আছিলে বৈ,
মানৰ কুঁৱৰীক ফুকনে সুধিলেগৈ।
"কেনে ধৰা বেশ, ৩৪০
এইখন, আইদেও, কাৰনো দেশ?"
"আহিছা নদীৰ কূলে,
এইখন, বোপাদেউ, মানদেশ বোলে।"
"কাক বুলিম জেঠাই, ৩৪৪
কোনেনো দিব মানৰজাক ভেটাই?
ওপৰে জোন,

মোৰ বাতৰি সোধা তুমিনো কোন ?
আহিছোঁ নদীৰ কূলে, ৩৪৮
আইদেউ, অসমৰ ঘিণাই বৰফুকন
মোকে বোলে।
নিদিবা এৰি,
আঙ্গুলি দেখোন পাঁজিশেৰি। ৩৫২
বাঁহৰ মকাল,
গাটি দেখোঁ তোমাৰ কেতেকীৰ কঁকাল।
নধৰিবা দোষ,
পূৰ্ণচন্দ্ৰ যেন তোমাৰ এই মুখ।” ৩৫৬
আছিলে চাই,
“তোমাৰ লেখিয়া মন্ত্ৰী এই দেশত নাই।”
ওপৰে জোন,
মোৰ বাতৰি সোধা তুমিনো কোন ? ৩৬০
লাহে বোলে লি,
সৰুতে আছিলোঁ মই ডুৰবাৰ জী।
পাণৰ পুলি,
দিলে বুঢ়াগোহাঁয়ে লোক মানলৈ বুলি। ৩৬৪
আগেয়ে আছিলোঁ যোৱান,
কিছুমান শিকিলোঁ, ককাই, মানৰ দোৱান।”
ই কথা থ’লে,
কথাই-কথাই দুয়ো চিনাকি হ’লে। ৩৬৮

তামোলৰ পুলি,
নিলে হাতত ধৰি বামলৈ তুলি।
অন্নে পানী ৰান্ধে,
দুইৰো ডিঙ্গিত ধৰি দুয়ো কান্দে।
"জবাব কোমল জিম,
ছনাহৰ মুৰত, ককাই,ময়ে বণ দিম।
কোনে বোলে হয়,
নগৰখন দেখি ককাই নকৰিবা ভয়।
নেমাৰিবা লৰ,
চাৰি-চকি বাহিৰে লোহাৰ গঁড়।
তলত কাঁহৰ বেৰ,
ৰবচ'ৰাৰ ওপৰত ম'ৰাপাখীৰ খেৰ।
ওপৰত আৰিছে বেল,
তাৰ তলত কৰে বৰ্ম্মাৰজাই মেল।"
ই কথা থ'লে,
ককায়েক ভনীয়েক দুয়ো ঘৰলৈ গ'লে।
আছিলে চাই,
পোনেই দিলে বৰ্ম্মাৰজাক ভেটাই
"ওপৰে জোন,
পাছত আনিছা সেইটো কোন?"
পাচলৈ থ'লে,
দোৱানে-দোৱানে কথা বুজাই ক'লে।

“নিনিবা পকাই,
সত্যে-সত্যে বোলোঁ আপোনাৰ ককাই।”
বহিবলৈ দিলে পালেং-পীৰা,
খাবলৈ দিলে দোৱাই-ভজা চিৰা।
মধ্যম ৰাতি,
পানী খাবলৈ দিলে মাইহাঙ্গ বাটি।
তুয়ো কৰে ৰং,
তেতিয়াই উঠিল ভনীয়েকৰ থং।
সাজিলে পজা,
“আসামৰ দেশত মোৰ ককায়েহে ৰজা।”
আছিলে বৈ,
একেখন সিংহাসনত বহুৱালেগৈ।
আগত দিলে বটা,
সোধে বৰ্ম্মাৰজাই ফুকনৰ কথা।
“নধৰিবা দোষ,
বাটতনো ৰাক্ষসে নেপালেনে তোক?”
“তিৰোতা হল বাৰী,
যেনে-তেনেমতে আহিছোঁ সাৰি।”
ভাল ঘৰৰ নাতি,
আগত বান্ধি দিলেহি দঁতাল হাতী।
কথা কলে ৰাতি,
তিনিলাখ মানক অনালে মাতি।

ফুকনদেউ জীলে,
তিনটা পুতেকক তিনটা ঘোৰা দিলে।
ফুকনদেউ ৰ'লে,
দা-জাঠি ডেৰহাজাৰ তিনিটাক দিলে।

এ দেউ, ৰ'ল,
ৰাজসম্পত্তি ফুকনদেউৰ হ'ল।
নেৰিলে কেও,
মাৰে বৰ্ম্মাৰজাই চাৰিটা দেও।

কিনো লম সঁচ,
দুফালে দুজোপা শাল তাল গছ।
এ দেউ, দেশত লাগিল কলি,
ডুকুৰি বগামহ দেউতাই দিলে বলি।

নেমাৰিলে হাই,
হাঁহ, ছাগ, পাৰ, দেউতা, লেখজোখ নাই।
মহবলৈ হ'ল,
আসামৰ গছজোপা উভলি গ'ল।

নেজানিলে কেও
মাৰে বৰ্ম্মাৰজাই তিনটা দেও।
"সৰুপানী ছোৱাম,
বাপেকৰ মঙ্গহক পুতেকক খুৱাম।

কোনে বোলে জানিম,
এবেলি আসামৰ ৰজাটো আনিম।

হয় আমাক নিবি,
দেশলৈ গলেনো কি কি দিবি ?” ৪৩৬
“তোমালোকক নিম,
প্ৰথমতে ৰংপুৰৰ সোণৰ ৰূপৰ ডুখন গোলা দিম।
জৰাৰ কোমল জিম,
বগী বগী ছোৱালীবোৰ তোমালোকক দিম। ৪৪০
ভাল কৰি নিম,
সৰু সৰু ছোৱালীবোৰ তাৰ লগত দিম।
নগাই লৰৰ হোৰা,
দেশলৈ নিলে দিম চেমনীয়া লৰা। ৪৪৪
পৰিছে টান,
একোটা একোটা পহু দিম কুলা হেন কাণ।
কৰিবি খেত,
একোটা পহু দিম গাহৰিৰ পেট। ৪৪৮
ভালকৈ নিম,
একোটা পহু দিম আঁকোৰা শিং।
ফুকনদেউ জীলে,
কামিনী ফুকনক পাৰকৈ দিলে। ৪৫২
এ দেও ৰ’ল,
যোৰহাট সোমায়েই বাঘটো হ’ল।
কিহেনো খালে,
বৰচ’ৰাৰ মুখৰ পৰা ভুমুকিয়াই চালে। ৪৫৬

হাঁড় নাইকিয়া জিবা,
নহয় বনৰজা কৰবাৰ কিবা।
প্ৰজাই মাৰে হাই,
হাবিতো খেদিলে পাবলৈ নাই। ৪৬০
কিহেনো থালে,
ৰংপুৰ নগৰখন ভুমুকিয়াই চালে।
জুৰিলে ভেশ
একদণ্ডে পালেগৈ মানৰজাৰ দেশ। ৪৬৪
এ দেও ৰ'ল,
অসমৰ কথা শুনি মানৰজা উত্ৰাৱল হ'ল।
উজাই বুৰে দিলে শিহু কি ঘঁড়িয়াল,
ভটীয়াই বুৰে দিলে কাছে, ৪৬৮
অসমৰ দেশত, দেউতা, মন্ত্ৰী নাইকিয়া,
অকল বুঢ়াগোহাঁই আছে।
আমাক মাৰে হাই,
দেখে বুঢ়াগোহাঁই সাৰথি নাই। ৪৭২
ফৌজ পাতি ৰ'ল,
কাঠৰ ভুৰ সাজি মান পাৰ হ'ল।
"তামোল কাটি দিওঁ কোঁচে ভৰাই,
নৈ পাৰে হৈ খাবা, ৪৭৬
যেতিয়া পাবাগৈ অসমৰ ছোৱালী
আমালৈ পাহৰি যাবা।"

কোনে বোলে জীলে,
মানৰ কটকী চাইটা পঠিয়াই দিলে। ৪৮০
"দেশখন কেনে,
খৰিভাৰী তেলীয়াক কৰিবি চেনেহ।"
কপালৰ ভাগ,
পালেগৈ হুজুৰাক বাটতে লাগ। ৪৮৪
এ দেউ ৰ'ল,
চিঠি লৈ হজুৰা বুঢ়াগোহাঁইৰ গুৰিলৈ গ'ল।
আছিলে চাই,
চিঠিখন দিলেগৈ আগত পেলাই। ৪৮৮
আজি কিনোবাৰ দেউ,
চিঠিখন মাতোঁটা নহলে কেও।
কোব মাৰি কাটে,
চিৰিঙ্গৰ ফুকনে চিঠিখন মাতে। ৪৯২
"সভাসদ, নেমাৰিবা হাই,
এবেলি, সৰ্কদেউ, ৰক্ষা নাই।
সৰ্কদেউ, পৰ্ব্বত মিৰি,
সাতোটা পৰ্ব্বত আহিছে জুৰি। ৪৯৬
মাৰিছে হাই,
হেজাৰ পূৰা চাউল আৰু একেসাজে খায়।
মাৰি খাবৰ গৰু,
সবাকো কৰিব একেটা চৰু। ৫০০

সৰিয়হৰ ফুল,
বামুণ কলিতাৰ আৰু মাৰিব কুল।
মনে গুণি চাবি,
সাদিনৰ মূৰত ৰণ দিবলৈ যাবি।

নেথাকিবা শুই,
ৰাজ্যৰ বৈৰী ভাটীৰ বৰফুকনে ঘৰতে লগাইছে জুই।"
অনেক গুণনি ধৰিল বুঢ়াগোহাঁইৰ,
উঠিল মাজে-নিশা ৰাতি,

পৰম হিতকাৰী চাৰি সেনাপতি
তেতিয়াই অনালে মাতি।
"তামোল দিওঁ খা,
কৰ ৰণ আহিছে ওলাই চা।"

হাতত তামোল লৈ খালে,
চাৰি সেনাপতি গুলায়ে চালে।—
"গাত ক'লা চোলা,
আগলৈ খোপা বন্ধা,

কাউৰীয়ে কৰিবৰ কাও,
তলকাছ নাইকিয়া তিৰোতাৰ ভাও।
দেউতা, চৰাই কৰিবৰ চিঁউ,
নিচিনি-নাজানি কৰবাৰ কিউ।"

মনে গুণি চালে,
সাতোটা পিতেকক মাতি আনিলে।—

"কি হৈছে চাবি,
আপোনাৰ দেশক, বোপাই, পালি-পাচি খাবি।
সকলো কথাখিনি হ'ল,
ইমান দিনত মোৰ চাউল টুটি গ'ল।
সকলো কথাখিনি হ'ল,
চাবে-দিয়া গাখীৰত মোলান পৰিলে,
সোন্দাকল মৰহি গ'ল।
জুৰি যাম ভেশ,
মই মৰিলে লুটি খুৱাব দেশ।
সকলো বস্তুখিনি থবি,
মোৰ কাজ দহা, বোপাই, আগেয়ে কৰি লবি।"
এ কি অহলে হ'ল,
কদমৰ তলেদি মানবোৰ গ'ল।
আৰু কি কথা হ'ল,
কালহীৰা চেলেকি বুঢ়াগোহাঁই নবকী
ৰাতিয়ে সৰকি গ'ল।
তাঁত ববৰ তাঁতী,
ওঠৰ কোম্পানী বঙ্গালক অনালে মাতি।
যি হ'ল হ'ল,
মাছহাটৰ কাষৰত পাতিলে দ'ল।
তাতে থ'লে,
পিতেকইঁতে পথালি গামোছা ল'লে।

"চিপাহী সকল বহ,
ধনভঁৰাল মেলি মাহিনা ল।"
এদেউ ৰ'ল,
চানমাৰি চিপাহী ৰণলৈ গ'ল।
দেশৰ পৰা নেৰাওঁ,
কাউৰী শগুনে কৰিলে আৰাৱ।
অমঙ্গল চোৱা,
দিনদুপৰত দিলে শিয়ালে হোৱা।
কিহেনো খালে,
খৰিভাৰী তেলীয়াক বাটত লগ পালে।
কোনে মাৰে হাঁছি,
আগতে দেখে চূণ-পোহাৰীৰ পাচি।
এদেউ ৰ'ল,
অমঙ্গল কাতিকৈ ৰণলৈ গ'ল।
বজালে দেমা,
ফুলপানী দুয়োপাৰে হ'লগৈ জমা।
অগৰ কথা পৰিল মন,
সাদিন সাতে-ৰাতি কাৰো নাই অন্।
চিপাহী আছিলে চাই,
খাৰ নিছিগাকৈ বন্দুক দিলে উৰাই।
এদেউ ৰ'ল।
খাৰ নাইকিয়া বুলি আমাৰ সেনাপতি

সৰুগোহাঁই অফলীয়া হ'ল।
আছিলে চাই,
নিজসেনাৰ ভিতৰত লাগিলে হাই,
বুঢ়াগোহাঁইৰ পিতেকক মাৰিবৰ নিমিত্তে
সৰুগোহাঁয়ে মাৰিলে হাই।
এদেউ ব'ল,
বণুৱাৰ খোজেৰে দলদোপ হ'ল।
আছিলে চাই,
ভাগিল ভাগিল বুলি মাৰিলে হাই।
অসমৰ ফৌজ ভাগিল,
দা-যাঠি পেলাই হাতেৰে লাগিল।
এ মান গুজই তৰা,
লাগিল কটাকটি দেশৰ পৰা।
ৰাজ্যৰ কি গতি হ'ল,
চিপাহী মূৰেৰ বান্ধিলে দ'ল।
নহবলৈ হ'ল,
চিপাহীৰ তেজেৰে নদী বৈ গ'ল।
কঁকালত বান্ধিলে বোৰা
বাৰে চিং-চিপাদাৰে মেলিলে ঘোঁৰা।
এদেউ ব'ল,
মান পাচে-পাচে খেদিয়েই গ'ল।
ফুলপানী-ছিগাত ৰণ ভাঙ্গিল,

দণ্ডকৰ ভিতৰত যোৰহাট নগৰখন,
কেউপিনে তলবল লাগিল।
দেশৰ পৰা নেযাওঁ,
চাৰি-আলিৰ গৰিয়ানী কৰিলে আৰাও। ৫৯২
মেলি চালে চুলি,
মাৰে থিয় কিল ধন দে বুলি।
কঁকালৰ উলিয়াই ৰেট,
ধন নেপাই ক'তোৰ ফালিলে পেট। ৫৯৬
পেট ফালি চালে,
কলাডিল উলিয়াই খৰিকা দি খালে।
নেমাৰিলে হাই,
কতনো কাটিলে বাটত লগ পাই। ৬০০
ই কথা ৰ'ল,
কটা মানুহৰ তেজেৰে চেউনী আলি ৰঙা হৈ গ'ল।
আছিলে চাই।
কামিনী ফুকনে ললে মান গোটাই। ৬০৪
এনে মতে তৰিল,
পদৰ ভঙ্গিতা, দেউতা, ইমানতে পৰিল।
সৰেচতী আই, মই পাৰ্থনা কৰিছোঁ
তোমাতে ৰহোক চিত, ৬০৮
সকলো সভাসদ, দায় নধৰিবা
মই থওঁ ফুকনৰ গীত॥

তাঁতীৰ হাতৰ কাপোৰখনে জগতখন জুৰিলে,
তথাপি তাঁতীৰ গা উদি,
ঘিণাই বৰফুকনক মাৰিবলৈ ধনী বৰবৰুৱাই
ৰাজমাওক সুধিলে বুধি।
তাঁত ববৰ তাঁতী,
আনে ৰাজমাৰে ফুকনক মাতি,—
"ই কথা থোৱা,
বিদেশলৈ গৈছিলা কেনেকৈ
মোৰ আগত কোৱা।"
"ই কথা থওঁ,
কেনেকৈ গৈছিলোঁ, পেহী,
তোমাৰ আগত কওঁ।
এনেকৈ তৰোঁ,
বৰটোপৰ গুলিতো হাত পাতি ধৰোঁ।
কোনে বোলে ৰা,
কুবিয়াই থাকিলেও নোসোমায় দা।
ই কথা কওঁ,
পানীত পৰিলে মই ওপঙ্গি ৰওঁ।
ই কথা থওঁ,
দেহৰ কথাষাৰি তোমাৰ আগত কওঁ।

দাত মাৰিবৰ চিৰি,
কঁকালত আছে মোৰ ছ-অঁৰা বিৰি। ৬৩২

কথাষাৰি কঁও,
শৌচৰ বেলিকা আঁতৰাই থওঁ।
ই কথা থওঁ,
সত্যে সত্যে, পেহী, তোমাৰ আগত কওঁ। ৬৩৬

কোনে বোলে তাৰে,
সেইখিনি বেলাত মোক মাৰিব পাৰে।”
এদেউ ৰ'ল,
কথা কৈ ফুকনদেউ ঘৰলৈ গ'ল। ৬৪০

অনেক গুণনি ধৰিল ৰাজমাওৰ
উঠিল মাজে-নিশা ৰাতি,
পৰম হিতকাৰী ৰূপেচিং বঙ্গালক
তেতিয়াই অনালে মাতি। ৬৪৪

“কাৰ খালোঁ ধাৰ,
ৰাজ্যৰ দ্ৰোহী আৰু ৰূপেচিং সাৰ।”
“বেজাৰ কৰে শোকে,
তেনেটো কথালৈ নকৰা মোকে।” ৬৪৮

“ই কথা থওঁ,
কেনেকৈ মাৰিবি তাৰ কথা কওঁ।
কটাৰীত মাৰিবৰ চিৰি,
কঁকালত আছে তাৰ ছ-অঁৰা বিৰি। ৬৫২

কথাষাৰি কয়,
শৌচৰ বেলিকা আঁতৰাই থয়।
কোনে বোলে তাৰে,
সেইখিনি বেলাত তাক মাৰিব পাৰে।
ৰূপচিং নহবি খোৱা,
শালত বাঁচি লবি ভাল চাই ঘোঁৰা।”
কোনে বোলে জীলে,
জাপৰ তৰোৱাল ভাল চাই দিলে
কাউৰীয়ে কৰিবৰ কা,
ৰাতিৰে-ৰাতিটো ধৰালে দা।
এদেউ ৰ’ল,
পাচদিনা ৰূপেচিং বিহানেই গ’ল।
আছিলে চানি,
পিচদিনা ফুকনে লৈছিল মাটী-পানী।
আছিলে চানি,
গোবিন্দ কৃষ্ণ বুলি ঢালিলে পানী।
এদেউ ৰ’ল,
কৰ্ম্ম-অনুসাৰে চাপিয়েই গ’ল।
“মোৰ মুখলৈ চালি,
আজি গৰুখোৰা, ইমানে পালি।”
“নধৰিবা দায়,
ফুকনৰ গুৰিলৈ আহিব পায়।”

"নিদিয় হাক,
বাৰু, বাৰু, তই ৰূপচিং থাক।" ৬৭৬
ফুকনৰ কপালৰ বল,
সেইদিনা ৰূপচিঙ্গে নেপালে ছল।
কাউৰীয়ে কৰিবৰ কা,
পিচদিনা ৰূপচিঙ্গে ধৰালে দা। ৬৮০
এদেউ ৰ'ল,
পিচদিনা ৰূপচিং বিহানেই গ'ল।
"চন্দ্ৰত সেৰা সূৰ্য্যত সেৰা,
বসুমতীত সেৰা কৰোঁ, ৬৮৪
দায় নধৰিবা কালিকা গোঁসানী,
ৰাজ্যৰ দ্ৰোহীয়ক মাৰোঁ।"
এদেউ ৰ'ল,
কৰ্ম্ম-অনুসাৰে চাপিয়েই গ'ল। ৬৮৮
আছিলে চানি,
পিচদিনা ফুকনে লৈছিল মাটী-পানী।
আছিলে চানি,
গোবিন্দ কৃষ্ণ বুলি ঢালিলে পানী। ৬৯২
কাউৰীয়ে কৰিবৰ কা,
পানীৰে আৰতে মাৰিলে দা।
ৰামকৃষ্ণ বোলোঁতে, মূৰত পানী ঢালোঁতে
ঘপহাই মাৰিলে দা। ৬৯৬

নহবলৈ হ'ল,
কোমোৰা ছিঙ্গাদি   ছুডোখৰ হ'ল।
"এই খিনিতে আছিলা মোৰ বঙ্গহৰ দেউতা,
শৰাইৰে গুৱাপাণ খাই,
কোন পৰদেশে   গলা মোৰ ঠানুৱা
বাতৰি পাবলৈ নাই !
এই খিনিতে আছিলা মোৰ বঙ্গহৰ দেউতা,
আগতে খেলি খেলাই,
সাতৰাজ মাৰি ঐ   একে ৰাজ কৰিলা,
ল'লা যোৰহাটত ঠাই !
দুখৰ উপৰি দুখ   ৰাইজসকল,
দুখৰ উপৰি দুখ,
কুকুৰে কামোৰে   ছৱালে দলিয়ায়,
ক'তো নিমিলে সুখ !
মাছ মৰাই থ'লোঁ,
তোমাৰ অবিহনে বাৰী হ'লোঁ।
কাৰ খালোঁ ধাৰ,
আজুৰি ছিঙ্গো মই সোণৰ হাৰ।
ক'ত গলা দূৰ,
মলছি পেলাওঁ মই শাঁকে-সেন্দূৰ।
কলৈ গলা সাৰি,
মোক থৈ গ'লা বিধবা কৰি !"

“মাছ মাৰিবৰ কছ,
এনে কণিবিহৰ নথবি সঁচ।
ভাত ববৰ তাঁতী,
বাপেকৰ লগতে পেলোৱাগৈ কাটি।”
কোনে বোলে জীলে,
জম্মি, পিয়লি, মুমলিক চাওদাঙ্গে নিলে।
খাবলৈ ভাত ৰান্ধে,
কাটিব নোৱাৰি চাওদাঙ্গে কান্দে।
নেমাৰিলে হাই,
চাওদাঙ্গে আছেগৈ বাটলৈ চাই।
বস্তু ললে ওজ,
তেতিয়াই পালে চন্দ্ৰকান্তই বুজ।
কোনে বোলে জীলে,
দাঁৰৰ আগত বান্ধি বাউল দিলে।
কোনে বোলে জীলে,
মেলানি মাগি সৰ্কদেৰে নিলে।
“নমৰিবি হাঁয়,
মোৰ গাত, বোপাই, কিছু দোষ নাই।
নামৰ মুখত তৰিল,
আপোনাৰ বুধিতে আপুনি মৰিল।
কিহেনো খালে,
তেনেটো কথানো বাপেৰে কলে।

নধৰিবি দায়,
মোৰ্ গাত, বোপাই, কিছু দোষ নাই।"
বস্তু ললে গুজ,
তেতিয়াই পালে পুৰণিমানে বুজ। ৭৪৪
এদেউ ৰল,
তেতিয়াই মান আপোনাৰ দেশলৈ গল।
আছিলে বৈ,
মানৰ কুৰঁৰীক মানে কৈ দিলেগৈ। ৭৪৮
থাকিলে বৈ,
"ককাইৰ মৰিশালী চাই আহোঁগৈ।"
ৰজাই বোলে, "ৰওক,
তুমি যাব নেলাগে চেগফুকনেও যাওক। ৭৫২
তাঁত ববৰ তাঁতী,
সাদিনৰ বাটলৈ পেলাবি কাটি।
থাকিবি শুই,
নির্দ্দোষী মানুহৰ ঘৰত দিবি জুই। ৭৫৬
মাৰি খাবৰ গৰু,
সবাকো কৰিবি একেটা চৰু।
সৰিয়হৰ ফুল,
বামুণ কলিতাৰ মাৰিবি কুল। ৭৬০
জাপৰ তৰোৱাল ভালকৈ নিবি,
ধনী ববৰুৱা আৰু ৰাজমাওক

পোনতেই বৰশীত দিবি।”
এদেউ ৰ'ল, ৭৬৪
কাঠৰ ভুৰ সাজি মান পাৰ হ'ল।
আছিলে বৈ,
চেগ ফুকন যোৰহাট সোমালেগৈ।
আছিলে বৈ, ৭৬৮
বৰফুকনৰ ঘৈনীয়েকক মানে সুধিলেগৈ,—
“ঈশ্বৰৰ ইচ্ছাত তৰিল,
তেনেটো মন্ত্ৰীনো কেনেকৈ মৰিল ?
ধান খেৰৰ ছাই, ৭৭২
অসমৰ মলুকত তেনে মন্ত্ৰী নাই !
কোনে বোলে জীলে,
কঁকালৰ বিৰিধাৰ কোনেনো নিলে।
ই কথা ৰ'লে, ৭৭৬
সেই বিৰিধাৰ কাক দি গ'লে ?”
“কাউৰীয়ে কৰিবৰ কা,
মাটী-পানী লওঁতে মূৰত পানী ঢালোঁতে
ৰূপচিঙ্গে মাৰিলে দা। ৭৮০
নহবলৈ হ'ল,
কোমোৰা ছিগাদি ছুডোখৰ হ'ল।”
কোনে বোলে জীলে,
ধনী বৰবৰুৱাক বৰশীত দিলে। ৭৮৪

কঁকালৰ উলিয়াই ৰেট,
পতালি ফুকনৰ ফালিলে পেট।
পেট ফালি চালে,
কলাডিল উলিয়াই খৰিকা দি খালে।
দেশৰ পৰা ওলাল,
ৰূপচিং বঙ্গাল আৰু ৰাজমাও পাখৰী
ৰাতিয়ে খবৰ পাই পলাল।
তাঁত ববৰ তাঁতী,
সাদিনৰ বাটলৈ পেলালে কাটি।
আছিলে শুই,
নির্দ্দোষী মানুহৰ ঘৰত দিলে জুই।
গোম সাপৰ ফেটি,
বৰ বৰ ৰজায়ো এৰিলে ভেটী।
কোনে বোলে জীলে,
ভাল ভাল ছোৱালীবোৰ মানে ধৰি নিলে।
কিনো সোধা মোক,
সেইবেলি মানে ছ-বছৰ কৰিলে ভোগ।
এ কুম্পানী,
চাহবে ভাত খালে ম'হৰ গাখীৰ সানি।
এ দেউ কলিয়াবৰ,
সেই মান চেলাই মাৰিলে লৰ।
নহবলৈ হ'ল,

আসাম দেশ গু'চ বঙ্গাল দেশ হ'ল।
নহবলৈ হ'ল, ৮০৮
ইংৰাজ উঠা দেখি ৰাইজৰ মন ভাল হ'ল।

সৰেচতী আই, মই পাৰ্থনা কৰিলোঁ,
তোমাতে ৰহোক চিত,
সকলো সভাসদ দিয়ক পাচেমহা ৮১২
মই থওঁ ফুকনৰ গীত।
সৰেচতী আই, মই পাৰ্থনা কৰিলোঁ।
তোমাতে ৰহোক চিত,
সকলো সভাসদ দায় নধৰিবা, ৮১৬
মই থওঁ ফুকনৰ গীত।
এনে মতে ভৰিল,
পদৰ ভঙ্গিতা, দেউতা, ইমানতে পৰিল ॥ ৮১৯

টীকা

টীকাত লিখা অঙ্কবিলাকে বৰফুকনৰ গীতৰ শাৰীৰ সংখ্যা বুজাইছে।

১-২০—আমাৰ অসমীয়া স্বভাব-কবিয়ে গীতৰ আৰম্ভণিত বাগ্দেবী সৰস্বতীক বন্দনা কৰি কাব্যৰ বিশ্বপ্ৰচলিত ৰীতি এটি অনুসৰণ কৰিছে নাথোন। অসমীয়া পুথি আদিত "প্ৰথমে প্ৰণামো" ধৰণৰ আৰম্ভণ প্ৰায়েই দেখা যায়। আমাৰ কবিৰ পূজাৰ আহিলা-পাতি একেবাৰে অসমীয়া। "আই সৰেচতী দেৱী পাৰেবতীক" সন্তুষ্ট কৰিবলৈ শৰাই, মলা প্ৰভৃতিতকৈ আদৰৰ পূজাসম্ভাৰ অসমীয়াই আৰু ক'ত পাব? অসমীয়া গীতৰ লালিত্য বুজিবলৈ হলে বেজবৰুৱাৰ "বীণ-বৰাগী" কবিতা চাওক, "কদমকলি"।

১৮—ৰেৱা অৰ্থাৎ দীঘলীয়া ঢৌৰ শিৰৰ ৰেখা; সম্ভৱত ৰেখা বা ৰেঘা শব্দৰ পৰা 'ৰেৱা' শব্দৰ উৎপত্তি।

৩০—অসমীয়া কবিয়ে এনে বহুমূলীয়া গীত এটি অসমীয়া ৰাইজক দি নাথোন এশিকি বা পাঁচমহা বানচ বিচৰাটো চাব লগীয়া। চাৰ ৱাল্টাৰ স্কটৰ Marmion কাব্যত আছে,—

A lady's suit and minstrel's strain,
By knights should never be heard in vain.

৩৭-৪০—কবিৰ সহানুভূতি পূৰ্ণানন্দ বুঢ়াগোহাঁইতকৈ, নানা বিপদ-সঙ্কটৰ সম্মুখবৰ্ত্তী হোৱা বদনচন্দ্ৰ বৰফুকনৰ ফালে বেচিকৈ ঢাল লৈছে। এনে কবিয়ে পোনতেই বুঢ়াগোহাঁই ডাঙৰীয়াৰ কাহিনী বিদ্রুপেৰে আৰম্ভ কৰাটো স্বাভাবিক। এই সূত্ৰে মধুসূদন দত্তৰ "মেঘনাদবধ কাব্যৰ" ৰাম আৰু ৰাৱণ, লক্ষ্মণ আৰু ইন্দ্ৰজিত, আৰু মিলটনৰ চেতানৰ চৰিত্ৰ-অঙ্কন বিচাৰ লগীয়া।

৫২ — এই মহেশ্বৰ পৰ্ব্বতীয়া ফুকনক, পাচলৈ বদনচন্দ্ৰই মন্ত্ৰীফুকন হৈ তেওঁৰ চকু দুটা কাঢ়ি পোটক তোলে। গুণাভিৰাম বৰুৱাৰ "অসম বুৰঞ্জী", ১৮২ পিঠি।

৬৩ — বৰফুকনৰ জীয়েক বুঢ়াগোহাঁইৰ বোৱাৰীয়েক পিজৌ গাভৰুৱে মহেশ্বৰ পৰ্ব্বতীয়া ফুকন গুৱাহাটীলৈ যোৱাৰ সম্ভেদ পাব বুলি ডাঙৰীয়াই ভঁৰালৰ পৰা বস্তু নিনি গোলাৰ পৰা ওজন কৰি জুখি বাটৰ জোখাই বছৰ-পাতি নিবলৈ মহেশ্বৰক আদেশ দিছিল। কিন্তু পৰীয়াই গোপনৰ চেষ্টা ব্যৰ্থ কৰিলে।

৬৪ — সম্ভ্ৰান্ত আহোমৰ তিৰোতাসকলক 'দেউতা' বুলি মতাৰ নিয়ম আছিল।

৮২ — আমি লৰালি কালত বুঢ়ী-আইৰ মুখে সাধুকথাত শুনি অহা ৰোহঘৰ বা আন্ধাৰৰ কোঠা সম্ভ্ৰান্ত অসমীয়াৰ ঘৰত আছিল বুলি ইয়াৰ পৰা প্ৰমাণ পোৱা যায়। বেজাৰ, ঠেহ-পেচ, গপ, বা শোকৰ সময়ত তাত আশ্ৰয় লোৱা হৈছিল।

৮৪ — পিজৌ গাভৰু যে লিখা-পঢ়া নজনা আছিল তাক ইয়াৰ পৰা বুজিব পাৰি। দেউতাকলৈ বাতৰি পঠিয়াবলৈ, চিঠি লিখাৰ কাৰণে গিৰীয়েক ওৰেষানাথ ঢেকিয়াল ফুকনক তেওঁ অনেক কাকুতি-মিনতি কৰিব লগাত পৰিছিল।

৯৫ — বৰফুকন আৰু বুঢ়াগোহাঁইৰ মাজত হোৱা ভিতৰুৱা কন্দলৰ কথা ইয়াত উনুকিওৱা হৈছে। বৰফুকনে জীয়েকৰ লগত যৌতুকস্বৰূপে 'সাতখন চ'ৰাৰ বস্তু' দিয়াত বুঢ়াগোহাঁই অপমানিত হৈছিল। গুণাভিৰাম, ১৭৭ পিঠি।

১০৪ — ৰাজকৰ্ম্মচাৰী ওৰেষানাথে, ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ গুপ্ত আদেশ চিঠিৰে গুৱাহাটীৰ বৰফুকনলৈ জনাবলৈ স্বাভাবিকতে শঙ্কা কৰিছিল, কাৰণ তেনে অপৰাধত তেওঁৰ প্ৰাণদণ্ডো সম্ভৱ আছিল।

১২৬—বুৰুকবিলাক সাধাৰণতঃ শাস্তিপ্ৰয়োগ আৰু জৰুৰি কামত নিযুক্ত হৈছিল।

১৩০—বাটত ভাতপানী খালে বেলি হয় বুলি এই আদেশ।

১৫৩—বাটৰ ভাগৰ পলুৱাবলৈ পৰ্ব্বতীয়া ফুকনে আয়ম বা আড়ম্বৰ কৰি বহিল। তেওঁ ভাবিছিল নে যে তেওঁৰ এই সামান্য ত্ৰুটিত অসমৰ সৌভাগ্য-ৰবি চিৰকাললৈ অস্তমিত হব?

১৫৭—চাংমশাই শাল, ৰান্ধনি ঘৰ বা আহাৰ কৰা ঠাই।

১৮৬-১৮৯—বৰফুকনীৰ এই গিনতি, আৰু ফুকনক টোলত বিচাৰি নেপাই কৰা বিলাপ অতি কৰুণ আৰু হৃদয়-বিদাৰক!

২৬২-২৭১—কোনোবা ধুবুৰীবো দূৰৈত থকা কলিকতা মহানগৰীৰ নৰে "আজগুবী চহৰৰ" এনে হাঁহি-উঠা বৰ্ণনা অসমীয়া কবিৰ পক্ষে স্বাভাবিক। বেজবৰুৱাৰ 'বেলিমাৰ' চাওক।

২৮১—বৰফুকনে পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ শাসনপদ্ধতি গৰ্হিত আৰু ৰাজক্ষমতাবিৰুদ্ধ বলি অতিৰঞ্জিত কৰি কোম্পানীৰ চাহাবৰ আগত বৰ্ণনা কৰিছিল। ১৭৯৩ আৰু ১৭৯৪ খৃষ্টাব্দত, গৌৰীনাথসিংহ স্বৰ্গদেৱৰ ৰাজত্বত ইংৰাজৰে সৈতে অসমৰ, ঘাইকৈ বাণিজ্যৰ সুবিধাৰ কাৰণে স্থাপিত হোৱা সন্ধিসূত্ৰে অসম ইংৰাজৰ মিত্ৰ আছিল।

২৮৫—অন্যৰ ৰাজ্যৰ ভিতৰুৱা কথাত হাত নিদিয়াটো তেতিয়া ভাৰতীয় ইংৰাজ গৱৰ্ণমেণ্টৰ "ধৰম" বা ৰাজনীতি আছিল।

৩০৯-৩২৯—"বদনচন্দ্ৰ বৰফুকনে ঢাকা, চট্টগ্ৰাম, আৰাকানেৰে গৈ আভা নগৰ পাই অসমদেশৰ অৱস্থা মানৰজাত জনালে।" গুণাভিৰাম, ১৮০ পিঠি।

"বদনচন্দ্ৰ বৰফুকন প্ৰথম মুৰশিদাবাদ গিয়া জগৎশেঠেৰ শৰণাপন্ন হইয়া তাঁহাৰ সাহায্য-প্ৰাপ্ত হইয়া কলিকাতা গেলেন। সে স্থানে আত্মকৰ্ম্ম-সিদ্ধিৰ কোন লক্ষণ না দেখিয়া শ্ৰীহট্টেৰ পথে ব্ৰহ্মদেশে গিয়া

ৰাজাৰ পক্ষ হইতে, মন্ত্ৰীকে নষ্ট কৰাৰ কাৰণ ব্ৰহ্মদেশেৰ আভানগৰেৰ ৰাজাৰ নিকট সহায়তা যাজ্ঞা কৰিলেন।"—১৮২৯ খৃষ্টাব্দত প্ৰকাশিত হলিৰাম ঢেকিয়াল ফুকন প্ৰণীত "আসামদেশেৰ ইতিহাস।" স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহৰ প্ৰতিনিধি হৈ বৰফুকনে বৃটিছ আৰু মানৰ পৰা সহায় বিচাৰিছিল বুলি সেই কালৰ মানুহৰ ধাৰণা আছিল, আৰু চন্দ্ৰকান্ত ৰজাৰ কিছুপাচৰ কাৰ্য্যাবলীৰ পৰা সেই ধাৰণা বদ্ধমূল হৈছিল। ভাৰতবুৰঞ্জী-প্ৰণেতা ইংৰাজ ঐতিহাসিক জেম্‌চ্ মিল আৰু উক্তনী অসমৰ বুৰঞ্জী-লিখক কৰ্ণেল ছেকচ্‌পিয়াৰে এই মতৰ সমৰ্থন কৰিছে। "নতুন কথা" আৰু ওপৰুক্ত টীকা চাওক।

৩২৫-৩২৯—ঘোৰামুৰা আৰু এঠেঙ্গীয়া দেশ কত?

৩৩৬—মানৰজাৰ কুঁৱৰী।—বডোৱাফা মানৰজাৰ লগত বদনচন্দ্ৰক কলিকতাৰ চিনাকী মানকটকীয়ে ভেটাই যুদ্ধ আদিৰ সাহায্য দিয়াৰ কথা বুৰঞ্জীত পোৱা যায়। কিন্তু মানৰজাই ঘপহাই এজন বিদেশী মানুহৰ হাতত সেনা দি পৰৰ ৰাজ্যলৈ পঠোৱাৰ কাৰণ কি? আমাৰ গীতত আছে,—মানৰজাৰ লগত সাক্ষাৎ হৈ তেওঁৰপৰা সৈন্য-সাহায্য লোৱা কামত বদনচন্দ্ৰক সহায় কৰিছিল মানৰজাৰ এগৰাকী অসমীয়া কুঁৱৰীয়ে। এওঁৰ বিষয়ে গীতত এইদৰে আছে,—সৰুতে এওঁ অসমৰ ডুৱৰা ঘৰৰ জীয়াৰী আছিল, বুঢ়াগোহাঁই ডাঙ্গৰীয়াই এওঁক মানলৈ তুলি দিছিল। কুঁৱৰীও ডুৱৰাৰ ঘৰৰ, বদনচন্দ্ৰও ডুৱৰা ঘৰৰ, গতিকে কুঁৱৰীয়ে মানৰজাৰ আগত আপোনাৰ ককায়েক বুলি বদনক চিনাকি দিছিল। কুঁৱৰীৰ কথা পেলাব নোৱাৰি মানৰজাই বদনক সৈন্য-সাহায্য দিয়ে। এতিয়া কথা হৈছে, এই গৰাকী অসমৰ জীয়াৰী মানৰজাৰ কুঁৱৰী কোন? বুঢ়াগোহাঁয়ে কেতিয়া কি সম্পৰ্কত মানলৈ তেওঁক দিয়ে? মনত ৰাখিব লগীয়া কথা, বদনচন্দ্ৰ মানদেশলৈ যোৱাৰ আগতে এইজনা কুঁৱৰীক মানলৈ দিয়া হৈছিল। বদনচন্দ্ৰৰ পূৰ্ব্বে মানৰে সৈতে অসমৰ কেতিয়াবা লেনদেন হৈছিলনে যে

বুঢ়াগোঁহাঁয়ে অসমৰ দুৰবাৰ ঘৰৰ জীয়াৰীক মানলৈ দিব লগাত পৰিল? দ্বিতীয়বাৰ অসমলৈ মান অহাৰ মূলতো এই গৰাকী কুঁৱৰী বুলি গীতত কোৱা হৈছে যে বদনচন্দ্ৰৰ মৃত্যুৰ কথা শুনি কুঁৱৰীয়ে "ককাইৰ মৰিশালী চাই আহোঁগৈ" বুলি বিননি ধৰাত তাক উপেক্ষা কৰিব নোৱাৰি বৰফুকন বধীইঁতক, ঘাইকৈ ৰাজমাওক আৰু ধনী ৰেবকুৱাক শাস্তি দিবলৈ মানৰজাই দ্বিতীয়বাৰ অসমলৈ সৈন্য পঠিয়ায়। এইজনা কুঁৱৰীৰ বিষয়ে বৰ্ত্তমান পুথিৰ আৰম্ভণিত সন্নিবিষ্ট কৰা "নতুন কথাত" কিছু আভাস দিয়া হৈছে। সবিশেষ জানিবলৈ হলে বৰ্ত্তমান সম্পাদকৰ "এংলো-এচেমিজ ৰিলেছনচ্" গ্ৰন্থৰ ৪৬৪-৬৬ পিঠি, আৰু ১৫শ বছৰৰ ৯ম সংখ্যা "বাহীত" প্ৰকাশিত হোৱা শ্ৰীযুত বেণুধৰ শৰ্ম্মাদেৱৰ "ৰঙ্গিলী, অসমীয়া মানকুঁৱৰী" প্ৰবন্ধ চাওক।

৩৫২-৩৫৬—কুঁৱৰীৰ ৰূপবৰ্ণনা কেনে মনোৰম!

৪৩২=ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙ্গৰীয়াক বধ কৰি তেওঁৰ মঙ্গহ পুতেকইঁতক খুউৱা অভিপ্ৰায়ৰ সঙ্কেত। আত্মীয়ক মাৰি তেওঁৰ মঙ্গহ আত্মীয়ক খুউৱা প্ৰাচীন প্ৰথা মতে প্ৰতিহিংসা চৰিতাৰ্থ কৰাৰ এটা উপায় বুলি বিবেচিত হৈছিল। গৌৰীনাথসিংহ স্বৰ্গদেৱে যি তিনটা অপূৰ্ণ হেপাহ লৈ লোকান্তৰ হয়, তাৰ ভিতৰত দ্বিতীয়টো এই,—"নগাৰঁৰ সিন্ধুৰাক বাপেকৰ মঙ্গহ পুতেকক আৰু পুতেকৰ মঙ্গহ বাপেকক খুৱাৰ নোৱাৰিলে।" গুণাভিৰাম, ১৫৯ পিঠি।

৪৩৮-৪৫০—যি ঐশ্বৰ্য্যৰ বলেৰে অসমে বিদেশীক আকৰ্ষণ কৰিছিল তাৰ বৰ্ণনা।

৪৫২—মানৰ সেনাপতি কামিনী ফুকনে ভেশছন ধৰি অসমদেশখন চোৰাং কৰি চাই মানৰজাৰ আগত বৰ্ণনা দিছিল। অন্য দেশীয় বিষয়াক অসমীয়া উপাধিৰে সাধাৰণ কথা-বাৰ্ত্তাত ভূষিত কৰাটো ই নতুন নহয়। মানৰ সেনাপতি শ্যামক ফুকনপদেৰে, মিঙ্গিমাহা বান্দুলাক গোহাঁইপদেৰে

বিভূষিত কৰা দেখা যায়। ইংৰাজ সৈনিক জেনাৰেল গৰ্ডন আৰু লৰ্ড কিচেনাৰক ইজীপ্তবাসীসকলে 'পাছা' উপাধিৰে বৰণ কৰা দেখা গৈছে।

৪৭৭-৪৭৮—অসমীয়া ৰূপহী গাভৰুৰ সৌন্দৰ্য্যত বিদেশীসকল "ভেঁড়া" হোৱাৰ আশঙ্কা এই দুশাৰিত ফুটি ওলাইছে।

৪৮২—খৰি-ভাৰী তেলীয়াক চেনেহ কৰি সিইঁতৰ হাতত অসমৰ মন্ত্ৰীলৈ চিঠি দিয়াৰ প্ৰস্তাব। ধনবিত দি ফুচুলাই খৰিভাৰী আদিৰ পৰা গোপনে অসমৰ তলানলা জানি লোৱাটোও এই চেনেহৰ উদ্দেশ্য।

৪৯২—চিৰিং ফুকনৰ বাবটো দেশাচাৰ আৰু বুৰঞ্জী আদি শাস্ত্ৰত ব্যুৎপত্তি থকা বিচক্ষণ আহোম পণ্ডিতক দিয়া হৈছিল। ৰজাঘৰীয়া বুৰঞ্জী ৰচনা উদ্ধাৰ কৰাৰ ভাৰো তেওঁৰ ওপৰতে আছিল। সেইকালৰ চিৰিং ফুকন বিষয় খোৱাজন বুঢ়াগোহাঁই ডাঙৰীয়াৰ ভিতৰ-বিশ্বাসৰ মানুহ আছিল, ডাঙৰীয়াৰ জৰীয়তে গৌৰীনাথসিংহৰ জীয়েকৰ লগত চিৰিং ফুকনৰ বিয়া হয়।

৪৯৩-৫০৬—দুৰ্দ্দান্ত মানৰ আক্ৰমণত দেশত কি দুৰ্যোগ-অমঙ্গলৰ সম্ভাৱনা এই কিশাৰিত তাকে উন্মুকিউৱা হৈছে।

৫১৫-৫২০—মান সৈনিকৰ সাজপাৰ বৰ্ণনা।

৫২৪—নিজৰ দেশখন পালি-পাচি খোৱা, বা স্বদেশৰ উন্নতি সাধনেই অসমীয়াৰ একমাত্ৰ কৰ্ত্তব্য, এই অন্তিম উপদেশটি দেশানুৰাগী মহামতি পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰে উপযুক্ত।

৫৩৫—ইয়াৰ লগৰ মৰ্ম্মস্পৰ্শী পদ এফাঁকি সকুতে শুনা মনত পৰে,—

"এইবাৰ নৱবিধান,
গৈছে বৰেফুকন আনিব মান।"

৫৩৭—খেনোৰ মতে, পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ স্বাভাবিকৰূপে মৃত্যু হয়; আনৰ মতে বুঢ়াগোহাঁয়ে আঙঠিত থকা হীৰা চেলেকি বৰফুকনৰ হাতত অপমান পাবৰ আশঙ্কাত মৃত্যু বৰণ কৰে।

৫৪১—মোৱামৰীয়া আৰু দন্দুৱা বিদ্ৰোহৰ পাচত বুঢ়াগোহাঁই ডাঙৰীয়াই হিন্দুস্থানী চিপাহীৰে কেবাটাও ফৌজ বা কোম্পানী গঠন কৰে। বৰফুকনবধী ৰূপচিং চুবাদাৰ আৰু বৰফুকনৰ মিত্ৰ উদয়চিং বঙ্গাল এই ফৌজৰে মানুহ।

৫৬০ আৰু **৫৮৮**—ফুলপানী-ছিগা।—শিৱসাগৰ জিলাৰ অন্তৰ্গত জাঁজিৰ পৰা ডেৰমাইলমান আঁতৰত থকা এখন গাওঁ, আৰু সেই নামৰ এখন নৈৰ নিচিনা জলাহ্ বা বিল। তাৰ ওপৰেদি মাছখোৱাগঁড়ৰ আলি গৈছে। জাঁজিত থকা মাছখোৱাগঁড়ৰ কাষৰত এটা খাৰৈ আছে। জাঁজিৰ বুঢ়ালোকসকলে কয় যে এই খাৰৈত বহুত হিলৈ আৰু লাওখোলা তাহানি পোৱা গৈছিল, আৰু এই ঠাইতে মানৰে সৈতে অসমীয়া সেনাৰ ৰণ হোৱা বুলি জাঁজি অঞ্চলত এটি প্ৰবাদ আছে।

৫৯২—চাৰি-আলি, শিৱসাগৰৰ নামতীদ'লৰ পৰা তিনিমাইলমান আঁতৰত থকা, ধোঁদৰ আলি, খৰিকটীয়া আলি আৰু চেউনী আলিৰ সংযোগৰ ঠাই।

৬০২—চাৰি-আলিৰ পৰা আৰম্ভ হৈ, জাঁজি নৈৰ ওপৰেদি গৈ, যোৰহাট পাই এই আলি গোলাঘাটত পৰিছে।

৬১১ ৬১৪—এই চাৰিটা মনোমোহা শাৰীৰ ভাবাৰ্থ এই,—ধিণাই বদনচন্দ্ৰ বৰফুকনে সাতবাইজ মাৰি বিদেশীক সোণৰ সঁফুৰা অসমভূমিত সুমুৱাই দেশ উছন যোৱাৰ ব্যৱস্থা কৰিলে; কিন্তু তেওঁ নিজে ৰাজমাও দেৱতাৰ চক্ৰান্তৰ পৰা হাত সাৰিব নোৱাৰি মৃত্যুমুখত পৰিল, যেনেকৈ তাঁতীয়ে গোটেই পৃথিবীকে বস্ত্ৰ যোগায়, কিন্তু নিজে হলে বস্ত্ৰহীন।

৬২১-৬৩৮—এই ছ-আঁৰা বিৰিৰ অলৌকিক গুণফেৰা কাল্পনিক নে সত্য?

৬৮২—গীতৰ মতে ৰূপচিং বঙ্গালে প্ৰথমদিনা চেষ্টা কৰি বৰফুকনক মাৰিব নোৱাৰিলে। সেই মুহূৰ্ত্তৰ পৰা বৰফুকন বিশেষভাৱে সতৰ্ক নহল কিয়?

৭২০—ৰাজমাও দেৱতাই বদনচন্দ্ৰৰ সতি-সন্ততিবো সঁচ মাৰিব লাগে বুলি জুন্নি, পিয়লি, হুমলিক কাটিবলৈ চাওদাঙ্গক আদেশ দিয়ে। জীয়েক মাজু-আইদেৱৰ সতিনীয়েক বদনচন্দ্ৰৰ দুহিতা পিজৌ গাভৰুৰ প্ৰতি ৰাজ-মাওৰ কি ব্যৱস্থা হল ?

৭৩১=মিত্ৰ বদনচন্দ্ৰৰ পুতেকহঁতক কাটিবলৈ দিবলৈ চন্দ্ৰকান্ত স্বৰ্গদেৱৰ বেথা লাগিল। সেইদেখি দাঁড়ৰ আগত ফটাকানী মেৰিয়াই দূৰৈৰ পৰা বাউল দি চাওদাঙ্গক ওভোতাই আনিলে।

৭৫২—বুৰঞ্জীৰ শ্যাম ফুকন আমাৰ গীতৰ চেগ ফুকননে ?

৭৮৬—আগলৈ মানক ভেটা দিবলৈ জয়পুৰত চন্দ্ৰকান্ত স্বৰ্গদেৱে এটা কোঁঠ পাতি পতালং ববৰুৱাক কোঁঠৰ অধিপতি কৰে, তেওঁক মানহঁতে বধ কৰে। এই পতালং ববৰুৱাক পতালি ফুকন বুলি ধৰিব পাৰি।

৮০৪=ডেভিড স্কট্ চাহাবে মানক খেদি খেদি নি কালয়াবৰত খোৱাৰ কথা বুৰঞ্জীত পোৱা যায়। গুণাভিৰাম, ২০৭ পিঠি।

৮০৯=মানৰ অত্যাচাৰত জুৰুলা হোৱা অসমীয়া প্ৰজাই ইংৰাজ আহি দেশ দখল কৰি শান্তিস্থাপন কৰাত পোনতে বিশেষ আনন্দ পালে। বছৰচেৰেকৰ পাচত দেশপ্ৰেমিক অসমীয়া নেতা কেজনমানে বিদেশী শাসনৰ পৰা মুক্ত হবলৈ চেষ্টা কৰিছিল। সবাতকৈ উল্লেখযোগ্য চেষ্টা কৰিছিল বদনচন্দ্ৰ ববফুকনৰ পুতেক পিয়লিয়ে।

ওপৰঞ্চি টীকা

(১) ৰঙ্গাচিলা দুৱৰাৰ ঘৰ।—বদনচন্দ্ৰ ববফুকনৰ পৰিয়াল "ৰঙ্গাচিলা দুৱৰাৰ ঘৰ" বুলি প্ৰসিদ্ধ আছিল। চুড়াংফা ৰজাই এদিন পছু মাৰিবলৈ

যাওঁতে এই দুৰবাৰ ঘৰৰ এটা ৰঙা কুকুৰে পহুৰ ঠেঙত কামোৰ মাৰি ধৰি পহু ৰাখিলে। পাচে ৰজাই ৰং পাই কুকুৰৰ নাম দিলে ৰঙাচিলা। সেই নামে এই ঘৰৰ নাম হল ৰঙাচিলা। এই বংশৰে এজন ফুকনৰ দুই পুত্ৰ আছিল মেচা আৰু কিৰকিৰীয়া। জয়মতী কুঁৱৰীৰ বধৰ পূৰ্ব্বে ৰাজ্যত বিপ্লৱ হোৱা কালত এওঁলোক দুজন বৰবৰুৱা হয়। মেচাৰ পুতেক নন্দলাল, নন্দলালৰ পুতেক হৰনাথ আৰু শ্ৰীনাথ। ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ দিনত, বদনচন্দ্ৰৰ দেউতাক হৰনাথ দুৰলীয়া ফুকনক মণিপুৰলৈ সৈন্য দি পঠিয়াওঁতে লেচেঙিয়াল বৰপাত্ৰ-গোহাঁই ডাঙৰীয়াই কৈছিল,—"ফুকন, তুমি দুৰবাৰ ঘৰৰ লৰা, প্ৰাচীন, এদিনীয়া নোহোৱা।" লক্ষ্মীসিংহ স্বৰ্গদেৱৰ দিনত বাটঘৰীয়া মোহনমালা গোহাঁয়ে হৰনাথক কৈছিল,—"ফুকন, তই দুৰবাৰ ঘৰৰ. এদিনীয়া নহ, তোৰ সপ্তম-পুৰুষে আমাক সেৱা কৰি গৈছে, মিত্ৰ-সম্বন্ধো আছে।" মৰাণে হৰনাথ সেনাপতি ফুনকনক বন্দী কৰিছিল। যুদ্ধ নকৰি আপুনি গৈ মৰাণক ধৰিলে বুলি হৰনাথৰ বিৰুদ্ধে অভিযোগ হোৱাত তেওঁ মৰাণৰ বন্দীশালৰ পৰা পলাই গৈ বঙ্গদেশৰ ৰংপুৰ জিলাৰ অন্তৰ্গত চিলমাৰীত থাকেগৈ। লক্ষ্মীসিংহ স্বৰ্গদেৱে পুনৰ সিংহাসন পোৱাৰ পাচত হৰনাথ অসমলৈ উভতি আহে। পূৰ্ব্বৰ অপৰাধত তেওঁৰ প্ৰাণদণ্ডৰ আজ্ঞা হয়, মন্ত্ৰীসকলে স্বৰ্গদেৱক বুঝাই কোনোমতে সেই শাস্তিৰ পৰা হৰনাথক মুক্তি দিয়ালে। গৌৰীনাথসিংহ ৰজাৰ দিনত হৰনাথ গুৱাহাটীৰ বৰফুকন হয়, আৰু ১৭০৬ শকৰ ভাদৰ কৃষ্ণা সপ্তমীত তেওঁৰ মৃত্যু ঘটে। হৰনাথৰ ভায়েক শ্ৰীনাথ কমলেশ্বৰসিংহ ৰজাৰ দিনত বৰবৰুৱা হয়; এৱেঁই হৈছে অমূল্য গ্ৰন্থ "তুংখুঙীয়া বুৰঞ্জীৰ" গ্ৰন্থকাৰ। ৰঙাচিলা ঘৰৰ বিষয়ে সবিশেষ কথা বৰ্ত্তমান লিখকৰ দ্বাৰা সম্পাদিত "তুংখুঙীয়া বুৰঞ্জীৰ" অসমীয়া সংস্কৰণৰ ইংৰাজী আৰু অসমীয়া ভূমিকা; আৰু "কৌৱৰ বিদ্ৰোহৰ" ৪৪-৪৭ পিঠিত পোৱা যাব।

(২) বৰফুকনৰ টোল। গুৱাহাটীত বদনচন্দ্ৰ থকা ঠাই কোনখিনি

সেই বিষয়ে অনেকে জানিবলৈ বিচাৰে। তাৰ উত্তৰত, স্বৰ্গীয় গুণাভিৰাম বৰুৱা ডাঙৰীয়াই লিখা কথাখিনিকে তলত উদ্ধৃত কৰি দিয়া হল,—

"এতিয়াৰ ফাঁচিবাজাৰ আৰু তাৰ পূবফালৰ বঙ্গালৰ টোল, ইফালে লুইতৰ কাণৰ আলীৰ দক্ষিণ কাণ, আৰু দক্ষিণে সেই বাট পৰ্য্যন্ত এইটো বৰফুকনৰ টোল। ইয়াৰ চাৰিও ফালে বাঁহৰ কোঠ; টোলৰ পশ্চিমে বড় বাটচড়া বা বড় দুৱাৰ। উত্তৰে পানী দুৱাৰ; এই টোলৰ ভিতৰতে বড় চড়াও আছিল।"—পুৰণি গুৱাহাটী নগৰ প্ৰবন্ধ, "আসাম-বন্ধু", প্ৰথম খণ্ড, একাদশ সংখ্যা, আঘোণ ১৮০৭ শক, ৩৬৯ পিঠি।

"এতিয়া যত ফাঁচিবাজাৰ বহে সেই ঠাইত আহোম ৰজাৰ দিনত বৰফুকন ৰাজ-প্ৰতিনিধিৰ হাউলি আছিল। কোষৰৰ ফালে সেই হাউলিৰ যি বাট তাক পানী দুৱাৰ বা ধোদৰ দুৱাৰ বুলিছিল। সেই দুৱাৰেৰেই চন্দ্ৰকান্ত ৰজাৰ মন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে ধৰি নিয়ে বুলি বদনচন্দ্ৰ বৰফুকন সপুত্ৰে পলাই গৈ কলিকতাত কোম্পানীৰ সাহায্য খুজিছিল।"—আসাম যাত্ৰা, স্বৰ্গীয় বৰুৱা ডাঙৰীয়াই হাতে লিখা কাকতৰ পৰা, "আসাম হিতৈষী", তৃতীয় বছৰ, দ্বিতীয় খণ্ড, প্ৰথম সংখ্যা, ১৫ আহাৰ ১৮৩৯ শক, ১০৩ পিঠি।

(৩) বৰফুকনে গুৱাহাটী এৰা তাৰিখ।—স্বৰ্গীয় গুণাভিৰাম বৰুৱাৰ মতে বদনচন্দ্ৰই ১৭৩৭ শকৰ ৯ আহিন তাৰিখে ৰাতি "ধোঁদৰ দুৱাৰ" বোলা পাচবাটেৰে ওলাই সৰুনাৱেৰে ভটীয়াই গল। চন্দ্ৰকান্তসিংহই বুটিছলৈ দিয়া দুখান চিঠিত সেই শকৰ ২২ আহিন, অৰ্থাৎ ইংৰাজী ৭।১০।১৮১৫ তাৰিখে বদনচন্দ্ৰই গুৱাহাটী এৰা বুলি কোৱা হৈছে। প্ৰথম খনিত আছে,—"তাহা দুৰাদৃষ্টক্ৰমে ২২ আশ্বিনে ৰাত্ৰি দুই প্ৰহৰ বাদে সুবেদাৰ উদয়সিঙ্গ সমেত বদ পৰামৰ্শ কৰিয়া কএক জনা ছিপাহি সুঙ্গলিত নিয়া নিমকহাৰামি কৰিয়া ফুকন মজকুৰ কাৰসাজী কৰিয়া আমাৰ পৰ বদীয়ত হজুৰে আৰজ কৰে।" দ্বিতীয় খনিত আছে,—"দুষ্টলোক সহিত

পৰাভ্ৰস কৰিয়া ২২ আশ্বিনে ৰাত্রি আটে পহৰ বাদে নামকটা স্থবেদাৰ উদয়চিঙ্গ কএক জন চিফাই সহিত ফুকন মজকুৰ আপন তিন লাৰকা সহিত মালখানার খাজনা নিঞা নিমকহাৰামি কৰিয়া পলায়া গিয়াছে।”—ডাক্তাৰ স্থৰেন্দ্ৰনাথ সেন সম্পাদিত “প্ৰাচীন বাঙ্গলা পত্ৰ সংকলন”, পত্ৰ নং ১৪৪ আৰু ১৪৯। লণ্ডনৰ ইণ্ডীয়া অফিচত থকা উক্ত চিঠিৰ ইংৰাজী অনুবাদত হিন্দু তাৰিখৰ সলনি ইংৰাজী ১৮।১০।১৮১৫ তাৰিখ বুলি কোৱা হৈছে; চিঠিৰ মূলপাঠত থকা ওপৰোক্ত ২২ আহিনকে বৰফুকনে গুৱাহাটী এৰা তাৰিখ বুলি ধৰিব লাগিব।

(৪) কবচ বিৰি।—গীতৰ মতে, বদনচন্দ্ৰ বৰফুকনে শৰীৰৰক্ষক কবচ বিৰি ছ-জঁৰা কঁকালত লৈ ফুৰিছিল। গুণাভিৰাম বৰুৱায়ো এই বিৰিৰ কথা উল্লেখ কৰিছে, আসাম বুৰঞ্জী, ৪ৰ্থ সংস্কৰণ, ১৮৩-৪ পিঠি। অপ্ৰকাশিত বুৰঞ্জী এখনত আন এটা ঘটনাসূত্ৰে তেনে বিৰিৰ কথা পোৱা যায়। খোৰাৰজাৰ দিনত, কোচে অসম আক্ৰমণ কৰাৰ সময়ত, চাৰিং নদীৰ পাৰত কোচ সেনাপতি চিলাৰায়ৰ লগত আহোম সেনাপতি দেওৰজাৰ সাদিন ধৰি যুদ্ধ লাগিছিল, দুয়োদলৰে কাৰো ভঙ্গ-জয় নাই “পাচে চিলাৰায়ে ৰাত্ৰি গোসাঁনীক চিন্তি শোৱাত ৰাত্ৰি স্বপ্নত দেখালে,—‘তই যেনে পুত্ৰ সিও তেনে পুত্ৰ। তথাচ কালি সি ডিজিৰ বিৰি সোলোকাই গা ধোৱাত মই চিলনী হৈ বিৰিজোটা নিম। তই ৰণ কৰিলে জিকিবি।’ পাচে আনেকাদিনা দেওৰাজায়ে থৈ গা ধোৱাত চিলনীয়ে বিৰি নিয়াত দেওৰাজা বোলে,—‘মোৰ মৃত্যু উপস্থিত হল। কি মুখে ভতিজা ৰজাৰ আগত কথা কম? এই বুলি আপুনাৰ লগৰ সন্য সহিতে জীয়াই মৈদামত সোমালগৈ। পাচে বুঢ়াগোহাঁই সহিতে যুদ্ধ লগাত আমাৰ মানুহ ভঙ্গাই কোচ বাঢ়ি আহি মেছাঘৰৰ ঠাইতে থানিকা ললেহি।” একেৰাতিৰ ভিতৰতে কপাহ নেওঠি পাজি কৰি সূতা কাটি বোৱা কাপোৰ মন্ত্ৰপূত কৰি পিন্ধিও অসমীয়া যুজাৰুসকলে ৰণলৈ যোৱাৰ নিয়ম আছিল।

এনে কবচ কাপোৰ গাত নোহোৱাকৈ ৰণলৈ যোৱাৰ গতিকে মূলা গাভৰুৰ স্বামী ফাচেনমুং বৰগোহাঁয়ে তুৰ্কীকৰ ৰণত প্ৰাণ হেৰুৱালে বুলি তেতিয়াৰ মানুহৰ বিশ্বাস আছিল।

(৫) ফুলপানীছিগা ৰণ।—গীতত বৰ্ণনা কৰা ফুলপানীছিগা ৰণৰ বিষয়ে সবিশেষ পোৱা যাব দুতিৰাম হাজৰিকাৰ "কলি-ভাৰত বুৰঞ্জীত", আৰু বিশ্বেশ্বৰ বৈদ্যাধিপৰ "বেলিমাৰৰ বুৰঞ্জীত", বৰ্ত্তমান লিখকৰ দ্বাৰা সম্পাদিত "অসমৰ পদ্য-বুৰঞ্জী" গ্ৰন্থ, ১৫৮-৬০ আৰু ২৫২-৫৭ পিঠি। শ্ৰীমান্ বিনন্দচন্দ্ৰ বৰুৱাদেৱে "ফুলপানী-ছিগা ৰণৰ প্ৰাসঙ্গিক কথা" প্ৰবন্ধত ভালেমান জানিব লগীয়া তথ্য সন্নিবিষ্ট কৰিছে, অসম সাহিত্য সন্মিলনৰ ১৭শ অধিবেশন উপলক্ষে প্ৰকাশ কৰা "প্ৰবন্ধ সংগ্ৰহ" গ্ৰন্থ, ৯৪-১০৮ পিঠি।

(৬) অন্যান্য "বদন বৰফুকনৰ" গীত।—শ্ৰীযুত বেণুধৰ শৰ্ম্মাদেৱে একাদশ বছৰৰ "বাহীৰ" সপ্তম সংখ্যাত; আৰু শ্ৰীমান্ তুলসীনাৰায়ণ শৰ্ম্মাদেৱে চতুৰ্থ বছৰৰ "চেতনাৰ" প্ৰথম সংখ্যাত বদন বৰফুকনৰ গীত কেছোৱামান প্ৰকাশ কৰিছিল। ইয়াৰ লগত বৰ্ত্তমান পুথিৰ গীতৰ ভাষা আৰু ভাবধাৰৰ মিল পোৱা যায়, আৰু বহুত শাৰীৰ শব্দাৱলীও একে।

(৭) অন্যান্য অসমীয়া গীত।—উজনীৰ ফালে নাহৰ, চিকণ সৰিয়হ আৰু "পিতৃ-বুঢ়াগোহাঁই ডাঙ্গৰীয়া" পূৰ্ণানন্দৰ বিষয়ে গীত প্ৰচলিত আছে। ১৯২৬ চনত শ্ৰীমান ৰূপেশ্বৰ দত্তই মইনামতীৰ পুতেক গোপীচন্দ্ৰ কোঁৱৰৰ আৰু জনা গাভৰুৰ গীত প্ৰকাশ কৰিছিল। শ্ৰীযুত বেণুধৰ শৰ্ম্মাদেৱে "মণিৰাম দেৱান" গ্ৰন্থৰ শেহফালে দেৱানৰ বিষয়ে ১৮৪ শাৰী গীত সন্নিবিষ্ট কৰি দিছে। শ্ৰীযুত ফণীন্দ্ৰনাথ বৰুৱাৰ "প্ৰাচীন অসমীয়া গীত সংকলনৰ" প্ৰথম ভাগত ভালেমান জিকিৰ, আৰু কমলা কুঁৱৰী, ৰাধিকা শান্তি আৰু মণিৰাম দেৱানৰ গীত অন্তৰ্ভুক্ত হৈছে।

(৮) পিয়লি ফুকন।—বদনচন্দ্ৰই মানক মাতি আনি অসমীয়াৰ

বৰঘৰত পীৰা পাৰি বহুৱালে। বুটিছে সেই মানক খেদাবলৈ আহি অসমত খিতাপি হৈ ৰহিল। মাতৃভূমিত বিদেশীৰ প্ৰভুত্ব হোৱাত তাক গুচাবলৈ ১৮৩০ চনত বদনচন্দ্ৰৰ পুতেক পিয়লি বৰফুকনে সক্ৰিয় আয়োজন কৰিছিল। তেওঁৰ সাৰথি আছিল,—ধনঞ্জয় ভগা বৰগোহাঁইৰ পুতেক হৰনাথ, জোঁৱায়েক জীউৰাম ডুলীয়া বৰুৱা, ৰূপচান্দ কোঁৱৰ, দেওৰান দিহিঙ্গীয়া ডেকা আৰু বোম চিংফৌ। উদ্দেশ্য-সিদ্ধি হোৱাৰ আগতে ধৰা পৰাত, বিদ্ৰোহৰ অপৰাধত অভিযুক্ত পিয়লি বৰফুকন আৰু জীউৰাম বৰুৱাই ফাঁচি কাঠত জীৱন আহুতি দিয়ে। এই বিষয়ে সবিশেষ পাব,—স্বৰ্গীয় ইন্দীবৰ বৰুৱাৰ "জীৱনাদৰ্শ"; শ্ৰীমান্ চন্দ্ৰকান্ত ফুকনৰ "পিয়লি ফুকন" নাটক; বৰ্ত্তমান সম্পাদকৰ "হাদিৰাচকিৰ পৰা গণপৰিবৰ্ত্তনলৈ" শীৰ্ষক প্ৰৱন্ধ, ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখৰ স্বাধীনতা সংখ্যা "দৈনিক অসমীয়াত" প্ৰকাশিত আৰু "বুৰঞ্জীৰ বাণী" গ্ৰন্থত সন্নিবিষ্ট; আৰু শ্ৰীযুত বেণুধৰ শৰ্ম্মাদেৱৰ, "ভ্ৰমৰ", প্ৰথম বছৰ, চতুৰ্থ প্ৰবেশত প্ৰকাশিত "পিয়লি বৰফুকন" প্ৰৱন্ধত।

(৯) বদনচন্দ্ৰ-সাহিত্য।—বদনচন্দ্ৰ বৰফুকন আৰু মানৰ আক্ৰমণৰ ঘটনাৱলী এই কিখন মৌলিক গ্ৰন্থত ভালকৈ ফুটি ওলাইছে,—স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱাৰ "বেলিমাৰ" নাটক; শ্ৰীযুত নকুলচন্দ্ৰ ভূঞাৰ "বদন বৰফুকন" আৰু "চন্দ্ৰকান্ত সিংহ" নাটক; শ্ৰীযুত দণ্ডীনাথ কলিতাৰ "অসম-সন্ধ্যা" কাব্য; আৰু নগাৱঁৰ স্বৰ্গীয় দেৱনাথ বৰদলৈৰ "হেমপ্ৰভা" নামে অপ্ৰকাশিত নাটক।

(১০) বুঢ়াগোহাঁই-বৰফুকন বিৰোধ।—উজনিৰ বুঢ়াগোহাঁই আৰু নামনিৰ বৰফুকন, এই দুজনাৰ মাজত পূৰ্ব্বেও এক বিৰোধৰ দৃষ্টান্ত পোৱা যায়। ৰজা-প্ৰজা দুয়ো ঠাইতে প্ৰভাৱসম্পন্ন মহাজ্ঞানী দেশপ্ৰেমিক আতন বুঢ়াগোহাঁই ৰাজমন্ত্ৰী ডাঙৰীয়াৰ ক্ষমতা খৰ্ব্ব কৰিবৰ অৰ্থে লালুক সোলা বৰফুকনে মোগলৰে ষড়যন্ত্ৰ কৰি বিনযুদ্ধে বঙ্গালক গুৱাহাটী এৰি দিয়ে,

আৰু বিদেশী সৈন্যৰ সহায়েৰে নিজে অসমৰ ৰজা হবলৈ চেষ্টা কৰে। ভোটাই ডেকা প্ৰমুখ্যে কেজনমান চেঙ্গাতেজৰ মানুহৰ হাতত লালুক বুঢ়াফুকন নিহত হয়। এই বিষয়ে সবিশেষ পোৱা যাব বৰ্ত্তমান সম্পাদকৰ "ৰমণী গাভৰু" আৰু অলপতে ওলাব লগীয়া আতন বুঢ়াগোহাঁইৰ যুগৰ বিস্তৃত বুৰঞ্জীত।

সমাপ্ত

—— x ——

'বৰফুকনৰ গীত'ৰ বিষয়ে মতামত

স্বৰ্গীয় সত্যনাথ বৰা ডাঙ্গৰীয়া

"বৰফুকনৰ গীত এটা ঐতিহাসিক গীত। প্ৰকাশক কটন কলেজৰ ইংৰাজী সাহিত্যৰ প্ৰসিদ্ধ অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা। এই গীতৰ পৰা আসাম বুৰঞ্জীৰ শেহ ছোৱা, অৰ্থাৎ আসামৰ ভাগ্যবেলি কেনেকৈ মাৰ গল, তাক ভালকৈ জনা যায়। এইবিলাক কথা অৱশ্যে বুৰঞ্জীতো আছে। গীতটো মই বুৰঞ্জী স্বৰূপে শলাগিব লগীয়া বুলি নকওঁ। ই এটা অসমীয়া স্বভাৱ কবিৰ ৰচিত গীত। ইয়াত অসমীয়া ভাষাৰ স্বকীয়া মাধুৰি প্ৰকাশ পাইছে। ই পকুৱা সাজপাৰ বিবৰ্জ্জিত কবিতা, আন কি ইয়াত সংস্কৃতৰ ৰহণো নাই। ইয়াৰ ভাষা, পদলালিত্য, ভাব মাধুৰ্য্য, উপমা, বন্দনা সকলো জাত অসমীয়া। যদি কোনোবাই অসমীয়া ভাষাৰ নিভাজ পদ্যৰ আৰ্হি চাব খোজে, তেনেহলে তেওঁ এই গীত পঢ়ি চাওক। এই গুণত অৱশ্যে বিহুনাম শ্ৰেষ্ঠ, কিন্তু বিহুনামবিলাক প্ৰায়েই আদি-ৰসাত্মক। বৰফুকনৰ গীতত আদিৰস বিৰল, তেও ইয়াত পদ্যৰ মধুৰতা আৰু ভাষাৰ লালিত্য উপচি আছে। ভূঞাদেওৰ অসমীয়া সাহিত্যত বিশেষ ৰাপ, নাইবা তেখেতে এই গীত মগনীয়া গায়কৰ মুখৰ পৰা ধৰি লৈ ইমানকাল আটোমটোকাৰিকৈ নাৰাখিলেহেঁতেন। এই কাৰ্য্যৰ নিমিত্তে সকলো অসমীয়াই ভূঞাদেওৰ শলাগ লব। গীতটো এনেই অসমীয়া সাহিত্যৰ এটা বহুমূলীয়া ৰত্ন, তাতে আকৌ প্ৰকাশকৰ টীকা আৰু ভূমিকাই ইয়াৰ মূল্য শতগুণে বঢ়াইছে। টীকা আৰু ভূমিকা সমন্বিতে গীতটো পঢ়িলে আসাম বুৰঞ্জীৰ এছোৱা আৰু অসমীয়া সাহিত্যৰ এপিঠি ভালকৈ শিকা যায়। মই আশা কৰোঁ এই গীত প্ৰকাশকৰ টীকা আৰু ভূমিকাৰ সৈতে বিশ্ববিদ্যালয়ৰ কোনো উচ্চ মহলাৰ পাঠ্য স্বৰূপে অচিৰে গৃহীত হব।"—গুৱাহাটী, ইং ১৬ এপ্ৰিল ১৯২৫ চন।

স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱা ডাঙ্গৰীয়া

"ভূঞাদেৱে বৰ পুৰুষাৰ্থ কৰি এই গীতটো উদ্ধাৰ কৰি ছপাই উলিয়াইছে; সেইবাবে তেওঁ নিশ্চয় শলাগৰ পাত্ৰ। কিতাপখনত "ভূমিকা," "অসম বুৰঞ্জীৰ ঘটনা," "ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই", বদনচন্দ্ৰ ববফুকন, পিজৌ গাভৰু, মানৰজাৰ কুৰ্ৰী, আৰু ৰাজমাওৰ চৰিত্ৰৰ আলোচনা, "গীতৰ ভাষা", গীত আৰু বুৰঞ্জীৰ ঘটনা ইত্যাদিৰ আলোচনাত সম্পাদকে তেওঁৰ কৃতিত্বৰ পৰিচয় দিছে। মুঠতে কিতাপখন অসমীয়া সাহিত্য ভঁৰালৈ মূল্যবান দান। অসমৰ টেক্সট্ বুক কমিটিয়ে এই কিতাপখন স্কুলত চলোৱা দেখিলে আমি সুখী হম।" বাঁহী, পঞ্চদশ বছৰ, ১ম সংখ্যা, ১৮৪১ শক, বহাগ।

স্বৰ্গীয় পদ্মনাথ গোঁহাই-বৰুৱা ডাঙ্গৰীয়া

"ববফুকনৰ গীত"।—"মান-অনা ববফুকন" ঘিণাই ওৰফে বদনচন্দ্ৰ দুৰবাৰ উদ্দেশে গোৱা বীণ-বৰাগীৰ গীত। ৰচোঁতা অজ্ঞাত। গাওঁতা শ্ৰীভকতৰাম বৰাগী। থকা ঠাই উত্তৰ লক্ষীমপুৰৰ দুলীয়া গাওঁ। চহৰৰ পৰা ন মাইলমান আঁতৰত কমলাবাৰী ঘাটলৈ যোৱা আলিৰ কাষৰত এজাক পো-জী-নাতি, পৰিয়ালৰে সৈতে এটা জুপুৰী পজাত ভকতৰামে বাস কৰে। এই গীত উদ্ধাৰোঁতা অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা এম-এ, বি-এল। তেওঁৰ দ্বাৰাই সম্পাদিত আৰু প্ৰকাশিত। বেচ ॥০ আধলি এটা। ডাঠ এণ্টিক কাগজত ফট্‌ফটীয়াকৈ ছপোৱা, হাতত পৰা মাত্ৰে দুপাত লুটিয়াই নৰৈ নোৱাৰি। পুথি চাই বেচ নিচেই নামনিমিত বুলিব লাগে।

"গীত"ৰ গুণ গোৱাৰ আগেয়ে তাৰ গোন্ধে-গোন্ধে গৈ তাক উদ্ধাৰ কৰোঁতাৰ গুণ লোৱাৰ আৱশ্যক। কিয়নো তথ্য-পিপাসু অসমীয়া

সাহিত্যৰ উদ্যোগী ডেকা-ৰথী অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞাদেৱে লক্ষীমপুৰ যাত্ৰাৰ সেই সোণাময় ছেগ নধৰা হলে, "বৰফুকনৰ গীত" উত্তৰ লক্ষীমপুৰৰ হাবিতলীয়া ডুলীয়া গাওঁৰ জুপুৰীতে জাহ গলহেঁতেন ; তেওঁ ১৯১৭-১৮-২০ চনত তিনটা খেপত তিনিবাৰ অহোপুৰুষাৰ্থ কৰি আচল গাওঁতাৰ মুখৰ পৰা হু-বহুকৈ টুকি লৈ তাক ছপাই তাৰ ওপৰত পোহৰ নিদিয়া হলে, সেই বনৰ গীত-ফুল বননিতে মৰহি ৰাইজে নেদেখা-নুশুনা হলহেঁতেন। বাস্তৱতে এনে এটি আপুৰুগীয়া অসমৰ পুৰণি সম্পদ চপাই-বুটলি আনি মাতৃভাষাৰ সাহিত্য ভড়ালত যুগমীয়াকৈ ৰখাৰ বাবে আমাৰ উদ্যমশীল নবীন সাহিত্যিক অধ্যাপক ভূঞাদেৱক নো কি দি তেওঁৰ শলাগ লম ভাবি নাপাওঁ।

"বৰফুকনৰ গীত" শুনাৰ লগে লগে তাৰ সম্পাদকৰ ভূমিকা, টীকা আৰু ওপৰঞ্চিৰ টীকাৰ গুণ চাকিব লগীয়া। মুঠকৈ কব লাগিলে, ইয়াক অসমৰ পুৰণি বুৰঞ্জীৰ মানৰদিনীয়া আধ্যায় এটিৰ সাৰগৰ্ভ চমু টোকা স্বৰূপে সামৰি লব লগীয়া। ইয়াৰ পৰা পুৰণিকলীয়া আৰু ভালেমান লাগতিয়াল তথ্য-সূত্ৰ ঠাওকতে লাভ কৰা যায়। তাৰ ভিতৰৰ গোটাচেৰেককৈ মাথোন আমি আঙুলিয়াওঁ :—(১) বদনচন্দ্ৰৰ আন এটা নাম ঘিণাই,—তেওঁ আহোম ডুৱৰাৰ ঘৰৰ লৰা ; (২) "মান-কুঁৱৰী" তুংখুঙীয়া ফৈদৰ বগা কোঁৱৰৰ জীয়েক হেমো আইদেউক মানৰজালৈ বিয়া দিয়াৰ আগতে ডুৱৰা বংশৰ আৰু কোনোবা এগৰাকী আহোম গাভৰু মান-ৰজাৰ কুঁৱৰী আছিল, তেওঁ একে ডুৱৰা বংশৰ বদনচন্দ্ৰ বৰফুকনক অসমলৈ মান অনা কাৰ্য্যত সহায় কৰিছিল ; (৩) বদনচন্দ্ৰ বৰফুকনৰ পুতেকহঁত জন্মি আৰু পিয়ালীয়ে যিটো ঘৰ-ওপজা হাতীক ভাং খুৱাই বলিয়া কৰি এৰি দি কামৰূপীয়া প্ৰজাৰ ঘৰ-দুৱাৰ মহটিয়াই ভঙাই ৰং চাইছিল, সেই হাতীটোৰ নাম "বালকদাস" ; (৪) বদনচন্দ্ৰৰ গাত কে-অঁৰামান বিৰি আছিল, সেই বিৰি গাত থাকেমানে তেওঁক দা-যাঠীৰে কাটি-খুচি মাৰিব নোৱাৰি, অথাই

পানীত পৰিলেও তেওঁ মুবুৰে; কিন্তু শৌচ কৰিবলৈ যাওঁতে বিৰিণাৰ তেওঁ কৰণীত থৈ যায়। তাৰে সন্তেদ পাই, ৰাজমাও দেউতাই ছেগ বুজি, ৰূপচিং নামে হিন্দুস্থানী চিপাহী এটাৰ হতুৱাই বদনচন্দ্ৰক বধ কৰায়; (৫) পিছে গাভৰুৱে লিখা-পঢ়া নাজানিছিল, তেওঁ দেউতাক বৰফুকনলৈ দিয়া গুপ্ত বাতৰি নিজৰ স্বামী ওৰেষানাথ ঢেকিয়াল ফুকনৰ হতুৱাইহে লিখাইছিল; (৬) আনহাতে, পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ ডাঙৰীয়াই নিজৰ আঙঠিত থকা হীৰা চেলেকিহে মৰণ মিলাই লয়। ইত্যাদি।

সম্পাদকৰ কথাৰেই কওঁ, "বৰফুকনৰ গীতটি অসমীয়া জাতিৰ অন্তৰ ভেদি ওলোৱা; সেইদেখি ইয়াৰ ভাষা মৰ্ম্মস্পৰ্শী নিভাঁজ বিশুদ্ধ অসমীয়া ভাষা।" বৰফুকনৰ গীতৰ কবিত্ব একেবাৰে স্বাভাৱিক আৰু সময়োপযোগী ভাবোদ্দীপক। ইয়াৰ ৰচনা অনুপম, আধুনিক অসমীয়া কবিতাত এনে ৰস পাবলৈ নাই। ইয়াৰ আৰম্ভণ, ব্যাখ্যান আৰু সামৰণ সবাতে সাময়িক বিশেষত্ব, যাক অসমীয়া পৌৰাণিক বা আধুনিক কবিতাত পাবলৈ নাই। বৰাগীৰ বীণৰ সুৰত লীন হৈ যোৱাকৈ ভকতৰামে যিটি গীত গাই আগডোখৰত প্ৰাণ প্ৰৱৰ্ত্তাইছিল, সি যে অতি মধুৰ, অতি নিভাজ আৰু অতি মৰ্ম্মস্পৰ্শী,—অথচ অতি সস্তা, তাৰ চিন তলত তুলি দিয়া কবিতা কেইশাৰীতে ফুটি-ফুটি ওলাইছে।—

"লাই কুমলীয়া গৰুৱে খায়,
লফা কুমলীয়া বেৰোঁ,
ঘিণাই বৰফুকনৰ পদ গাই শুনালে
আঁধলি হলেহে এৰোঁ।"

—আসাম বন্তি, তেজপুৰ, ৩ জেঠ ১৮৪৭ শক,
ইং ১৭ মেই ১৯২৫ চন।

OPINIONS ON
"BARPHUKANAR GIT"

Prof. Sunitikumar Chatterji, D. Lit. (Lond.), Calcutta University :

"Your **Barphukanar Git** is fine, and you have edited a fine poem in a worthy manner. I like particularly the metre, and the story seems to be told in the direct and straightforward manner which is the charm of real ballad poetry".—In a letter to the editor, dated 15th January, 1925.

Srijut Radhakanta Handiqui, Jorhat :

"Prof. S. K. Bhuyan of the Cotton College has done a valuable service to Asssmese literature by recovering from oblivion and publishing the well-known Assamese ballad entitled the "Barphukanar Git", written in the early part of the nineteenth century, by some unknown poet, apparently soon after the devastation of the Assam Valley by the Burmese. The "song", narrating as it does, in simple, chaste Assamese language, the incidents of a most important and critical chapter of the history of Assam, is further made attractive and interesting by the illuminating notes and commentary by the Publisher who has already marked his name as a distinguished writer. This book should,—I think, be made a text-book for the higher classes of our schools, as well as for the University Examinations".—In a letter to the editor, dated Tirual Tea Estate, Jorhat, the 24th March, 1925.

Lt. Col. P. R. T. Gurdon, in the Journal of the Royal Asiatic Society of Great Britain and Ireland, London, for October 1925 :

"**Barphukanar Git** deals with an interesting period of Assamese history, **i. e.**, that immediately preceding the British conquest of Assam in 1824, and tells in pure unadulterated Assamese how Badan Chandra, alias Ghinai, Barphukan brought the Burmese to Assam. ...Mr. Bhuyan deserves the gratitude of his fellow-countrymen for having rescued from oblivion this most interesting historical ballad ; and he has rendered a service to Assamese literature not only by publishing such a good specimen of genuine Assamese as the ballad itself, but also by providing his excellent notes and commentary, all of which are written in good idiomatic Assamese, untouched by that Bengali influence, which is fast destroying the identity of the Assamese language".

শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা প্ৰণীত গ্ৰন্থাৱলী

—প্ৰকাশিত—

১। গোপালকৃষ্ণ গোখ্‌লে। ২য় তাঙ্গৰণ, ১৯১৬ খৃষ্টাব্দ।
২। নিৰ্ম্মালি। কবিতাৰ শৰাই। ১৯১৮ ; ১৯৫১।
৩। আহোমৰ দিন। ১৯১৮।
৪। জয়মতী উপাখ্যান। ১৯২০।
৫। আনন্দৰাম বৰুৱা। ১৯২০ ; ১৯২৪।
৬। ৰবীন্দ্ৰনাথ ঠাকুৰ। ১৯২০।
৭। বৰফুকনৰ গীত। ১৯২৪ , ১৯৫০ ; ১৯৫১ ; ১৯৫3।
৮। পঞ্চমী। ১৯২৭ ; ১৯৫০।
৯। জোনাকী। ১৯২৮ ; ১৯৩৮।
১০। চানেকি। ১৯২৮।
১১। অসম-জীয়ৰী। ১৯৩৫।
১২। কোঁৱৰ বিদ্ৰোহ। ১৯৪৮।
১৩। ৰমণী গাভৰু। ১৯৫১।
১৪। বুৰঞ্জীৰ বাণী। ১৯৫১।
১৫। সভাপতিৰ অভিভাষণ, অসম সাহিত্য সভাৰ ২২শ অধিবেশন, ছিলং, নভেম্বৰ ১৯৫৩।

16. An Assamese Nur Jahan. 1926.
17. Bibliography of the works of Dr. S. K. Bhuyan. September 1951.
18. Inaugural speech at the general session of the Manipuri Sahitya Parishad held at Imphal in October 1952.
19. Presidential address at the Modern History Section of the Indian History Congress held at Gwalior in December 1952.
20. Summary of the presidential address at the 22nd session of the Asam Sahitya Sabha held at Shillong in November 1953.
21. The Seven Hindrances. November 1953.
22. Some Literary Reminiscences, with Foreward by Dr. Radha Kumud Mookerji, January 1954.

—অলপতে ওলাব লগীয়া—

অসমীয়া গ্ৰন্থ

১। মহাৰাজ ৰাজেশ্বৰসিংহ স্বৰ্গদেৱ।
২। বুৰঞ্জীৰ কথা।
৩। বুৰঞ্জীৰ আলোচনা।
৪। অসমীয়া সাহিত্য সম্পৰ্কীয় প্ৰবন্ধাৱলী।
৫। কিতাপৰ কথা।
৬। নৱ-নিৰ্ম্মালি। নতুন কবিতাৰ শৰাই।
৭। অনাদৰী। 'নিৰ্ম্মালি'ত ঠাই-নোপোৱা কবিতাৱলী।
৮। অৱদান লৌহিত্য।

ইংৰাজী গ্ৰন্থ

1. Atan Buragohain and His Times.
2. An Assamese Miscellany.
3. Assam in the Eighteenth Century.
4. Studies in the Literature of Assam.
5. Inscriptions of Assam.
6. The Military System of the Assamese People.
7. Notes on Assamese Language and Literature.
8. Mir Jumla's Invasion of Assam
9. Report on the Assamese Manuscripts found in 1925 in the godown of the American Baptist Mission at Gauhati.
10. Academic Verses.
11. Occasionals and Abstracts.
12. Quintessence of Experience.

কিছুমান প্ৰকাশিত গ্ৰন্থৰ আগৰ তাঙ্কৰণৰ কিতাপ শেষ হৈ যোৱাত তাৰ নতুন তাঙ্কৰণ ছপাই উলিয়াবলৈ দিহা কৰা হৈছে। অপ্ৰকাশিত গ্ৰন্থাৱলীও এখন-এখনকৈ উলিওৱাৰ কাম হাতত লোৱা হৈছে।

প্ৰাগজ্যোতিষ গ্ৰন্থশালা
কোম্পানী বাগান ৰোড, উজানবজাৰ
গুৱাহাটী, অসম।

শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞাৰ দ্বাৰা

সম্পাদিত, অনূদিত, সঙ্কলিত আৰু প্ৰণীত গ্ৰন্থাৱলী

(ক) অসম গৱৰ্ণমেণ্টৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ দ্বাৰা প্ৰকাশিত—

১। অসম বুৰঞ্জী। হৰকান্ত বৰুৱা সঙ্কলিত। ১ম তাঙৰণ, ১৯৩০ খৃঃ।

২। কামৰূপৰ বুৰঞ্জী। ১৯৩০।

৩। দেওধাই অসম বুৰঞ্জী। ১৯৩২।

৪। অসমৰ পদ্য-বুৰঞ্জী। ১৯৩৩।

৫। তুংখুঙীয়া বুৰঞ্জী। অসমীয়া মূলপাঠ। ১৯৩২।

৬। কছাৰী বুৰঞ্জী। ১৯৩৬; ১৯৫১।

৭। জয়ন্তীয়া বুৰঞ্জী। ১৯৩৭।

৮। ত্ৰিপুৰা বুৰঞ্জী। ১৯৩৮।

৯। অসম বুৰঞ্জী। সুকুমাৰ মহন্তৰ ঘৰৰ পৰা পোৱা। ১৯৪৫।

১০। Bulletin I of the Department of Historical and Antiquarian Studies in Assam, 1932.

১১। Bulletin II of the D.H.A.S., 1934.

১২। Bulletin III of the D.H.A.S., 1936.

১৩। Bulletin V of the D.H.A.S., 1951.

১৪। Tungkhungia Buranji. English Translation, 1933.

১৫। An Account of Assam, by Dr. Francis Hamilton, 1940.

১৬। Annals of the Delhi Badshahate, 1947.

১৭। Lachit Barphukan and His Times, 1947.

১৮। Anglo-Assamese Relations. Thesis approved for the Ph D. degree of London University. Published in 1950.

(খ) কামৰূপ অনুসন্ধান সমিতিৰ দ্বাৰা প্ৰকাশিত—

১। Report and Conspectus of the Kamarupa Anusandhan Samiti, or the Assam Research Society, 1927.

২। পাদশ্বাহ বুৰঞ্জী। ১৯৩৫।

Call No........

(গ) অসম গৱৰ্ণমেণ্টৰ দ্বাৰা প্ৰকাশিত বা মুদ্ৰিত—

১। Early British Relations with Assam. 1928, 1949.

২। Preliminary Report on the Old Records of the Assam Secretariat. First Printed in Assam Secretariat Office File, 1931. Published in January 1951.

৩। Assamese Literature: Ancient and Modern Printed in Assam Secretariat Office File, 1936.

ইং ৬ জুলাই ১৯৫৪ চন।